# সংক্ৰমণ

( অসম চিকিৎসা মহাবিদ্যালয়ৰ আধাৰত লিখা এখন সম্পূৰ্ণ উপন্যাস )

ডাঃ বীৰেন্দ্ৰনাথ ডেকা

STATE CENTRAL LIBRARY
Cal. No........
★ ASSAM. ★

বাণী মন্দিৰ
নতুন বজাৰ, ডিব্ৰুগড়
৭৮৬০০১ ( অসম )

SONKRAMAN : A novel of Assamese language written by Dr. Birendranath Deka & published by Surjya Hazarika, B.COM. M/s. Bani Mandir, Dibrugarh, Assam.

প্ৰকাশক :

শ্ৰীসূৰ্য্য হাজৰিকা

বাণী মন্দিৰ

ডিব্ৰুগড়

প্ৰথম প্ৰকাশ ঃ ব'হাগ ১৯০১ শক

ইং ১৯৭৯ চন

মূল্য : ৮·০০ টকা

বেটুপাত ঃ শ্ৰীঅবিনাশ শৰ্মা

বাইণ্ডাৰ ঃ

অগ্ৰণী বাইণ্ডিং

১৯।১ এফ, পাটোৱাৰ বাগান লেন

কলিকতা—৭০০০০৯

ছপা :

লালমোহন দত্ত

উমা প্ৰেছ

২, পাটোৱাৰ বাগান লেন,

কলিকতা-৭০০০০৯

উৎসৰ্গা

এইখন কলেজৰ পৰম্পৰাৰ বৈশিষ্টলৈ জ্ঞাতে-অজ্ঞাতে

বৰঙণি আগবঢ়োৱা প্ৰতিজন ব্যক্তিলৈ শ্ৰদ্ধাৰে—

—বীৰেন্দ্ৰনাথ ডেকা।

STATE CENTRAL LIBRARY
Call No......
ASSAM.

## সুৰাগুৰি

"পেশা'ত ডাক্টৰ কিন্তু নিচাত সাহিত্যিক—এনে কেইবা গৰাকীও প্ৰসিদ্ধ সাহিত্য-শিল্পীৰ নাম একে উশাহতে লব পাৰি। ডাক্টৰ বীৰেন্দ্ৰ নাথ ডেকাও সি সকলৰ সহযাত্ৰী হ'বৰ বাবে আগবাঢ়ি আহিছে। তেখেতক স্বাগতম।

ডাঃ ডেকাই তেখেতৰ প্ৰথম উপন্যাস "সংক্ৰমণ"ত সম্ভাৱনাৰ কেইবাটিও উল্লেখযোগ্য স্বাক্ষৰ ৰাখিছে: নিজা দৃষ্টিকোণ, উপন্যাসৰ বাবে আৱশ্যকীয় পটভূমিৰ প্ৰশস্ততা, চৰিত্ৰ চিত্ৰণৰ ক্ষমতা আৰু বৰ্ণনীয় বিষয়ক স্পষ্ট আৰু জীৱন্ত কৰি তুলিব পৰা দক্ষতা।

অসমৰ প্ৰথম আৰু বিশাল চিকিৎসা মহাবিদ্যালয়—"অসম মেডিকেল কলেজ"ৰ পটভূমিত দুই-এজনে গল্প, উপন্যাসিকা লিখিবলৈ যত্ন নকৰা নহয়। কিন্তু সফল হোৱা বুলি ক'ব নোৱাৰি। সংক্ৰমণৰ পটভূমিও "অসম মেডিকেল কলেজ।" এই উপন্যাসখনৰ বিশিষ্টতা ইয়াতেই যে বৰবাবীৰ সমগ্ৰ ঠাই টুকুৰা, মেডিকেল কলেজৰ চৌহদ, তাৰ বিভিন্ন ৱাৰ্ডবোৰ, ডাক্তৰ, ছাত্ৰ, ৰোগী, নাৰ্চ, বনুৱা এই সকলোবোৰ যেন সাৰপাই উঠিছে। উপন্যাসখন পঢ়ি উঠাৰ পিছত ভাব হয়—এখন প্ৰাণৱন্ত আলেখ্য চালোঁ।

সাধাৰণতে দেখা যায় অতিশয় ঘনিষ্ঠ বিষয়ক শব্দেৰে স্পষ্ট কৰি তোলাটো বহুসময়ত সম্ভৱ হৈ নুঠে। ডেকাৰ দৃষ্টিক বিষয়ৰ ঘনিষ্ঠতাই অস্বচ্ছ কৰি তোলা নাই; বৰং কম আয়াসতে একোটা বৰ্ণনীয় খণ্ডক স্পষ্ট আৰু সজীৱ কৰি তুলিব পাৰিছে। চৰিত্ৰ-চিত্ৰণৰ ক্ষেত্ৰতো সৰু-বৰ প্ৰত্যেকটো চৰিত্ৰক যথাসম্ভৱ সিহঁতৰ নিজৰ ৰূপত দাঙি ধৰাত সফল হৈছে। 'বৰবাবী' নিজেই এটি চৰিত্ৰ হৈ উঠিছে।

উপন্যাসখনৰ এটা সু-সংগঠিত কাহিনী নাই। মেডিকেল কলেজত ভৰ্তি হ'বলৈ অহাৰ দিনৰ পৰা, শিক্ষা শেষ কৰি উভতি যোৱাৰ দিনালৈকে এজন ছাত্ৰৰ ব্যক্তিগত অভিজ্ঞতা, অনুভৱ, আনন্দ আৰু বিষাদ, যাবলৈ ওলোৱাৰ আগমুহূৰ্তত মূৰ্ত হৈ উঠিছে; মূৰ্ত হৈ উঠিছে জীৱনৰ সৰু-বৰ দ্বন্দ্ব আৰু সংঘাতৰ অতীত আৰু ভৱিষ্যত। এটা নষ্টালজিক্ কাৰুণ্যৰ সুৰ আপোনা আপুনি বাজি উঠিছে। একো একোটা সৰু সৰু ঘটনাৰ মাজতো জীৱনৰ দ্বন্দ্ব আৰু পৰিৱৰ্তনৰ সম্ভাৱনা লুকাই থাকে—লেখকে যেন তাৰ সম্ভেদ দিবলৈ যত্ন কৰিছে।

আশা কৰিছোঁ ডাঃ ডেকাৰ আন্তৰিক সাধনা অব্যাহত থাকিব আৰু তেখেতৰ এই প্ৰথম উপন্যাসৰ মাজেদি প্ৰকাশিত সম্ভাৱনাই পূৰ্ণতা লাভ কৰিব।

ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড়

—নগেন শইকীয়া
২৩ মে, ১৯৭৯

## ॥ কৃতজ্ঞতা ॥

"সংক্ৰমণ" লিখি উলিয়াওঁতে অনেক ক্ষেত্ৰত মনৰ সংশয় দূৰ কৰিবলৈ ওচৰ চাপিছিলোঁ ঃ

● মোৰ শিক্ষাগুৰু প্ৰসূতি বিভাগৰ মূৰব্বী অধ্যাপক ডাঃ ৰোহিণীকুমাৰ বৰকটকী, যক্ষ্মাবিভাগৰ অধ্যাপক ডাঃ ঘনকান্ত গোস্বামী, শল্য চিকিৎসক ডাঃ দিলীপকুমাৰ বৰুৱাৰ,

কানৈ বাণিজ্য মহাবিদ্যালয়ৰ উপাধ্যক্ষ্য শ্ৰীবিষ্ণুপ্ৰসাদ চক্ৰবৰ্ত্তী, আৰু ডাঃ গোবিন্দ দাস ( গোবিনদা ) ৰ ;

● উপন্যাসৰ পাণ্ডুলিপিটো, নিজৰ অসুস্থতাবশতঃও পঢ়ি চাই উদগনি দিলে আৰু "সংক্ৰমণ" নামেৰে নামকৰণ কৰিলে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক ডাঃ মহেন্দ্ৰ বৰাই ;

● উপন্যাসৰ পাণ্ডুলিপিটো পঢ়ি, "সুৱাগুৰি" তুলি উৎসাহ যোগালে অধ্যাপক শ্ৰীনগেন শইকীয়াই ;

● অসম চিকিৎসা মহাবিদ্যালয়ৰ অনেক পুৰণি কথাৰ সম্ভেদ দিলে শ্ৰীভুবনচন্দ্ৰ ডেকাই ।

সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ॥

● উপন্যাসখনি প্ৰকাশ কৰিবলৈ আগবাঢ়ি আহোঁতা, বাণী-মন্দিৰৰ স্বত্বাধিকাৰী, ভাতৃপ্ৰতিম শ্ৰীসূৰ্য্যকান্ত হাজৰিকালৈ ;

● বেটুপাতৰ চিত্ৰ শিল্পী বন্ধু শ্ৰীঅপিনাশ শৰ্মালৈ,

● পাণ্ডুলিপি প্ৰস্তুত কৰি দিওঁতা বচাপথাৰ চাহ বাগিচাৰ কৰ্মী শ্ৰীনৰেন গগৈলৈ,

● মোক সততে উৎসাহ যোগাওঁতা ডাঃ কুমুদকুমাৰ দত্ত, ডাঃ অজিতকুমাৰ বৰুৱা, তীৰ্থ দাস, চেহিৰ আহমদ, শুভ তুৱাৰা, মুকুল শৰ্মা, আৰু বিষ্ণুপ্ৰসাদ বৰবৰালৈ মোৰ আন্তৰিক প্ৰীতি সম্ভাষণ জ্ঞাপন কৰিলোঁ॥

● "বিগ্ৰেদিয়েৰ জন বেৰী হোৱাইট"ৰ নামটো ভুলকৈ ছপা হোৱাত আৰু কিতাপখনত সংগ্ৰহিত চিন্তাবিদ্ সকলৰ উদ্ধৃতি বাক্যৰ দুই এঠাইত কিছুমান শব্দ ভুলকৈ ছপা হৈ ওলোৱাত তেওঁলোকৰ সবৰ ওচৰত "অকৃতজ্ঞ" হোৱাৰ আশংকাৰে কথাষাৰ উল্লেখ কৰিলোঁ।

● সহৃদয় পাঠক-পাঠিকাৰ হাতত সসঙ্কোচে "সংক্ৰমণ" আগঢ়াই দি পুৰণি কবি এজনাৰ ভাষাৰে নিজৰ মনৰ কথা এনাৰ গুপুতে ক'বলৈ মন গৈছে—

"সমস্ত ৰসক কোনে বুজিবাক পাৰে।
"পখীসৱ উৰৈ যেন পখা অনুসাৰে॥"

বচাপথাৰ : নন্দনবন —বীৰেন্দ্ৰনাথ ডেকা

২৭।৫।৭৯

## এক

: কাইলৈ আমমানে যোৱা হ'ব?

: এৰা, যোৱা হ'বই।

: কোন বাটেৰে যাব?

: তাকেই ভাবিছোঁ। ট্ৰেইনেৰে যোৱা ভাল হ'ব, নে বাছেৰে যোৱা ভাল হ'ব। ইমান দূৰ বাট—

: ট্ৰেইনেৰেই যাওক। থ্ৰি-টায়াৰত ৰিজাৰ্ভেচন কৰি ল'ব—কামৰূপ এক্সপ্ৰেছত। ট্ৰেইনত উঠিয়েই বিচনাখন পাৰি ল'ব। শুই, বহি, চলাফুৰা কৰি আৰামেৰে গৈ থাকিব পাৰিব।

: তথাপি ট্ৰেইনেৰে যাবলৈ মন যোৱা নাই দেখোন।

: কিয়? ট্ৰেইনত অকলে গলেহে বেয়া লাগে। ইমানখিনি ল'ৰা একেলগে যাব যেতিয়া বেছ আনন্দহে লাগিব।

: এৰা, তুমি ঠিকেই কৈছা। তথাপি মোৰ ষ্টেট-ট্ৰেন্সপৰ্টেৰে যাবলৈ মন গৈছে দেখোন।

: বাছত নানান অসুবিধা আছে নিকুঞ্জদা। ইমান দূৰ বাট একেটা ঠাইতে বহি যাবলৈ বৰ আমনি লাগে। তাৰোপৰি এই মনগ'ল চালাবোৰ একেবাৰে মাতি আনি ছুটামান ভালকৈ জোকালে। মনগ'ল ফিনাকেট এজোপাকে বাধিলে। বাছত আকৌ ধূমপান নিষেধ জাননীখন দেখাৰ পিছত লোৱাৰি নহয়।

[illegible] কথা। কিন্তু, ইমানখিনি কাৰণ বুজিও ট্ৰেইনেৰে যাবলৈ মন যোৱা নাই।

: কাৰণ—

: [illegible] নাই—একেবাৰে [illegible]। [illegible]

[illegible]—

: আজিৰপৰা সাত বছৰৰ আগতে প্ৰথম বাৰৰ বাবে তিনিশ পঞ্চাশ মাইল দূৰৰ মোৰ ঘৰখন এৰি থৈ অহাৰ দিনাখন আহিছিলোঁ। ট্ৰেইনেৰে; আজি সম্পূৰ্ণ সাত বছৰৰ অন্তত চিৰদিনৰ বাবে ডিব্ৰুগড় এৰি যাবলগীয়া হোৱাত কিয় জানো মোৰ সেই একেটা পথ ভাল লগা নাই! ডিব্ৰুগড়লৈ সাত বছৰৰ কাৰণে মেডিকেল কলেজখনলৈ আহি এদিনাখন ঘৰলৈ গুচি যোৱাটো এইখন কলেজৰ প্ৰতিজন ছাত্ৰৰ কাৰণে যদিও গতানুগতিক, তথাপি কিয় জানো সেই একেটা পথেৰে আগমন আৰু প্ৰত্যাৱৰ্তন কৰিবলৈ মোৰ মন যোৱা নাই। গতিকে অলপ কষ্ট হ'লেও ষ্টেট ট্ৰেন্সপৰ্টেৰেই যাওঁ দুটা সম্পূৰ্ণ বিপৰীত দিনৰ চিন্তাধাৰা যাতে দুটা পথেৰে কোনোটোৱেই খোকোজা নলগাকৈ দুটা সম্পূৰ্ণ বিপৰীত পথেৰে আৱৰ্তন কৰিব পাৰে; নে কি কোৱা?

: আপুনি যি ভাল দেখে তাকেই কৰক। মুঠতে আপোনাৰ শাৰীৰিক কষ্ট নাইবা মানসিক অশান্তি অনুভৱ নকৰাটোৱেই আমি বিচাৰোঁ।

: এৰা।

কিন্তু এড্‌ভান্স বুকিং নকৰাকৈ জানো টিকট পাব। কাইলৈ ৰাতিপুৱা যদি যোৱাই হয়, আজি এড্‌ভান্স কৰি থব লাগিছিল।

: হ'ব দিয়া! এইমাত্ৰ চুপাৰিন্‌টেণ্ডেণ্টলৈ ফোন এটা কৰিছিলোঁ।— চুপাৰ এক্সপ্ৰেচখনত চিট এটা হ'ব বুলি কৈছে। আচলতে মোৰ গোটেই জীৱনটোতে সকলো কাম হুৰ-মূৰ যাত্ৰাৰ মাজেৰেই হৈ আছিছে। এড্‌ভান্স বুকিং বোলা কথাষাৰ প্ৰযোজ্য নহলেই!

: বাৰু হ'ব! এতিয়া পিচে ৰাতি বাৰ বাজিল। বেডিং-পত্ৰ, কাগজ-কিতাপ আদি বন্ধা হ'ল নে নাই?

: মই সকলো বান্ধি থৈছোঁ। ৰাতিপুৱা পাঁচ বজাত টেক্সি এখন আহি পাব। বিপুণইঁতকো কৈ থৈছোঁ। আটায়ে ৰাতিপুৱা আহি মোৰ এইখিনি পাব। তুমিও আহিবা দেই। আমি আটায়ে চৌকি-ডিঙি বাচষ্টেণ্ডলৈকে একেলগে যাম। তোমালোকৰপৰা বাচষ্টেণ্ডতহে বিদায় লম বুলি ভাবিছোঁ।

: নিশ্চয় আছিল। পিচে বেডিং-পত্র বন্ধা হৈ গ'ল যদি আজি বাতিটো শোৱাৰ ব্যৱস্থা ক'ত কৰিছে ?

: এই—পাহৰিয়েই গৈছিলোঁ। ভাবলিং। ব'লা তোমাৰ লগতে বাতিটো কটাই দিওঁ গৈ—

: ব'লক—

## দুই

: অনুপম !

: হোঁ।

: টোপনি আহিছে নেকি ?

: অলপ অলপ চকু লাগিছে।

: চাওঁ, লেপখন এইফালে দিয়াচোন।

: লওক।

... ... ...

: অনুপম।

: হোঁ।

: তুমি আজিকালি ধূপ জ্বলাবলৈ বাদ দিলা নেকি ?

: কেলেই ?

: মোৰ অলপ জুইৰ প্ৰয়োজন। চিগাৰেট এটা—

: —চিগাৰেট ? এই মাজৰাতিখন চিগাৰেট কেলেই ? কাইলৈ ইমান দূৰ বাট যাব লাগিব ! এতিয়া ভালদৰে শুই নললে—

: মোৰ আজি টোপনি নাহিব অনুপম !

: তেন্তে গোটেই ৰাতি সাৰে থাকিব নেকি ?

: এৰা ! উপায় নাই।

: কিন্তু কাইলৈ ইমান দূৰ বাট—

: তুমি মেডিকেল কলেজত ফাইনেল পৰীক্ষা এটিবো সন্মুখীন হোৱা নাই ; নহয় জানো। চাৰ্জাৰী পৰীক্ষাৰ আগদিনা, এনাটমী পৰীক্ষাৰ আগদিনা গোটেই ৰাতি সাৰে থাকি পিচদিনাখন কিমান উৎকণ্ঠাৰ মাজেৰে কিমান ঠাইত যে পৰীক্ষা দিব লাগে। প্ৰেক্টিকেলো কৰিব লাগে। কাইলৈ বহি বহিহে যাম। বোকাখাটত ভাত কেইটা খোৱাৰ পিচত টোপনিয়ে হেঁচা মাৰি ধৰিবই ; একেবাৰে নগাঁৱতহে সাৰ পাম ? অভ্যাস আছে বুজিছা, অভ্যাস আছে হোঃ হোঃ হোঃ।

: আপুনি যে কিখন কৰি ভাল পায় মই আজিও নুবুজিলোঁ।

: বুজা-নুবুজাৰ মাজেৰেই জীৱনৰ কামবোৰ সমাধা হয় অনুপম।

: আপুনি আকৌ খিড়িকিখন খুলছে কিয় ? বৰবাৰীৰ এই হিমচেঁচা ৰাতি। তাতে আকৌ ফেৰফেৰীয়া চেঁচা বতাহজাক বলিয়েই আছে।

: আজি বাৰু পূর্ণিমা ৰাতি নেকি ? অনুপম চোৱাচোন, খিড়িকিৰে আকাশৰ জোনবাইটো কিমান ধুনীয়া দেখি। এই পূর্ণিমা ৰাতি কিমান দিন এইটো হোষ্টেলৰ কৰিডৰত বহি আকাশৰ জোনাক লেখি লেখি কটাই দিছিলোঁ। ব'লাচোন, অলপ বাহিৰলৈ ওলাই যাওঁ—

: বাদ দিয়ক এতিয়া। বৰ ঠাণ্ডা পৰিছে।

: একো নহয় ব'লা। বৰ ভাল লাগিব। ব্লেজাৰটো ভালদৰে পিন্ধি ললেই হ'ল।

: উপায় নাই আৰু! বাৰু, গৈছোঁ ব'ব।

: আচলতে কি জানা অনুপম ? জোনাক ধূসৰ নিশা মই যেতিয়া বৰবাৰীৰ মাজ পথেৰে অকলশৰে খোজকাঢ়োঁ, আকাশৰ জোনবাইটোৱে যেতিয়া বৰবাৰীক আগুৰি ৰখা নাহৰ গছৰ ফাঁকে ফাঁকে লুকাভাকু খেলে, তেতিয়া মই বৰ আনন্দিত হৈ উঠোঁ অনুপম। মোৰ খুউব ভাল লাগে।

: ব'লক তেনেহলে!

: ব'লা—অলপ এনেয়ে বৰবাৰীৰ মাজৰ ৰাস্তাটোৰে ফুৰি আহিম। কাইলৈতো গুচি যামেই, আজিয়েই অলপ ফুৰি লওঁ।

: ব'লক।

# তিনি

: কাইলৈ ৰাতিপুৱা মই যেতিয়া চিৰদিনৰ বাবে ৰৰবাৰী এৰি যাম আৰু ধৰিলোৱা দহ বছৰৰ পিচৰ গধূলি সময়ত এদিন ৰৰবাৰীৰ বুকুত পুনৰ ভৰি দিম, যিটো দিনত তুমিও হয়তো কোনোবা এখন ষ্টেট ডিচ্‌পেনচাৰীত কাম কৰি আছা—সিদিনাখন বাৰু মোৰ কেনেকুৱা লাগিব ? অথচ, আজি সাত বছৰৰ আগতে সিদিনাখন তিনিশ পঞ্চাশ মাইল দূৰৰ মোৰ সৰু ঘৰখনৰ পৰা মাটি-দেউতা, ভাই, ভণ্টী আৰু গাঁওখনৰ আত্মীয়-স্বজনবোৰক এৰি থৈ প্ৰথম দিনাখন ৰৰবাৰীত প্ৰথম খোজ দিছিলোঁ, সিদিনাখন কেতিয়াও এনেকুৱা ভাববোৰ মোৰ মনলৈ নাছিল। পৰিয়ালৰ মানুহবোৰৰ পৰা দীৰ্ঘ দিনৰ বিদায়ৰ বাবে এক মৃদু দুঃখৰ পৰিবেশ, নতুনৰ আদৰণীয় এক নতুন লহৰ! উভয়েৰে মিশ্ৰণত আৰু লগতে ৰৰবাৰীৰ নতুন পৰিবেশৰ লগত খোজ মিলাবলৈ কৰা লাজ, ভয়, সঙ্কোচে মনত কোনোবা এবচাৰ্ড নাটক এখনৰ আঁৰ কাপোৰ খোলাৰ পিচত মঞ্চৰ মাজেৰে পাৰ হৈ যোৱা কেৰা ৰঙৰ পোহৰৰ পৰিবেশৰ সৃষ্টি কৰিছিল। ডিব্ৰুগড়ত ভৰি দিয়েই খুউব মন গৈছিল কোনোৱা এখন পুৰণি মুখ দেখিবলৈ পোৱাৰ সৌভাগ্য ঘটাব, কোনোবা এলেকৰ পেলেক ইয়াতেই আছে যদি তাকেই খুচৰি খুচৰি উলিয়াই আপোন বুলি ভাবি মনক শান্তনা দিয়াৰ—অন্ততঃ মই অকলশৰীয়া নহয়। মোৰ লগত সম্বন্ধীয় দাদা এজনৰ বাহিৰে যে মানুহ চিনাকি এজনো নাছিল!

ট্ৰেইনৰপৰা নামিয়েই আমাৰ অশ্ৰয়ৰ স্থান আছিল চানৰাইজ হোটেলৰ চৌবিশ নম্বৰ কোঠাটো। গোটেই দিনটোৰ উৎকণ্ঠাৰ পিচত সন্ধিয়া সোনকালে খাই বৈ উঠি চানৰাইজ হোটেলৰ সেই

কোঠাটোতে শুই পৰিছিলোঁ। চকু লগা নলগা হওঁতেই হঠাৎ দুৱাৰত টোৰৰ এটা শুনিবলৈ পালোঁ। দুৱাৰ খুলি দিয়াৰ পিচত দেখিলোঁ এজন অচিনাকি মানুহে খুউব চিনাকি ভাবেৰে হাঁহি মাৰি সুধিছে—

: আপুনি মেডিকেল কলেজত এডমিশ্চন লবলৈ আহিছে নেকি ?

: হয়।

: ক'ৰপৰা আহিছে ?

: বঙিয়াৰ ওচৰৰ সোণমাটি গাঁৱৰ পৰা।

: প্রি-ইউনিভাৰ্চিটি কোন কলেজত পঢ়িছিল ?

: কটন কলেজত।

: আপোনাৰ নাম—?

: অবনীন্দ্ৰ বৰুৱা।

: আপুনি গুৱাহাটীৰ আকাশী চলিহাক চিনি পায় নেকি ? যোৱাবাৰ কটন কলেজত পঢ়িছিল।

: হয় ; খুউব ভাল দৰে পাওঁ। মোৰ গ্রুপমেট আছিল।

: তাই অলপ আগতে আহি পাইছেহি। ওপৰ মহলাৰ এশ বাৰ নম্বৰ কোঠাটোত আছে। মই তাইৰ ককায়েক—পঙ্কজ চলিহা।

: মই তেওঁক নমস্কাৰ জনাইছিলোঁ। তেওঁও মোক প্রতিনমস্কাৰ দিছিল। তাৰ পিচত মই সেমেনা-সেমেনিকৈ কৈছিলোঁ—

: আপুনি আকাশীৰ দাদাক যেতিয়া মোৰো দাদা। গতিকে মোক আপুনি নুবুলি তুমি বুলিলেহে ভাল পাম।

: ভালবাৰু। এতিয়া ব'লা আমাৰ কোঠাটোলৈকে যাওঁ। তাই বৰ কুণ্ড-কুণ্ডাই আছে—বৰ অকলশৰীয়া লাগিছে হেনো।

: মোৰো বৰ অকলশৰীয়া লাগিছিল। অথনিৰে পৰা তাকেই চিন্তা কৰি আছিলোঁ। যাহওক ভগবানে মোৰ অন্তৰৰ দুঃখ বুজি পালে—অন্ততঃ মই এজন হ'লেও সঙ্গী পাইছোঁ।

: এৰা। এতিয়া সোনকালে ব'লা।

: নিশ্চয় যাম। অলপ ৰ'ব। কাষৰ কোঠাটোত মোৰ দাদা শুই আছে। তেওঁকো জগাই লৈ যাওঁ।

: নেলাগে দিয়া। গোটেই ৰাতি টোপনি কৰি ট্ৰেইনত বৰ ভাগৰুৱা হৈ আছিছে। এতিয়া খন্তেক শুই লওক।

মই মোৰ সম্বন্ধীয় দাদাক জগোৱাৰ চিন্তা বাদ দিলোঁ। পঙ্কজ চলিহাৰ লগতেই চানবাইজ হোটেলৰ ওপৰ মহলালৈ আগবাঢ়িলোঁ। ওপৰ মহলালৈ চিৰিৰে বগাই যাওঁতে সুধিলোঁ—

: পিচে, মই ইয়াত আছোঁ বুলি কোনে ক'লে ?

: ইয়াৰেই মেডিকেল কলেজৰ ফাইনেল ইয়েৰ ষ্টুডেণ্ট এজনে।

: ফাইনেল ইয়েৰ ষ্টুডেণ্ট ? মইতো কাকো চিনি নেপাওঁ ?

: অথচ, তোমাক চিনি পায়।

: আচৰিত !

: এইখন কলেজৰ ছাত্ৰবোৰৰ এইটো এটা বিশেষত্ব যে এড্‌মিশ্যন নোহওঁতেই ওপৰ শ্ৰেণীৰ ছাত্ৰবোৰে নিউকমাৰবোৰক চিনি পায়।

পঙ্কজ চলিহাৰ কথাষাৰৰ সত্যতাৰ কিমানদূৰ যথাৰ্থতা আছে ভাবি আগবাঢ়ি গৈ থাকোঁতেই এশ বাৰ নম্বৰ কেঠাটোত আকাশীৰ চিনাকি কণ্ঠস্বৰ শুনিবলৈ পালোঁ। আনন্দতে মোৰ মৰ মনটো শিয়ৰি উঠিল। তাৰ পিচত কোঠাটোত সোমোৱাৰ লগে লগেই আকাশীয়ে প্ৰায় চিঞৰি উঠিল—"হেই নিকুন! তুমি ইয়াত ?"

: ওঁ, পিচে তুমিও দেখোন ইয়াত ?

: জানা নিকুন, মোৰ গুৱাহাটী এৰি আহি বাটে বাটে ইমান বেয়া লাগিছিল। হোটেলত ভৰি দিয়েই গম পালোঁ তুমি ইয়াত আছা! মোৰ "ইমান" ভাল লাগিল জানা! লগে লগেই দাদাক পঠাই দিলোঁ তোমাক মতাবলৈ।

: কিন্তু, মই ইয়াত থকা বুলি তুমি গম পালা কেনেকৈ ?

: আকাশীয়ে উত্তৰ দিয়াৰ আগতে কাষত বহি থকা শকত-আৱত ল'ৰা এজনে হোঁ-হোঁ কৈ হাঁহি দিলে। মই বৰ অপ্ৰস্তুত হৈ উঠিলোঁ। ল'ৰাজন মোৰ দাদাৰ বয়সৰ। দেখিবলৈ ধূম ক'লা—কিন্তু পিন্ধন উৰণত বেছ্ ফিট্‌ফাট্। তেৱেঁই মোৰ প্ৰশ্নৰ উত্তৰ দিলে এক বিশেষ ভঙ্গীৰে—গলগলীয়া মাত উলিয়াই—"বাকৃলা নামৰ এটা আয়ুৰ্বেদিক

ঔষধ আছে। বাতৰি কাকতত প্ৰায়েই এড্‌ভাৰটাইজ কৰে এইদৰে—
: পেটৰ যন্ত্ৰণা কি মাৰাত্মক তাক ভুক্তভোগী সকলেহে জানে। তাৰ উপশম হেতু যি বস্তুৰ প্ৰয়োজন তাক বিচাৰিলেই পোৱা যায়—বাকৃলা। বিচাৰিলেই পোৱা যায়—বাকৃলা।"

আকাশীয়ে লাজতে ৰঙা-চিঙা পৰি খঙেৰে উত্তৰ দিলে—তুমি এইখন কিহৰ বাকৃলা মেলিছাহে দীপুদা ?

ল'ৰাজনে তপৰাই উত্তৰ দিলে—"এচ্‌কিউজমি আকাশী দেৱী। আমাৰ কলেজত নতুন ল'ৰা ভৰ্তি হোৱাৰ সময়ত আমাৰ যে বুকুৰ যন্ত্ৰণা কি মাৰাত্মক তুমিতো সুবুজিবা ? দৰৱ বিচাৰি ফুৰোঁ৷ ৰেষ্টুৰেণ্টত। বিচাৰি পাওঁ মক্কেল……।"

ইয়াৰ বাহিৰেও তেওঁ বহুত কিবা-কিবা কৈছিল। মই সেইবোৰ পাহৰি গলোঁ। মোৰ বাহিৰে আটাইকেইজনে গিৰ্জনি পাৰি হাঁহিছিল। ভয়তে মোৰ পেলু কোঁচ খাই গৈছিল। হায় ভয়ায়, ৰেগিঙে দেখোন হোটেলৰপৰাই লগত লগিলে।

: হিন্দী-চিনেমাৰ বচ্‌জনৰ দৰে তেওঁ মোক সুধিলে—"নাম, ধাম, কাম, ধান্দা।" মই ভয়ে ভয়ে যথাযথ উত্তৰ দিলোঁ। তাৰপিচত তেওঁ এক বিশেষ ভঙ্গীৰে চিগাৰেটৰ এমুখা ধোঁৱা শূন্যলৈ এৰি দি সুধিলে—"আজি দিনৰ ঠিক দুই বজাত এইখন হোটেলৰ আঠ নম্বৰ টেবিলখনত আপোনাৰ সৈতে চাহ খাই থকা মানুহ এজনে যে আপোনাৰ ভৱিষ্যৎ জীৱনৰ পদক্ষেপ সম্বন্ধে এক গভীৰ দৰ্শন প্ৰসূত বক্তৃতা দিছিল, তেওঁ নিশ্চয় আপোনাৰ সম্বন্ধীয় দাদা ?"

: হয়। আপুনি বাৰু তেওঁক চিনি পায় নেকি ?

: নো-নো-নেভাৰ।

: তেনেহলে ?

: তাকেই কয় এক্সপেৰিয়েন্স। বুজিছে এইখন কলেজত আজি প্ৰায় পাঁচ বছৰে থাকি থাকি অনেক অভিজ্ঞতা আহৰণ কৰা হৈ গৈছে। তাৰ ভিতৰত নতুনকৈ এড্‌মিশ্যন লবলৈ অহা সকলৰ প্ৰাক্তঃ প্ৰসঙ্গ।

ল'বাৰ খোজ-কাটল দেখিয়েই কৈ দিব নহয়—কোনজন এড্‌মিশ্যন লবলৈ আহিছে, কোনজনে ডিবক-চক্ষৰ কৰিবলৈ আহিছে ?

: মোৰ বাহিৰে আটায়ে গিৰ্জনি মাৰি হাঁহিলে। নিজৰ বসিকতাত আপোন পাহৰা হৈ ল'বাজনে হোঁ হোঁ কৈ হাঁহি সিগাৰেটৰ শেষৰ হোপাটো মাৰিলে। মোৰ বুকুখন ছুক ছুক কঁপি উঠিল।

আকাশীয়ে খঙতে মুখ জোকোবা মাৰি ক'লে—"হেই দীপুদা। বেগিং চেগিং যি কৰা কলেজতে কৰি থাকিবা। এতিয়া এইবোৰ বাদ দিয়া ভাই !"

: তেওঁ অন্য এক ভঙ্গীৰে আৰম্ভ কৰিলে—আকাশী মোৰ মাহীৰ ছোৱালী। আপুনি তাইৰ বন্ধু। সেই গুণেহে আজি ৰক্ষা পৰিল।"

: মই কিছুদূৰ প্ৰকৃতিস্থ হলোঁ।

পৰিস্থিতি কিছু অনুকূল হোৱা দেখি আকাশীয়ে তেওঁৰ লগত চিনাকি কৰি দিলে। তেওঁ মোৰ লগত চিনাকি হৈ উঠি গলগলীয়া মাতেৰে ক'লে—"ৰৰবাৰীত মোক সকলোৱে 'দীপুদা' বুলিয়েই জানে। নতুন ছাত্ৰসকলৰ মাজত যেতিয়া উদণ্ড প্ৰকৃতিৰ দুই-চাৰিজন ছাত্ৰ আহি টিঘিলঘিলাবলৈ আৰম্ভ কৰে, তেতিয়া ৰাইজে গৈ মোকেই খবৰ দিয়ে। তাৰ পিচত লক্ষ্য কৰে—দুদিন পিচত তেওঁৰ তাও ধূলিৰ লগত মিহলি হৈ গৈছে।"

খন্তেক অপেক্ষা কৰি মুড সলনি কৰি ক'লে—"ৰৰবাৰীত কোনোবাই কিবা সুধিলে আপুনি গহীনভ কৈ দিব—"দীপুদাৰ ভায়েক" বুলি। তাৰ পিচত দেখিব সাতখুন মাফ। প্ৰথমতে অৱশ্যে দুবছৰমান বেয়া লাগিব। তাৰ পিচত দেখিব এদিন আপুনিয়েই ৰৰবাৰীৰ বচ্‌ হৈ বহি আছে।"

মই অলপ সহজ পৰিবেশ পাই মাত লগালো।—"মই আৰু আকাশী কটন কলেজৰে পৰা একেলগে পঢ়িছিলোঁ।

আপুনি আকাশীৰ দাদা যেতিয়া মোৰো দাদা। গতিকে মোক আপুনি নুবুলি তুমি বুলিলে বেছি ভাল পাম।'

তেওঁ গৰগৰীয়া মাতেৰে কৈ উঠিল—"অহ্‌, দ'ণ্ট ক'ৰী মাই ব্ৰাদাৰ।

দ'ণ্ট অ'ৰী। সেইবোৰ ক্ষর্মেলিটি আমাৰ লগত নচলিব। আমাৰ কলেজত আকৌ প্ৰফেচৰেও ছাত্ৰক আপুনি বুলি সম্বোধন কৰে। অৱশ্যে সময়ত তুমিৰপৰা এই পৰ্যন্ত হৈ যাব পাৰে। ইট্ দিপেনদ্চ্ আপন হাউ ইউ আৰ বানিং এট্ বৰবাৰী।'

আমি কিছু সময় কথা পাতিলোঁ। প্ৰথম দৃষ্টিত "বনৰ বজা" যেন লগা দীপুদাক এতিয়া লাহে লাহে "নাৰিকল" এটি যেন অনুমান হৈ আহিছে।

যথাসময়ত দীপুদাই আমাৰ পৰা বিদায় লৈ ৰিক্সা এখনত উঠি গুচি গ'ল। অপ্ৰত্যাশিতভাৱে দীপুদাৰ লগত চিনাকি হৈ বৰ ভাল লাগিল। গধুৰ অন্তৰখন পাতল পাতল লাগিল। চানৰাইজ হোটেলৰ ওপৰৰ মহলাৰ পৰাই আকাশখনলৈ লক্ষ্য কৰিলোঁ—থুপি থুপি তৰাৰ মিতালি। মোৰ মনত লংফেলোৰ কথা এফাঁকিয়ে ভুমুকি মাৰিছিল—

নতুন আদৰণিৰ এক অবুজ উৎকণ্ঠাৰ মাজেৰেই নিশাটি পাৰ হৈ পিচদিনাখন মই, আকাশী, মোৰ সম্বন্ধীয় দাদা আৰু পঙ্কজ চলিহাই চানৰাইজ হোটেলৰপৰা বৰবাৰীলৈ প্ৰথম খোজ মেলিছিলোঁ। "Silent one by one, in the Infinite medows do hear-ven, 'blossomed the lovely stars, the forget me—nots do angles"

নতুন আদৰণিৰ এক অবুজ উৎকণ্ঠাৰ মাজেৰেই নিশাটি পাৰ হৈ গৈছিল। পিচদিনাখন মই, আকাশী, মোৰ সম্বন্ধীয় দাদা আৰু পঙ্কজ চলিহাই চানৰাইজ হোটেলৰপৰা বৰবাৰীলৈ প্ৰথম খোজ মেলিছিলোঁ। প্ৰত্যেকৰেই মনত এটা অপ্ৰকাশিত প্ৰশ্ন—"বৰবাৰীলৈ কেনি বাট ?"

চিটি বাচষ্টেণ্ডত বাচৰ কণ্ডেক্টৰ কেইজনৰ চিঞৰ—"কট কাচাৰী বৰবাৰী, আৰু নালিয়াপুল বৰবাৰী…।" অৰ্থাৎ বৰবাৰীলৈ দুটি বাট—দুয়োটাই সম্পূৰ্ণ বিপৰীত।

"কটৰখনেৰে যোৱা বেছি ভাল হ'ব" কোনোবা এজন সহযাত্ৰীয়ে বেছ অভিজ্ঞ মানুহৰ দৰে কথাষাৰ কৈ আমাৰ যাত্ৰাৰ সাৰথি হৈছিল। যথাসময়ত বৰবাৰীৰ তিনি আ:লিত আমাৰ প্ৰথম পদক্ষেপ পৰিছিল—

টিবাচখনে কঢ়িয়াই অনা এবাচ মানুহৰ সৈতে। প্ৰত্যেকখন চিটি-বাচত্তে এবাচ এবাচ মানুহ। বিভিন্নজনৰ বিভিন্ন সকাম—একবিন্দুত কেন্দ্ৰীভূত হৈছে—সেয়া অসম চিকিৎসা মহাবিদ্যালয়।

চিটিবাচখন তিনি আলিটোৰে ঘূৰি আকৌ চহৰ মুখে গুচি গ'ল। আমাৰ বাচখনত অহা প্ৰায় ছকুৰি মানুহৰ কিছুমানে তিনি আলিটোৰ কাষত্তে থকা কেন্টিনত সোমাল। কিছুমানে চিটি বাচষ্টেণ্ডৰ কাষত থকা সৰু সৰু ভাতৰ হোটেলত সোমাল। কিছুমানে এক্সৰে ক্লিনিক, লেবৰেটৰী নাইবা ষ্টেচনাৰী দোকানবোৰত সোমাই পৰিল। কিন্তু সৰহ সংখ্যকেই আছিল মোৰ আৰু আকাশীৰ নিচিনা। হাতত কাগজৰ ফাইল লৈ লজ্জা, ভয়, সঙ্কোচ তথা আনন্দ মিশ্ৰিত এক নতুন পদক্ষেপ।

কোনোবাজন আহিছে ধুবুৰীৰপৰা; কোনোবাজন শিৱসাগৰৰ, কোনোবাজন ঢকুৱাখানাৰ। সকলোৰে একেই উদ্দেশ্য—জীৱনক নতুন সাঁচত গঢ় দিয়াৰ প্ৰথম পদক্ষেপ।

শৰ্মা কেন্টিনৰ সন্মুখত দীপুদা আৰু কেবাজনো তেওঁৰ লগৰে ল'ৰা বৈ আছিল। আমাক দেখিয়েই তেওঁ আগবাঢ়ি আহিল। তেওঁৰ লগতে আমি এড্‌মেনিষ্ট্ৰেটিভ বিল্ডিঙলৈ আগবাঢ়িলোঁ।

শৰ্মা কেন্টিনৰপৰা কলেজৰ এড্‌মেনিষ্ট্ৰেটিভ বিল্ডিঙলৈ এই গোটেই পথটোতে মাজে মাজে আঠ-দহ জন ছাত্ৰৰ একোটাহত জুম। তেওঁলোকে চাগৈ আজি ক্লাচ কৰাই নাই। এড্‌মিশ্যন লবলৈ অহা ছাত্ৰবোৰক একে উশাহতে সুধিছে—'নাম, ধাম, কাম, ধান্দা।'

আকাশী আৰু মোক কোনেও একো সোধা নাছিল। দীপুদাকহে মাজে মাজে দুই-একে চিঞৰি সুধিছিল—'দীপুদা। ভৰ্ত্তি নেকি?' দীপুদাই হাঁহি হাঁহি উত্তৰ দিছিল—'ভাইটি ও!'

এড্‌মেনিষ্ট্ৰেটিভ বিল্ডিঙৰ প্ৰিন্সিপাল বহা কোঠাৰপৰা এডিট-ৰিয়ামলৈ দুইফালে দুশাৰী চকি। তাত এড্‌মিশ্যন লবলৈ অহা ছাত্ৰ-ছাত্ৰীবোৰ বহি আছে। কাৰো মুখৰ ফালে কোনেও চোৱা নাই। দুশাৰী নৱাগত ছাত্ৰৰ মাজে মাজে কিছুমান পুৰণি ছাত্ৰই হাতত মানুহৰ

হাড়-মূৰ লৈ খুৰমুটিয়াই ফুৰিছে। তেওঁলোক প্ৰথম নাইবা দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ। শব-ব্যৱচ্ছেদন কক্ষৰপৰা ভাত খোৱা ছুটিৰ ঘণ্টাটোত আহিছে। বাহিৰত আঠ-দহ জন ছাত্ৰৰ একোটাইঁত জুম। তাৰ মাজত দুই-এজন এডমিশ্যন হৈ যোৱা ছাত্ৰ।

মোৰ কাষৰ চকিখনত আকাশী চলিহা তলমূৰ কৰি বহি আছিল। আকাশীৰ কাষৰ চকি দুখন খালী হৈ আছিল। হাতত হাড়মূৰ আৰু এপ্ৰনলোৱা দুজন ছাত্ৰই আকাশীৰ কাষৰ চকি দুখনতে বহি লৈ সুধিলে—'নাম, ধাম, কাম, ধান্দা। আকাশীয়ে যথাযথ উত্তৰ দি গ'ল।

ছাত্ৰ দুজনৰ এজন বৰ কটীয়া আনজন বেছ সুন্দৰ চেহেৰাৰ। মই মনে মনে ভাবিছিলোঁ।—বাঃ কি যে কন্বিনেচন।' এনেতে সুদৰ্শনজনে আকাশীক সুধিলে—

: আপুনি বাৰু Biology-ত কিমান নম্বৰ পাইছিল।

: Sixty Nine Percent.

: বাহঃ ইমানেই চোকানে? বাৰু কওকচোন গিনিপিগৰ হাৰ্টৰ চেম্বাৰ কেইটা?

: চাৰিটা।

: ভেঁকুলীৰ?

: তিনিটা।

: বহু কথা জানে দেই! হাৰ্টমানে কি বাৰু?

: অন্তৰ (আকাশীয়ে কোনো কথা চিন্তা নকৰি উত্তৰ দিলে)?

: অ' বঢ়িয়া বঢ়িয়া! তেন্তে কওকচোন কাৰ অন্তৰত বেছি মৰম আছে? ভেঁকুলীৰ নে গিনিপিগৰ?

আকাশীয়ে ৰঙা-চিঙা পৰি তলমূৰ কৰি বহি আছিল। তাই এনেয়ে এবাৰ ধুনীয়া চেহেৰাৰ ল'ৰাজনলৈ মূৰ তুলি চালে। ল'ৰাজন চকু টিপ মাৰি দিলে। কটীয়াজনে লগে লগে গেৰ-গেৰাই উঠিল—'হেৰি। কি থেমালি পাইছে। কওক কাৰ অন্তৰত বেছি মৰম আছে?'

আকাশীয়ে তেতিয়াও তলমূৰ কৰি বহি আছিল। মোৰ বৰ খং

উঠিছিল। চিঞৰি দিবলৈ মন গৈছিল—'হেৰৌ ক'টায়া। তোৰ অন্তৰতে বেছি মৰম আছে অ'। কিনো গণ্ডগোলখন কৰি থাক?'

এনেতে দেখিছিলোঁ। হাতত হাড়-মূৰ আৰু এপ্ৰনলৈ থকা ছাত্ৰ কেইজনে মুহূৰ্তৰ ভিতৰতে কৰিং চিটিকা দিলে। প্ৰশ্ন সুধি থকা ছাত্ৰ দুজন কোন বাটেৰে পলাল গমেই নেপালোঁ। ইফালে-সিফালে চালোঁ। কোনো কতো নাই দেখোন? প্ৰিন্সিপাল চাৰো দেখোন এড্‌মিশ্যন হলতেই আছে? খন্তেক পিচতেই দেখিলোঁ। ওপৰৰ লাইব্ৰেৰীটোৰপৰা জুতাৰ খট্‌খট্ শব্দ কৰি দীপুদা আৰু তেওঁৰ দুজন সহপাঠী তললৈ নামি আহিছে। মনত বৰ ভাল লাগিল। আকাশীয়ে মোৰ ফালে চালে—ময়ো তাইৰ ফালে চালোঁ। দুয়োৰো মুখলৈ ঢৌ বাগৰি আহিল। তাই ক'লে—'দীপুদা—সঁচাই ৰৰবাৰীৰ দাদা।' মই কলোঁ।—
'Respect towards Seniority.'

এইখন কলেজত দৰাচলতে ওপৰৰ ক্লাচৰ ছাত্ৰইহে তলৰ ক্লাচৰ ছাত্ৰক শাসন কৰে। কোনো আইন সঙ্গত শাসন ব্যৱস্থাৰ প্ৰয়োজন নাই।

## দ্বিতীয় দৰ্শন

### এক

“কোনোবা শীতৰ এটা বগা সন্ধিয়াত
পাকখোৱা কুঁৱলীৰ সাপ চেঁচা আঙুলিত লাগি
মনে যদি কয় তুমি পাহৰিব খোজা কথাবোৰ ;
অবচেতনা আঁৰে আঁৰে জী থকা কথা।
কল্পনাৰ ৰেখাবোৰ যদি হই পৰে
একাবেঁকা, পুৰণি দিনৰ শিহৰণ লাগি
উছলি উঠে, মৰহি পৰা প্ৰাণৰ বিগত যৌৱন
অস্বীকাৰ নকৰিবা তাক ;
কাণপাতি শুনি যাবা
ৰিক্ত প্ৰাণৰ শতিকাময় ইতিহাস।
মোৰ কথা তাতে পাবা
হেৰাই যদিও মই যাওঁ।
সিয়ে ক’ব, মই কোৱা দ’ৰে—
…স্বপ্ন দেখিছিলোঁ
বাটৰ দাঁতিত হই ক’লা-বগা শিল।
ৰই যাম বহুত শতিকা
কেতিয়াবা কোনোবাই প্ৰাণ-নিজৰাৰ পানী সিঁচি
জগাই তুলিব মোক আকৌ এবাৰ।
পাবা যদি—
হৃচকুত চিনাকি অঞ্জন সানি
পুৰণি দিনৰ স্মৃতি
ফুলিবা জগাই

বাটে বাটে পৰি থোৱা
বনপোৰা ছাই কণিকাবে ।…
ভগা-ছিগা টুকুৰা-টুকুৰ কথাবোৰ
আকউ জোৰাই চাবা
অৰ্থ তাৰ পোৱা নে নোপোৱা ।
সেয়া মোৰে, ময়ে ভুলে-চুকে কোৱা কথা
সৃষ্টিৰ কঠীয়া সিঁচি
ডল্লাৰ বগৰী হই বাগৰি ফুৰোঁতে
পৃথিৱীৰ কোমল বুকুত মোৰ
সেইবোৰ ছুভৰিৰ ৰেখা ।
মচা নাই সেইবোৰ, জানো মই
আৰু জানো, তুমি তাকে নিতউ বিচাৰি যাবা ।
সেয়ে মোৰ শেষ অনুৰোধ
কোনোবা শীতৰ এটা বগা সন্ধিয়াত…।”

মোৰ প্ৰিয় কবি হৰি বৰকাকতিৰ এই কবিতাটি কোন মুহূৰ্তত পঢ়িছিলোঁ পাহৰি গালোঁ। কিন্তু আজি এই মুহূৰ্তত মোৰ এনেকুৱা অনুভৱ হৈছে অনুপম—সেই কবিতাটিৰ প্ৰতিটি শব্দই যেন মোৰ শৰীৰৰ সমস্ত ৰক্তবিন্দুৰ লগত ক্ষিপ্ৰগতিৰে সঞ্চাৰিত হৈছে। মোৰ প্ৰতিটো উশাহতে মনত পৰিছে যোৱা সাতোটা বছৰৰ “ভগা-ছিগা টুকুৰা-টুকুৰ” কথাবোৰ এইখন বৰবাৰীৰ বুকুৰ। সেই ভগা-ছিগা টুকুৰা-টুকুৰ কথাবোৰ আকৌ এবাৰ জোৰাই চাবলৈ মোৰ খুউব ইচ্ছা হৈছে অনুপম আজিৰ এই শীতৰে সেমেকা বৰবাৰীৰ বুকুৰ শেষ নিশাটিত। এই কাহিনীবোৰ, বিগত সাতোটা বছৰৰ কাহিনীবোৰ তুমি জানো একে উশাহতে শুনিবলৈ ইচ্ছুক হবা অনুপম।

জুলাই মাহৰ কোন তাৰিখত মোৰ এডমিশ্চন হ'ল মই পাহৰি গলোঁ। মনত ৰাখিবলৈ চেষ্টাও কৰা নাই। কিয়নো, সেইদিনটোৰ পৰা আজি পৰ্যন্ত মই দৌৰিছোঁ, কেৱল দৌৰিছোঁ। দুখ নাই, ভাগৰ নাই, ৰ'দ নাই, বৰষুণ নাই কেৱল আছে এক বিৰাট অশ্বদৌৰ, সেই

তাহানিৰ যোঁৱা দৌৰ চাপৰিটোৰে। এই দৌৰত কেতিয়া কি পালোঁ, কেতিয়া কি হেৰুৱালোঁ। এই সকলোবোৰ কথা তোমাক আজি কৈ যাবলৈ মোৰ খুউব মন গৈছে অনুপম।

কেতিয়াবা ৰৰবাৰীৰ বুকুৰ মাজেৰে, কেতিয়াবা আমোলাপট্টি চাৰি আলিৰ পৰা চিৰিংচাপৰিৰ মাজেৰে, কেতিয়াবা গ্ৰাহাম বজাৰৰ ব্ৰহ্মপুত্ৰ নৈৰ দাঁতিত থকা তাহানিৰ বেৰী হোৱাইট স্কুলৰ পুৰণি ঘৰবোৰৰ কাষে কাষে, কেতিয়াবা বগা বাবাৰ মছজিদৰ পৰা ডিব্ৰুগড় মাছ বজাৰৰ কাষৰ গলিটোৰে, কেতিয়াবা গ্ৰাহাম বজাৰৰ পৰা আৰম্ভ হৈ নালিয়াপুলৰ মাজৰ সেই ওখোৰা মোখোৰা পথটোৰে, কেতিয়াবা অসম চিকিৎসা মহাবিদ্যালয়ৰ এডমিনিষ্ট্ৰেটিভ বিল্ডিঙৰ পৰা আৰম্ভ হৈ গাৰ্লচ হোষ্টেলৰ সন্মুখেৰে ডেমনষ্ট্ৰেটৰৰ কোৱাৰ্টাৰবোৰলৈ, কেতিয়াবা খেল-পথাৰৰ মাজেৰে ফোৰ্থগ্ৰেড কলনিলৈ, কেতিয়াবা ৩নং মেডিকেল ৱাৰ্ডটোৰ পৰা এক্সৰে ডিপাৰ্টমেণ্ট হৈ প'ষ্টমৰ্টেম হললৈ জুলাই মাহৰ সেই দিনটোৰ পৰা আজি পৰ্যন্ত মই দৌৰিছোঁ। তোমাক আজি এই শেষ নিশা একেটা উশাহতে সেই সকলোবোৰ কথা কৈ যাবলৈ মোৰ আজি খুউব মন গৈছে অনুপম! কাৰণ, তুমিও দৌৰিব লাগিব, অন্ততঃ অতি কমেও ছয় বছৰ। এইয়া তোমাৰ জীৱনৰ প্ৰথম দৌৰ আৰম্ভ হৈছেহে মাথোন।

তোমাৰ বাৰু টোপনি আহিছে নেকি অনুপম! নাই এই কাহিনী শুনিলে তোমাৰ টোপনি আহিব নোৱাৰে, টোপনি ভাগিবহে। কাৰণ, এয়াতো মোৰ কাহিনী নহয়, এয়াতো কাৰো ব্যক্তিগত কাহিনী নহয়; এয়া দেখোন যোৱা ডেৰকুৰি বছৰে এইখন ৰৰবাৰী কিম্বা ডিবৰুৰ বুকুত অশ্বদৌৰ দিয়া এজাক বন্ধুৱাৰ কাহিনী; মৃত্যুন্মুখী মানুহক অমৰত্ব দিবলৈ প্ৰাণপণে চেষ্টা কৰা এজাক বন্ধুৱাৰ কাহিনী, এয়া অশ্বিনী কুমাৰদ্বয়ৰ কাহিনী, চৰকৰ কাহিনী, শুশ্ৰুতৰ কাহিনী। নালন্দা বিশ্ববিদ্যালয়ৰ কাহিনী! এয়া তোমাৰ অনাগত ভৱিষ্যতৰ কাহিনী জীৱনক নতুন সাঁচত গঢ়া কুমাৰৰ চাকৰ কাহিনী।

# দুই

আজি মোৰ খুউব মন গৈছে অনুপম মোৰ হাতত থকা মাত্ৰ এই পাঁচটা ঘণ্টাৰ ভিতৰতে গ্ৰাহাম বজাৰৰ কংগ্ৰেছ ভৱনৰ কাষত থকা ব্ৰহ্মপুত্ৰ নৈৰ পাৰৰ তাহানিৰ বেৰী হোৱাইট মেডিকেল স্কুলৰ পুৰণিবো পুৰণি আওপুৰণি ঘৰকেইটি এবাৰ চাই আহিবলৈ। খুউব মন গৈছে অনুপম বেৰী হোৱাইট হোষ্টেলৰ পূব-দিশত থকা নলাটোৰ ওপৰেৰে হোষ্টেল আৰু লালমণিৰ দোকানৰ সন্মুখেৰে খলিহামাৰী নামঘৰলৈ যোৱা ৰাস্তাটো সংযোগী পকী দলংখনৰ ওপৰত আকৌ এবাৰ বহি বন্ধৰ দিনটোত গ্ৰাহাম বজাৰৰ ছোৱালী হাইস্কুললৈ অহা ছোৱালীজাক জোকোৱা স্মৃতি ৰোমন্থন কৰিবলৈ। পুৰণি ডিব্ৰুগড়ৰ কাষত থকা দুৱাৰ নথকা বাথৰুম কেইটিত আমি এজাক ল'ৰাই—অজিত, মজিদ, নাহৰ, মৃদুল আৰু মই হিন্দী গীতৰ সুৰ টানি আকৌ এবাৰ গা-ধুবলৈ, লালমণি কিম্বা জয়-গোবিন্দৰ দোকানখনত বুন্দিয়া লাড়ুৰে চাহ একাপ খাই নাহৰ মই, মৃদুল, বঙ্কু, লাখু আৰু যোগেনৰ সৈতে কংগ্ৰেছ ভৱনৰ কাষেৰে যোৱা ৰাস্তাটোৰে গৈ ব্ৰহ্মপুত্ৰৰ আহল-বহল মথাউৰিটোৰে কিম্বা স্পাৰৰ ওপৰেৰে কথা পাতি পাতি ঠিক এনেকুৱা জোনালী নিশা ব্ৰহ্মপুত্ৰৰ বুকুত অগণন তৰাৰে জিলিকি উঠা নীলিম আকাশখনৰ তৰা লিখিবলৈ, অথবা প্ৰলম্পিত জলৰাশিৰ মাজত পূৰ্ণচন্দ্ৰৰ প্ৰতিফলন চাবলৈ।

এইয়া—তুমি আকৌ সুধিছা,- কংগ্ৰেছ ভৱনৰ কাষৰ আহল-বহল ঘৰ কেইটাৰ লগত আমাৰ আকৌ কিহৰ সম্বন্ধ? তুমি আজিছে দেখিছা যে ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যাবলৈ পুৰণি দুৰ্গ কেইটামানৰ দৰে সিইঁত লেং লেংকৈ থিয় হৈ আছে, কিন্তু সেই ঘৰকেইটাতে যে এসময়ত কিমান কষ্টেৰে অসমত প্ৰথম বিজ্ঞানসম্মত পদ্ধতিত চিকিৎসা শিক্ষাৰ পাতনি মেলা হৈছিল, তাক জনালোকে খুউব ভালদৰে জানে। আজি অযত্নে সিইঁত অনাদৃত। সকলো বস্তুৰেই প্ৰয়োজন শেষ হোৱাৰ

পিচত এনেকুৱা পৰিণামেই হয়,—মোৰো হ'ব, তোমাৰো হ'ব।

উনবিংশ শতাব্দীৰ সত্তৰ দশকৰ ব্যক্তি এজনৰ কথা মই ক'ৰবাত পঢ়িছিলোঁ। কথাবোৰ টুকুৰা-টুকুৰভাৱে মোৰ মনলৈ আহিছে। বিলাতী চাহাব এজন—নাম ব্ৰিনোদিয়েৰ জন বেৰী হোৱাইট। উজনি অসমলৈ চিভিল চাৰ্জন হিচাপে আহি অকল চিকিৎসা শাস্ত্ৰৰ জগতে ব্যস্ত হৈ নাথাকি অসমৰ এই অঞ্চলটোৰ বুকুত লুকাই থকা প্ৰাকৃতিক সম্পদৰাজিক বিশ্বৰ মাজলৈ সজাই পৰাই উলিওৱাত মনোনিৱেশ কৰে। কয়লা আৰু পেট্ৰোলিয়াম ইণ্ডাষ্ট্ৰীৰ বাবে, ডিগবৈ তেল-নগৰীৰ প্ৰতিষ্ঠাৰ বাবে, শদিয়াৰ চাহ বাগিচাৰ বাবে আৰু অসম ৰেলওৱে এণ্ড ট্ৰেডিং কোম্পানী নিৰ্মাণৰ বাবে তেওঁ যে এসময়ত সদৌ উজনি অসমখনত পিতপিতাই ফুৰিছিল জনালোকে ভালদৰে জানে। সেইজনা ব্যক্তিয়ে যেতিয়া চাহ বাগিচাৰ মাজে মাজে ঘূৰি ফুৰে, তেতিয়া পিঠিত চাহ পাতৰ হেৰেঙা বান্ধি কোম্পানীৰ ধনৰ টোপোলা শকত কৰি দিয়া সহজ সৰল বনুৱাবোৰৰ জীৱন প্ৰণালী তেওঁৰ চকুৰ আগত ভাহি উঠে। কগ্ন দেহাবেও সিহঁতে কাম কৰে—ডাক্তৰ এজন পাবলৈকে নাই—কোম্পানীৰ চাহাবৰ ইমানবোৰ কথা চিন্তা কৰিবলৈ সময়েইবা ক'ত? ঢাকা মেডিকেল ইনষ্টিটিউটৰ পৰা অহা এমুঠি চিকিৎসক—চহৰ কেইখনত ভগাবলৈকে নোজোৰে!...জন বেৰী হোৱাইট সমস্যাৰ ডাল-পাত কাটি ফুৰা মানুহ নাছিল। শিপা সহিত সমস্যাৰ মূল উভলা মানুহ। তেওঁৰ চিন্তা-সাগৰত ভাহি উঠিল ডিবৰুৰ বুকুত এখন মেডিকেল স্কুল—য'ত অসমৰ ছাত্ৰ এদলে বৈজ্ঞানিক পদ্ধতিত চিকিৎসা শাস্ত্ৰ অধ্যয়ন কৰি অসমৰ মানুহৰে ৰোগ নিবাৰণ কৰাত উঠি পৰি লাগিছে। যেনে চিন্তা তেনে কাম। নিজৰ পৰা বৰঙণি দিলে, পঞ্চাশ লক্ষ টকা। বেৰী হোৱাইট মেডিকেল স্কুল আৰম্ভ হৈ গ'ল। কিন্তু মৰা মানুহ কাটি জানো চিকিৎসা বিদ্যা আয়ত্ব কৰিব পাৰে? মাকৰ বুকুৰ আলসুৱা ল'ৰা। বেচেৰা জন বেৰী হোৱাইট—মানুহৰ পদূলিয়ে পদূলিয়ে ঘূৰি ফুৰিছিল এদল ছাত্ৰ বিচাৰি।

বহুত কম সংখ্যক অসমৰ মানুহে জন বেৰী হোৱাইট নামৰ এই

সিংহ পুৰুষজনাক প্ৰাতঃস্মৰণ কৰে। কোৱা বাহুল্য, যে এইজনা ব্যক্তিৰ নিস্বাৰ্থ ত্যাগ আৰু যত্নৰ ফলত হে অসমৰ বুকুত বিজ্ঞানসম্মতভাৱে চিকিৎসা বিদ্যা আয়ত্ব কৰাত প্ৰথম পৰিকল্পনা আয়ত্বধীন হৈ পৰে। এই যে আমি কালি কংগ্ৰেছ ভৱনৰ কাষৰ ঘৰ কেইটা দেখিছাঁ। যি কেইটা ঘৰৰ সন্মুখত আজিকালি A.M.C. Hostel. বুলি লিখা আছে, সেইকেটা ঘৰতেই জন বেৰী হোৱাইটে তেওঁৰ সপোন ৰচিছিল এমুঠি ছাত্ৰ গোটাই আনি।

সময়ত বেৰী হোৱাইট মেডিকেল স্কুলৰ পৰিৱৰ্তে বৰবাৰীৰ বুকুত "অসম চিকিৎসা মহাবিদ্যালয়" স্থাপিত হ'ল। তেতিয়াৰ পৰা কংগ্ৰেছ ভৱনৰ কাষৰ এই ঘৰ কেইটাৰ প্ৰয়োজন ক্ৰমাৎ নোহোৱা হৈ গ'ল।

অথচ ইয়াৰ পৰা মেডিকেল স্কুল উঠি যোৱাৰ বহুবছৰ পিচতো আমাৰ কাৰণে এই ঘৰকেইটা অতি প্ৰয়োজনীয় হৈ আছিল। সেয়েহে আজিও এই ঘৰ কেটাৰ মোহ পাহৰিব পৰা নাই আৰু সঁচাকৈয়ে আজি এই মুহূৰ্ত্তত পুনৰাই সেই ঘৰ কেইটিৰ আহল-বহল কোঠাবোৰৰ মাজেৰে দেও দি দি ফুৰিবলৈ ৰব মন গৈছে। কিয়নো, সেই আহল-বহল পৰিত্যক্ত ঘৰ কেইটিৰ বুকুত আচহুৱা মেডিকেল কলেজৰ সাত বছৰা নিৰ্ঘণ্টৰ প্ৰথম বছৰটোৰ মাদকতাখিনি অ'ত ত'ত সিচৰতি হৈ আছে।

আজিকালি তোমালোকে মেডিকেল কলেজত এড্‌মিশ্যন পোৱাৰ পিচৰে পৰা বৰবাৰী হোষ্টেলত চিট পোৱা আৰু পোনেই মৰা-মানুহ কাটিবলৈ আৰম্ভ কৰি দিয়া। কিন্তু আমাৰ সময়ত মৰা মানুহ কটাৰ আগতেই এবছৰ কাল ভেঁকুলী কাটি কেচি-কটাৰীত ধাৰ দিব লগা হৈছিল' সেয়া "প্ৰি-মেডিকেল"ৰ বছৰটোত।

"প্ৰি-মেডিকেল"ৰ বছৰটোৰ কথা মনলৈ অহাৰ লগে লগে একে-লগে বহুত কথাই জুমুৰী দি ধৰিছে অনুপম।......আমি অসমৰ ইমূৰৰ পৰা সিমূৰৰ ১৫০ জন ছাত্ৰৰ জাক এটিয়ে এটি নতুন প্ৰভাতত ভিৰকৰ বুকুত নতুন খোজ পেলাইছিলোঁ। এক অনিৰ্বচনীয় স্বপ্নিল মনেৰে। ছকুৰী-জন বাসস্থান হিচাবে পাইছিলোঁ। বেৰী হোৱাইট স্কুলৰ এই আহল-বহল ঘৰ কেইটিত আৰু ৰাস্তাটোৰ দক্ষিণ পাৰে থকা বেৰী হোৱাইট

হোষ্টেলটিত। বিশ ঠাইৰ বিশজন ছাত্ৰৰ একেটা কোঠাতেই সমাবেশ। কোনোবাজন ধুবুৰীৰ কোনোবাজন শদিয়াৰ। প্ৰথম প্ৰথম এজনৰ মাজত আনজনৰ অনেক দূৰত্ব। কিন্তু দুদিন পিচতে দেখিছিলোঁ সকলো দূৰত্বৰ এককেন্দ্ৰী কৰি ধুবুৰীয়ে শদিয়াই একেলগে জয়গোবিন্দৰ দোকানত চাহত চুমুক দিছে। ধুবুৰীয়ে শদিয়াই একেখন মজিয়াৰ দুটি পানীকেঁচুৱাৰ দৰে বেৰী হোৱাইট হোষ্টেলৰ মাজ মাজিয়াত মৰম বুটলিবলৈ আৰম্ভ কৰিছে আৰু দুদিন পিচত সিদিনাখন সেই ছকুৰী ছাত্ৰই একেলগে একেখন চিটিবাচৰ চালে বেৰে উঠি বৰবাৰীত প্ৰি-মেডিকেলৰ প্ৰথম ক্লাচটো কৰিবলৈ লৈছিলোঁ। সিদিনাখন বৰবাৰীৰ তিনিআলিৰ চকটোত নামিয়েই বেগিঙৰ ভয়ত ইমান থুপখাই গৈছিলোঁ যেন সাগৰৰ পানীত ভাহি যোৱা অগণন গুৰি পকৱাৰ মাক এটাহে। আমাৰ সকলোৰে একেই চিন্তা একেই সংকট—"ৰেগিং নামৰ বৰ বাঘটোৱে যেন আমাৰ পিচে পিচে খেদি ফুৰিছে। ক্লাচ কৰি ঘূৰি আহোঁতে আকৌ ভয়ৰ কাৰণ বেছি হৈ উঠে—শৰ্মা কেন্টিনৰ সন্মুখত হেনো ডি-এ চ হোষ্টেলৰ বচ জন বৈ থাকে; সুবিধা পালেই একেচাটে কোনোবা জনক লৈ গৈ গোটেই ৰাতি হেনো খাটৰ তলত মহ মাৰিবলৈ আবদ্ধ কৰি থৈ দিয়ে। এই সংকটেই চাগৈ কক নোৱাৰাকৈয়ে আমাক একতাৰ বান্ধোনত প্ৰথম সাঙোৰ খুৱাইছিল। হোষ্টেললৈ উভতি কোনোবা এজনে বৰ অন্তৰ ঢালি গাইছিল—

"ঘৰ আমাৰ মাটি হয়, মাটিয়েই ঘৰ।
বাটে আমাৰ আপোন হয়, আপোনেই পৰ

অন্য এজনে তাৰ পিচতেই সুৰ মিলাইছিল—

"জীৱনৰে আকাশতে বহু ক'লা মেঘ পাবা…।"

গীতৰ কলিটো শেষ নোহওঁতেই একে সুৰতে গাথই চিএৰ..
দৰে অন্য এজনে গাইছিল—

"এখন মাথো চিটি বাচ, ছকুৰী যে ছাত্ৰ।
চালে বেৰে উঠিলেও, আধা ৰবে মাত্ৰ॥"

আমি আটায়ে গিৰ্জনি মাৰি হাঁহিছিলোঁ।

লাহে লাহে আমাৰ দিনবোৰ পুৰণি হৈ আহিছিল।

ইটো সিটো কথাৰ লগে লগে গাজা দিবলৈ আৰম্ভ কৰিছিলোঁ ক্ৰমে। কিছুদিন পিচত আমি এজনে আনজনৰ বিষয়ে সমস্ত কথা গম পাই গৈছিলোঁ।

সন্ধিয়াৰ মেলখনত আজি লাহে লাহে অনুভৱ কৰিছিলোঁ। আমি যেন সঁচাকৈয়ে সম্পূৰ্ণ মেচিউৰদ হৈ পৰিছোঁ। অৱশ্যে এই মেচিউৰিটিৰ ভেম শনিবাৰৰ দিনাখন ৰাতিহে হীন-দেৰি হয়—যেতিয়া ৰবৰাবীৰ দাদাইঁতে কাষ্ট শ্বো চাই আহি টাউন হোষ্টেলত নামি "ৰেগিং" আৰম্ভ কৰি দিয়ে। সেই সময়তে কথাৰ চলতে ৰবৰাবীৰ দাদাইঁতে আগন্তুক কলেজৰ ইলেকচনৰ কেনভাচৰ বকলা মেলে। আৰু এই ইলেকচনৰ বতৰটোতে হাজোৰ পৰা অহা ভুবহুৰ আগৰ চিনিয়ৰ ল'ৰা জনে নলবাৰীৰ পৰা অহা নতুন ল'ৰাজনক কোৱাৰ লোভ সামৰিব নোৱাৰে, "হেৰি মহো নলবাৰীৰে দিয়ক!"

দিনবোৰ বহুত পুৰণি হৈ গ'ল। তথাপিও ফ্ৰেচাৰ্চ চচিয়েলৰ দিনটোৰ কথা আজিও মোৰ মনত নিত্য নতুন যেন লাগি আছে। মোৰ অতি সুন্দৰকৈ মনত আছে সেইদিনবোৰ এটা মিঠা আবেলিত ছাত্ৰ সভাৰ সম্পাদকে আমাৰ টাউন হোষ্টেলৰ পৰা চিটিবাচেৰে ৰবৰাবীলৈ আদৰি আনিছিল। আমি বিচাৰি বিচাৰি বাকচৰ তলিত পৰি থকা অতি পুৰণি কাপোৰ যোৰ পিন্ধি আহিছিলোঁ। এটি স্বপ্ন-মধুৰ পৰিবেশত গীত, মাত, পেপাৰ কাটেৰে সু-সজ্জিত হৈ থকা কলেজ অডিটৰিয়ামত প্ৰথম পদক্ষেপ।

মোৰ কাণত আজি বাৰে বাৰে বাজি উঠিছে প্ৰতিটো বছৰেই নতুনক আদৰণি জনাবলৈ গোৱা কলেজ কোৰাচটোৰ কেইটামান পংক্তি—ঠিক সিদিনাখন সেই পৰিবেশত শুনাৰ দৰে—

'পূৰ্ব ভাৰতীৰ তীৰ্থ প্ৰাঙ্গনত
পূজাৰী আমি জনতাৰ…'…'

পিচ মুহূৰ্ত্তে আন অফিচিয়েল কোৰাচ—

> "ৰেগিং কৰিলে ভণ্টী কিয় বেজাৰ কৰা
> এই সুযোগতে দাদা এটি ৰৰা—
> নহলে যে পিচত পস্তাৱা।......।"

—আন অফিচিয়েল কোৰাচৰ অন্তত প্ৰত্যেকজন ছাত্ৰক মঞ্চলৈ উঠাইনি নাম সোধা, কাগজ এখিলাত লিখি থৈ দিয়া প্ৰশ্নটোৰ উত্তৰ দিয়া। গীত এটি গোৱা, নৃত্য এটি কৰা, তাৰ পিচত কলেজৰ বেজটো পিন্ধি প্ৰিন্সিপালৰ হাতৰপৰা কেক্ এটুকুৰা খাই সাউৎ কৰে মঞ্চৰপৰা নামি অহা, আৰু খন্তেক পিচতে "মধুৰেণ সমাপয়েৎ" কৰিবলৈ যাওঁতে পিচফালৰপৰা বেলুনৰ ভিতৰত পানী ভৰাই আমাৰ গালৈ দলিমৰা। ঘোঁলা কণী জাকে জাকে আমাৰ গাত বৰষুণৰ টোপালৰ দৰে পৰা আদি এশ এটা দৃশ্য স্পষ্টভাৱে মোৰ চকুৰ আগত ভাহি উঠিছে। ইমান মিঠা আমেজ মই কেৱল মনৰ ভিতৰতে আলচি আছোঁ—"It calls in my spirits, composes my thoughts, delights my ear, recreates my mind......" এই ঘৰ কেইটিৰ বুকুত সেই মিঠা আমেজৰ টুকুৰাবোৰ সৰি পৰি আছে কিয়নো, আমি তাত মেডিকেল কলেজৰ প্ৰথম বছৰটো এক অবিসম্বাদী সম্ৰাটৰ দৰেই কটাই আহিছিলোঁ কাৰণ, আমাৰ চলন-ফুৰণত চকু দিবলৈ আমাতকৈ আৰু ডাঙৰ মানুহ কোনোৱেই তাত একেলগে দিন কটোৱা নাছিল।

## তিনি

: তোমাক যে মই এদিনাখন হাতীদাঁতৰ এম্‌ব্লেম্‌ এটা উপহাৰ দিছিলোঁ—লগত আছে নেকি বাৰু ?

: হয় আছে। ব্লেজাৰৰ পকেটতে আছে।

: চাওঁ মোক অলপ সময়ৰ কাৰণে দিয়াচোন !

: এই ৰাতিৰ কালচোৱাত হাতীদাঁতৰ এম্‌ব্লেম্‌টোনো আকৌ কিহৰ বাবে প্ৰয়োজন হ'ল ?

: তোমাক এটা কাহিনী ক'বলৈ।

: কিহৰ কাহিনী ?

আজি সাত বছৰ আগৰ কাহিনী। ব'লাচোন সৌ "নিউ হোষ্টেল"-টোৰ চিৰিটোত বহি লওঁ। তাত নিয়ন লাইটৰ তলত বহি কথাখিনি ক'বলৈ বৰ ভাল লাগিব ! নহয়নে ?

: ব'লক বাৰু !

: আচ্ছা অনুপম ! এই "নিউ হোষ্টেল"টোৰ সন্মুখৰ কৃষ্ণচূড়া গছৰ শাৰীটো দেখিবলৈ বৰ ভাল লাগে নহয়নে ? এই গছ কেইজোপা আমাৰ চকুৰ সন্মুখতে কিমান ডাঙৰ হ'ল। আমি আহি প্ৰথমতে দেখোঁতে ইহঁত ভ্ৰূণমুক্ত হৈ গছ হোৱাৰ পাতনি মেলিছিলহে মাথোন। আমি যে এইখন কলেজত ইমান বছৰ কটাই দিলোঁ কেতিয়াবা কেতিয়াবা নিজেই পাহৰি যাওঁ ; এই গছ কেইজোপাইহে সোঁৱৰাই দিয়ে।

বাৰু অনুপম ! এটা কথা তুমি মন কৰিছানে ? এই যে কৃষ্ণচূড়া গছ কেইজোপাৰ শাৰীটোৰ মাজত ক'ৰবাৰ পৰা এডাল শেগুন গছ আহি সমানে সমানে গা-গছ হৈ উঠিল, কথাটো বৰ বিসদৃশ হোৱা নাইনে ? আটাই কেইজোপা কৃষ্ণচূড়াৰ হোৱা হলে কিমান ভাল লাগিলহেঁতেন। আচলতে এইখিনিতে হেনো কৃষ্ণচূড়াৰ পুলি এটাহে

যোৱা হৈছিল—কিন্তু কিবা কাৰণত কৃষ্ণচূড়াৰ পুলিটো মৰি যোৱাত শেওুলি গছৰ পুলিটো নিজে নিজেই গজি উঠিল। শেওুলি গছৰ পুলি ডাঙৰ হ'বলৈ বৰ বেছি যত্নৰ প্ৰয়োজন নাই চাগৈ!

অ' ৰবা—তোমাক হাতীদাঁতৰ এম্ব্লেমটোৰ কথা কব খুজিছিলোঁ নহয়। এইয়া তুমি যে এতিয়া মোৰ সন্মুখত আকাশীৰঙৰ ব্লেজাৰটোত হাতীদাঁতৰ এম্ব্লেমটো পিন্ধি বৈ আছা—মোৰ এনেকুৱা লাগিছে সেয়া যেন তুমি নহয়,—তোমাৰ ঠাইত অনিৰ্বাণ দত্তহে থিয় হৈ আছে।

অনিৰ্বাণ দত্তক তুমি নিশ্চয় চিনি নোপোৱা। তুমি কিয় অনিৰ্বাণ দত্তক আজি ৰবাৰীত কোনেও চিনি নেপায়। অথচ আজি সাত বছৰ আগৰ এটি দিনত তাক চিনি নোপোৱা ৰবাৰীত কোনো নাছিল।

অনিৰ্বাণ দত্ত আমাৰ লগতেই এইখন কলেজত এড্‌মিশ্যন লৈছিল। বৰ সৰবৰহী ল'ৰা, সকলো ক্ষেত্ৰতেই আগ্ৰহী। আমাৰ এশ পঞ্চাশ-জনীয়া ছাত্ৰ-ছাত্ৰীৰ দলটোত অনিৰ্বাণ দত্তৰ নাম মুখে মুখে। ক্লাচৰপৰা উভতি আহি অস্তগমনোন্মুখী সূৰ্যৰ শেষ কিৰণ জালত আমি এজাক ল'ৰা যেতিয়া ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে স্পাৰৰ ওপৰেৰে ফুৰিবলৈ গৈছিলোঁ—তেতিয়া অনিৰ্বাণ দত্ত আছিল আমাৰ দলটোৰ দলপতি। গোটেই বাটটোতে হাঁহি-ধেমালি কৰি জমাই গৈছিল। হোষ্টেলৰ সন্ধিয়াৰ মেলখনত অনিৰ্বাণ দত্ত নেথাকিলে মেলখন নজমিছিল। অনিৰ্বাণ দত্ত আছিল এজন সুন্দৰ অভিনেতা। তাৰ অভিনয় পটুতা অকল যে মঞ্চৰ ওপৰতেই ফুটি উঠিছিল তেনে নহয়, সকলো কামতেই তাৰ দক্ষতা তথা অভিনেতা সুলভ ভাব-ভঙ্গী প্ৰকাশ পাই উঠিছিল। হওঁতে সেয়া খেল-পথাৰেই হওক কিম্বা পিক্‌নিকৰ দল কঢ়িয়াই নিয়া মটৰবাচ-খনেই হওক!

ৰবপেটাৰ ওচৰৰ ছুখীয়া পৰিয়াল এটিৰ ল'ৰা অনিৰ্বাণ দত্ত। পঢ়া-শুনাত অতি চোকা। নেচনেল স্কলাৰশ্বিপ লৈ আহিছিল আমাৰ কলেজলৈ। তাৰ মনৰ কথাবোৰ প্ৰায়েই সি মোৰ আগত ব্যক্ত কৰি অপৰিসীম আনন্দ পাইছিল। সি মোক প্ৰায়েই কৈছিল—: দৰাচলতে

কি জান নিকুন ? মানুহৰ জীৱনত অকলশৰে খোজ পেলোৱা বৰ কঠিন কাম। সুখ-দুখৰ সমভাগী হ'বলৈ এজন উপযুক্ত বন্ধুৰ জীৱনৰ অচিন বাটত অতিকৈ প্ৰয়োজন—"No one should ever go a journey with any other than him with whom one walks arm in arm, in the evening the twilight, and agrees that it either should have a son, he shall be named after the other."

মই তাৰ হাতৰ মুঠিৰ ওপৰত মোৰ হাতখন বাখি কৈছিলোঁ—"Frindships are fragile things and require much care in handling.

বাতিপুৱা জয়-গোবিন্দৰ চাহ দোকানত চাহ খাই থাকোঁতে ফিলিপ্‌চ ব্ৰুক্‌চৰ ভাষাৰে এদিন এষাৰ কথা কৈছিল—"Be such a man and live such a life, that if every man were such as you, and every life a life like yours, this earth would be God's paradise."

দৰাচলতে আমি লক্ষ্য কৰিছিলোঁ সি যেন তাৰ কাৰ্যকলাপৰ প্ৰতিটো খোজতেই কোনোবা এজন আবিষ্কাৰকৰ বেশেৰেই প্ৰতিটো পদক্ষেপ নিক্ষেপন কৰিছে, প্ৰতিটো খোজতেই সি যেন বৰবাৰী কিম্বা টাউন হোষ্টেলৰ বুকুত কিবা এটা নতুন বস্তু বিচাৰি ফুৰিছে। সাহিত্য-সংস্কৃতি, গান-বাজনা, খেলা-ধূলা আদি প্ৰতিটো বিষয়তেই সুপ্ত প্ৰতিভা থকা প্ৰতিজন ছাত্ৰকেই যেন সি পোহৰলৈ উলিয়াই আনিবলৈ আপ্ৰাণ চেষ্টা কৰিছে।

প্ৰি-মেডিকেলৰ বছৰটোত প্ৰথম স্কলাৰশ্বিপ পাই আমি প্ৰায় প্ৰত্যেকেই একোটাহত ব্ৰেজাৰ চিলাই লৈছিলোঁ। লগতে আকাশী নীলা কাপোৰৰ ওপৰত বাদামী ৰঙৰ গুণাৰে বনকৰা কলেজ এমব্ৰেম্ একোটা চিলাই লৈ বাওকালৰ পকেটৰ ওপৰত আঁৰি লৈ নতুন ব্ৰেজাৰটো পিন্ধি টাউনৰ মাজৰ আহল-বহল পথটোৰেদি এক বিশেষ কদমত খোজকঢ়া আমাৰ এক বিশেষ উৎসাহৰ কাম হৈ পৰিছিল।

আনির্বাণ আকৌ আমাক এখোপ চবা। সি বৰপেটাৰ পৰা হাতী দাঁতৰ কাৰিকৰ এজনৰ হতুৱাই হাতী দাঁতেৰে তাৰ এম্ব্ৰেম্‌টো গঢ়াই আনি আমাৰ আগত কুটনি মাৰিছিল। সি বিহুৰেই বকলা নেমেলক কিয়, মোৰ পিচে তাৰ এম্ব্ৰেম্‌টো বৰ পছন্দ হৈছিল। তাক এদিন আবেলি সময়ত জয়-গোবিন্দৰ দোকানত চাহ খাই থাকোঁতে এক অভিনয়ৰ সুৰেৰে কৈছিলোঁ—"আচ্ছা অনিৰ্বাণ। তই বাৰু সঁচাই মোক ভাল পাবনে?"

সি গোমোটা মাৰি উত্তৰ দিছিল—"হঠাৎ এনেকুৱা এটা প্ৰশ্ন কিয় সুধিলি?

: এই কাৰণেই যে তই যদি সঁচাই মোক ভাল পাৱ, তেন্তে এইবাৰ পৰীক্ষা দি উঠি প্ৰথম বাৰ্ষিক এম্-বি-বি-এছ্ হৈ ঘৰৰ পৰা ঘূৰি আহোঁতে ঠিক তোৰ এই এম্ব্ৰেম্‌টোৰ দৰে হাতীদাঁতৰ এম্ব্ৰেম্-এটা যেনে তেনে মোৰ বাবে লৈ আনিবি দেই!

: মই আনিব নোৱাৰোঁ।

: কেলেই।

: এই কাৰণেই যে তই মোৰ ভালপোৱাৰ দামেৰে সামান্য এম্ব্ৰেম্ এটা কিনিব খুজিছ! ইমান নীচ প্ৰয়োজন এটা তই বাৰু এইখন মুখেৰে কেনেদৰে প্ৰকাশ কৰিলি?

: হাৰে! তই চিৰিয়াচ হৈ গলিয়েই, মই ধেমালিতহে ভাল-পোৱাৰ কথাষাৰ কৈ পেলালোঁ।

: বাদ দে তোৰ কথা! তই দৰাচলতে মোৰ অন্তৰখন আজি পৰ্যন্ত বুজিবলৈ চেষ্টা কৰা নাই—"There is nothing so great that I fear to do it for my friend; nothing so small that I will disdain to do it for him."

: মই এইবোৰ মহাপুৰুষৰ ডাঙৰ ডাঙৰ কথা একেবাৰে বুজি নেপাওঁ অনিৰ্বাণ! দৰাচলতে তোৰ এইটোৱেই বৰ ডাঙৰ দোষ যে সামান্য কথা এটাতেই চাল্‌ পালে লেকচাৰ মাৰ।

: ঠিক আছে। তই মোৰ দোষ-গুণ খুচৰি উলিয়াৱ পৰা হৈছ

যেতিয়া তই তোৰ ভাগেই থাকিবি, মই মোৰ ভাগেই থাকিম—
"The difficulty is not so great to die for a friend, as to find a friend worth dying for.

অনির্বাণক জোকাই লোৱা গ'ল যেতিয়া তাৰ সন্মুখত তাৰ বাক্যবানৰ আগত তিষ্ঠি থকা টান হ'ব বুলি ভাবি মই লাহেকৈ জয়-গোবিন্দৰ পৰা ওলাই আহিছিলোঁ। সি খণ্ডৰ ভমকত কংগ্রেছ ভৱনৰ কাষেৰে ব্ৰহ্মপুত্ৰৰ স্পাৰৰ ফালে অকলে অকলে ওলাই গ'ল। মই সেই মুহূৰ্ত্তত তাৰ লগত কম্প্ৰমাইজ্ হোৱাৰ কথা চিন্তা কৰা নাছিলোঁ—সন্ধিয়ালৈ হোষ্টেলত গৈ তাৰ লগত পুনৰাই বুজাপৰা হ'ব বুলি ভাবিছিলোঁ।

সন্ধিয়া টাউন হোষ্টেলৰ জ্বলি উঠা নিয়ন লাইটবোৰ বহুদূৰৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ পৰা মোৰ চকুৰ সন্মুখত ভাহি উঠিছিল। মই বেগাই খোজ দিছিলোঁ। অনির্বাণে চাগৈ লাইট নজলোৱাকৈয়ে খণ্ডৰ ভমকত বিচনাত শুই আছে। কিন্তু সন্ধিয়া হোষ্টেল পায়েই আচৰিত হৈছিলোঁ—অইন দিনাখন সেই সময়ত জলি থকা হোষ্টেলটো হঠাৎ একেবাৰেই শান্ত হৈ পৰিছে। বাৰান্দাত বেজি এটা পৰিলেও যেন বহুদূৰৰ পৰা শুনা যাব! মই পোনচাটে গৈয়েই প্ৰথমতে পোৱা, হোষ্টেলত আটাইতকৈ বেছি গাজা দিয়া অৰবিন্দৰ কমত সোমাই তাক Outlines of Biologyৰ পাত ইফালৰপৰা সিফাললৈ লুটিয়াই থকা দেখিছিলোঁ। সি মোক দেখিয়েই বিচনাত ঢলং কৈ লাংখাই পৰি ক'লে—"মৰি গৈছোঁ নিকুন! মৰি গৈছোঁ। একমাহ পিচতেই ফাইনেল পৰীক্ষা। বছৰটো গাজা মাৰিয়েই কটালোঁ—হায়াৰ চেকেণ্ডাৰীত গোটেইগাল পঢ়ি অহা বুলি! এতিয়াহে দেখিছোঁ একেবাৰে ভলি উদং। তেৰাই প্ৰি-মেডিকেলতেই ফ্ৰি-মেডিলেক কৰি দিব যেন পাওঁ।"

অনির্বাণ দত্তৰ কোঠাটোত খিড়িকিৰে ভুমকি মাৰিলোঁ। সি একান্ত মনে পঢ়া-শুনাত ব্যস্ত। দুৱাৰ মুখত ডাঙৰ ডাঙৰ আখৰেৰে লিখি থৈছে—"Examination ahead. Keep silence." জাননীখন পঢ়ি মই তাৰ নিৰবতা ভঙ্গ কৰাৰ প্ৰয়োজন বোধ নকৰিলোঁ।

নির্দিষ্ট দিনত আমাৰ প্ৰি-মেডিকেল ফাইনেল পৰীক্ষাৰ খবৰ ওলাইছিল। বাতৰি কাগজখন হাতত লৈ বহুদিনৰ আশংকিত এটি বেদনাই মোৰ বুকুখন খুন্দা মাৰি ধৰিলে। আমাৰ মাজৰ ১৫০জন ছাত্ৰৰ জুমটো হঠাৎ পৰীক্ষা নামৰ বিৰাট ঢৌ এটাৰ প্ৰচণ্ড খুন্দাত দুভাগ হৈ গৈছে। তাৰ এটা ভাগে এটা সমুদ্ৰৰ পাৰ পোৱাৰ আনন্দত উল্লাসিত হৈ উঠিছে, আনটোৱে অনাগত ভৱিষ্যতৰ অনিশ্চিত দিনবোৰৰ চিন্তা কৰিছে। এজাকে অংশুমানৰ কিৰণজালত হাতত নতুন এপ্ৰন, ব্লেড্‌স্কেলপেল, টুথেদ্ ফ'ৰচেপ আৰু মৃত-মানুহৰ হাড় এডাল লৈ এক নৱ-প্ৰভাতৰ বন্দনাৰে শৱ-ব্যৱচ্ছেদন কক্ষত প্ৰৱেশ কৰিছে—মৃতদেহবোৰৰ মাংস পেশীৰ মাজত চুৰি-কটাৰী ৰাখি মনুষ্য জীৱনৰ এক চৰম সত্য উপলব্ধি কৰিবলৈ। অন্যহাতে আন এটা দলে স্থকৰ প্ৰখৰ ৰ'দকো আওকান কৰি হোষ্টেলৰ সন্মুখৰ ফিল্ডখনৰ মাজতে তাচ্‌পাত হাতত গণি-গণি ক্ষণে ক্ষণে চিন্তা কৰিছে—এই মৃত মানুহৰ হাড়ডাল কেতিয়াবা আমাৰ হাতত পৰিবনে? এই হাড়ডাল হাতত নপৰিলে যে সমস্ত প্ৰচেষ্টাই পণ্ড হৈ যাব!"

চাৰি বছৰৰ চিঠিবাচ সিটো জাক বৰবাৰীৰ পৰা ঘূৰি অহাৰ আগতেই আনটো জাক হোষ্টেলৰ পৰা আঁতৰি থাকিবলৈ বিচাৰিছে। প্ৰি-মেডিকেলৰ নলেগলে লগা বন্ধুজনেও পলাই ফুৰিবলৈ চেষ্টা কৰিছে। ইজনে সিজনে কোৱা-মেলা কৰিছে—"ইহঁতে বাৰু আজি-কালি আমাক দেখিলে পলাই ফুৰে কেলেই?" কোনোবা এজনে উত্তৰ দিছে—"ইনফেৰিয়ৰিটি কমপ্লেক্স।"

প্ৰি-মেডিকেল কৰ্চটোত যদিও চিকিৎসা শাস্ত্ৰৰ বিষয়ে শিকিবলৈ একোৱেই নাছিল--তথাপি ই অনেকৰ জীৱনলৈ দুৰ্ভাগ্য নমাই আনিছিল। দুবাৰ প্ৰি-মেডিকেলত ফেইল কৰিলে কলেজ এৰি গুচি যাব লাগে—এয়া শিক্ষা বিভাগৰ নিয়ম। অথচ, ছাত্ৰই ফেইল কৰে ইংৰাজীত, কেমিষ্ট্ৰি প্ৰেকৃটিকেলত, ফিজিক্স প্ৰেকটিকেলত—যাৰ দ্বাৰা ডাক্তৰ এজনৰ ভৱিষ্যৎ জীৱনটোত বিশেষ কোনো অসহায়ৰ কাৰণ নহয়।

আজিকালি প্রি-মেডিকেল কর্চটো উঠি গ'ল। ভালেই হ'ল।
এটা বিৰাট ভেকো-ভাওনাৰ ওৰ পৰিল। আমাৰ শিক্ষা বিভাগৰ গুৰি ধৰোঁতা সকলৰ মগজুত মাজে সময়ে কোন জাতৰ পোকে কামোৰে মই আজিও বুজি নেপালোঁ।—An experimental approach, as if we are nothing but spme Laboratory specimens; let them perform their experiments whatever way they would like!

অনির্বাণ দত্তও এইখন জালবেই বন্দী হ'ল। হুবাবো তাৰ কেমিষ্ট্ৰি চল্টটো নোলাল। জীৱনত কোনোদিনেই প্ৰথমৰ বাহিৰে দ্বিতীয় হৈ নোপোৱা অনির্বাণ দত্ত দ্বিতীয়বাৰৰ বাবেও কেমিষ্ট্ৰি প্ৰেকটিকেলত ফেইল কৰি চিৰদিনৰ বাবেই এইখন কলেজ এৰি গুচি গ'ল। জীৱনৰ ৰঙীন বাসনাবোৰ ডিবৰুৰ বুকুত টুকুৰা-টুকুৰ হৈ ভাগি-ছিগি থান্‌বান হৈ গ'ল। অকল অনির্বাণ দত্তৰেই নহয়, অনেকৰ জীৱনত এনেকুৱা ঘটনা ঘটিছে। এইখন কলেজৰ পৰা চিৰদিনৰ বাবে বিদায় লোৱাৰ পৰত সি মোক এক গভীৰ হুমনিয়াহ কাঢ়ি কৈছিল—"The life of every men is a diary in which he means to write one story, and writes another; and his humblest hour is when he compares the volume as it is with what he hoped to make it."

আজিকালি অনির্বাণ দত্ত এজন স্কুল মাষ্টৰ। এল্‌-পি স্কুল এখনত শিক্ষকতা কৰে। সি এবাৰ তাৰ স্কুলৰ শিক্ষকৰ টেবুলৰ পৰা মোলৈ এখন চিঠি লিখিছিল—"জান নিকুন। শিক্ষকতা কৰি বেছ মানসিক শান্তি আছে। পিচে ঘৰটো পালেহে বিপদ। জমা-খৰচৰ অঙ্কবোৰ নিমিলেহে নিমিলে। মই পিচে শ্ৰেণীত কাণচেপা দি ছাত্ৰবোৰৰ পৰা সিহঁতৰ গণিতৰ জমা-খৰচৰ শুদ্ধ উত্তৰটো বাহিৰ নকৰালৈকে পানীজোকে লাগি ধৰাৰ দৰে লাগি থাকিবলৈকে বেছ ধৈৰ্য ধৰিব পৰা হৈ গৈছোঁ। সিহঁতৰ পিচে কাণ চেপা দি শিকোৱা কথা কেইটা জীৱনত কেতিয়াও নেপাহৰে দেই—সেয়াতো তোৰ কেমিষ্ট্ৰি

প্ৰেকটিকেলৰ ড্ৰাই টেষ্ট আৰু ওৱেট্ টেষ্টৰ নকল মৰা চাৰ্টখন নহয়।"

আজি তিনিবছৰ পাৰ হৈ গ'ল। অনিৰ্বাণ দত্ত পুনৰ বৰবাৰীলৈ আহিছিল। আজিকালি সি বিয়া-বাৰু কৰাই সংসাৰী হ'ল। আগতকৈ সি বহুত বয়সীয়াল যেন হৈ পৰিছে।

তিনিবছৰ আগতে আমাৰ কলেজৰ—"ৰূপালী জয়ন্তী উৎসৱ" উৎযাপন হৈ যায়। এইখন কলেজে একুৰী পাঁচ বছৰৰ দেওনা পাৰ হৈ গ'ল—তাৰেই এক মহা উৎসৱৰ আয়োজন। যোৱা ২৫ বছৰৰ অনেক ছাত্ৰ আহি আমাৰ মাজত মিলি পৰিছিল। বৰবাৰীত সেই কেইদিন ন-পুৰণিৰ এক মহামিলনৰ আয়োজন। সাত সাগৰ তেৰ নদীৰ সিপাৰত থকা জনো আহিছে পুৰণি স্মৃতিৰ অনুসন্ধানত। এৰা! বিলাতত থাকিলেও জানো এইখন কলেজৰ স্মৃতি কোনোবাই পাহৰিব পাৰে। ঝিন্‌ঝাক ঝিন্‌ঝাক। পোহৰ আৰু পোহৰ! মানুহ আৰু মানুহ খেল পথাৰত, অডিটৰিয়ামত, প্ৰদৰ্শনীৰ সৰু সৰু ছেদবোৰত। সকলোৱে পাহৰণিৰ বুকু বিদাৰি টুকুৰা-টুকুৰ স্মৃতিবোৰ বিচাৰি ফুৰিছে হোষ্টেলত, ওৱাৰ্ডত, অপাৰেচন থিয়েটাৰত, অডিটৰিয়ামত, খেলপথাৰত। ইমানবোৰ মানুহৰ মাজতে দেখিছিলো অনিৰ্বাণ দত্তক; আমাৰ প্ৰি-মেডিকেলৰ অনিৰ্বাণ দত্তক। মাত্ৰ এবছৰৰ কাৰণে এইখন কলেজৰ ছাত্ৰ ও ৰূপালী জয়ন্তীৰ মাজভাগতে আহি আমাৰ মাজত ওলাল। আমাৰ মাজত পুৰণি হাঁহিৰ টুকুৰাবোৰে আকৌ খলক লগালে। এৰা! পৰীক্ষা পদ্ধতিৰ পাক চক্ৰত পৰি সি এইখন কলেজ চিৰদিনৰ বাবে এৰি যাব পাৰে, তাৰ জীৱন যুদ্ধলৈ হতাশাৰ বান নমাই আনিব পাৰে; তথাপি এইখন কলেজৰ যি আকৰ্ষণ, তাক সি কেতিয়াও পাহৰিব নোৱাৰে।

ৰূপালী জয়ন্তীৰ আটাইকেইদিন সি আমাৰ মাজত গান-বাজনা কৰি মিলি-জুলি কটাই দিলে। সেই কেইদিন সি চাগৈ কিবা এক অবুজ মোহজালত বন্দী হৈ তাৰ দুৰ্ভগীয়া অতীতটোৰ কথা পাহৰি আছিল। কিন্তু হঠাৎ ৰূপালী জয়ন্তীৰ শেষ নিশা তাৰ যেন মোহ মুক্তি হৈছিল কোনোবা এক সুপ্ত অৱচেতন মনৰ জ্বলন্ত উদগীৰণত।

ৰূপালী জয়ন্তীৰ শেষ নিশা। 'কলেজ অডিটৰিয়াত সাংস্কৃতিক সন্ধিয়া। মঞ্চত বিভিন্ন অনুষ্ঠান চলি আছে। আমি আদিয়ে নিজৰ নিজৰ কথাত ব্যস্ত। অনুষ্ঠান শেষ কৰি আমি এক ক্লান্ত মনেৰে হোষ্টেললৈ উভতি আহিছিলোঁ। কিন্তু মোৰ ৰুমত এটা পুৰণি কাহিনীৰ পাতনি দেখি আচৰিত হৈছিলোঁ।

মোৰ টেবুলৰ সোঁমাজত এখন ফুলস্কেপ কাগজ পৰি আছে। তাৰ প্ৰায় সোঁমাজত হাতীদাঁতৰ এম্‌ব্লেম্ এটি পৰি আছে। কাগজখনত গোট গোট আখৰেৰে লিখা আছে—

"দুনিয়াকে মহফিলো সে উগতা গয়া হুঁ ইয়াৰৰ।
ক্যায়া লুৎফ হ্যায় অঞ্জুমান মে—

একেথৰে মই এম্‌ব্লেম্‌টোলৈ চাই আছিলোঁ। মই চিনিব পৰিছিলোঁ সেইটো অনিৰ্বাণ দত্তৰ অতি মৰমৰ হাতীদাঁতৰ এম্‌ব্লেম্‌টো—এতিয়া তাৰ কাৰণে একেবাৰেই নিষ্প্ৰয়োজন। সেয়ে তাৰ উজ্জ্বলতা একেবাৰে হেৰাই গৈছে, শ্যামবৰণীয়া হৈ পৰিছে। বহুদিন টিঙৰ বাকচৰ তলত পৰি থাকি।

মই একেদৌৰে মোৰ ৰুমৰ পৰা ওলাই আহিছিলোঁ। লাখু, মই, মৃদুল, অঞ্জন আটায়ে লগ লাগি ৰৰবাৰীৰ আটাইকেইটা হোষ্টেলতে অনিৰ্বাণ দত্তক বিচাৰি চলাথ কৰিছিলোঁ। অৱশেষত আটায়ে ওল্ড হোষ্টেলৰ বাৰাণ্ডাতে বিষন্ন মনে ৰহি পৰিছিলোঁ। নামনি মুখি ৰাতিৰ গাড়ীখনৰ ঝক্‌ঝক্ শব্দ যেন বহু দূৰৰ পৰা আমাৰ কাণত পাতলকৈ খুন্দিয়াবলৈ আৰম্ভ কৰিছিল।

## তৃতীয় দৰ্শন

### এক

"Life is too slow for those who wait, too swift for those who fear too long for those who grieve, too short for those who rejoice, but for those who love—life is eternity."

এই মহান কথা ফাঁকি কেতিয়া ক'ত পঢ়িছিলোঁ মই পাহৰি গলোঁ অনুপম। কিন্তু টাউন হোষ্টেল এৰি আহি মই ৰবৰাৰী কেম্পাচৰ নিউ হোষ্টেলৰ ৪০ নম্বৰ কোঠাটোত যিদিনাৰ পৰা সম্পূৰ্ণ ৬টা বছৰৰ কাৰণে থাকিবলৈ ললোঁ সিদিনাখনৰ পৰা মই অনুভৱ কৰিছোঁ যেন এই মহান কথা ফাঁকিৰ ব্যৱহাৰিক প্ৰয়োগ মই মোৰ জীৱনৰ প্ৰতিটো খোজতেই ইয়াত দেখিবলৈ পাইছোঁ, তুমিও দেখিবলৈ পাবা যদিহে সতৰ্কভাৱে চাব জানা। এইখন ৰবৰাৰী। ইয়াৰ বুকুত অনেক কাহিনী বিজড়িত হৈ আছে—অনেক আশা, অনেক আকাঙ্খা, অলেখ হাঁহি, অলেখ কান্দোন, অনেক জীৱনৰ জীৱন ৰহস্য, পোৱা-নোপোৱাৰ হেজাৰ হিচাব। ৰবৰাৰীৰ প্ৰতি টুকুৰা ইটাকে খুন্দিয়াই যোৱা, সিও তোমাৰ লগত আগ্ৰহেৰে কথা ক'ব—প্ৰতিটো বাট পথত চকুজুৰি বহলকৈ মেলি কিবা এটি বিচাৰি চোৱা সিও তোমাক মানুহৰ জীৱন ৰহস্য কৈ শুনাব—তুমি কেৱল শুনি যোৱা, কেৱল শুনি যোৱা।

ৰবৰাৰীক কেন্দ্ৰ কৰিয়েই চক্ৰাকাৰে ঘূৰি আছে এজাক মানুহৰ জীৱন কুণ্ডলী। সৌ শৰ্মা কেণ্টিনখন, সৌ কলেজ কেণ্টিনখন, ৰবৰাৰী তিনি আলিৰ চকৰ কাষৰ সৰু সৰু দোকান কেইখন, টাউনৰ পৰা এজাক মানুহ কঢ়িয়াই অনা চিটি বাচ কেইখন, সকলোতে খন্তেক জিৰণি লোৱা—সকলোৱে খবৰ পাবা ৰবৰাৰীক কেন্দ্ৰ কৰি কেনেকৈ

বুধি আছে এজাক মানুহৰ জীৱন কুণ্ডলী। সৌ বিজ্ঞালী কেইজনকে সোধা সিইঁতেও ক'ব, নিঃসঙ্কোচে কৈ যাব ৰৰবাৰীয়ে কেতিয়াবা খুমটি মাৰেনে? নাই কেতিয়াও নামাৰে। সদা জাগ্রত ৰৰবাৰী— সেয়ে ইয়ান ইমান মানুহ, ৰাতি নাই দিন নাই ঘণ্টাৰ পিচত ঘণ্টা ধৰি কেৱল মানুহ আৰু মানুহ, সকলোৰে একেটাই উদ্দেশ্য— জীৱনত এখোজ আগবাঢ়ি যোৱাৰ, জীৱনক নতুন অভিজ্ঞানেৰে জুখি চোৱাৰ জীৱন অৱধি জীৱনক ভাল পাই থকাৰ।

সকলো মানুহেই জীৱনটো স্বৰ্গীয় হোৱাটোকেই কামনা কৰে, জীৱনটোক ভাল পাবলৈকে শিকে, কিন্তু তাৰ কাৰণে যিটো প্রস্তুতি সি ইমান কঠিন যে আৰু কেতিয়াও কাৰো লগত তুলনা কৰিব নোৱাৰি। জীৱনক ভাল পাওঁ বুলি কোৱা কথাষাৰ যিমান সহজ, পোৱাৰ পথটোও যদি সিমান সহজেই হ'লহেঁতেন? কোনোবা এজন মহাপুৰুষে কৈছিল— "We are proceeding not from error to truth but from truth - to truth —Lower truth to higher truth.

টাউন হোষ্টেল এৰি ৰৰবাৰী হোষ্টেলত যিদিনাৰ পৰা মোৰ জীৱন যাত্রা আৰম্ভ হ'ল সিদিনাখনৰ পৰাহে মই জীৱনটোক উপলব্ধি কৰিবলৈ শিকিছো। এই ৰৰবাৰীৰ বুকুতে মই জীৱনৰ থৈয়া-নথৈয়া ৰণ দেখিবলৈ পাইছো—a great struggle a struggle between a lower truth and a higher one. এই জীৱন যুদ্ধৰ প্রস্তুতিৰ বাবে যি প্রচেষ্টা তাক অনেক সময়ত অনেক জনে অৱিহণা যোগাইছে এইখন ৰৰবাৰীৰ বুকুত। মই এই ৰৰবাৰীৰ বুকুত লগ পোৱা; এই হোষ্টেলটোৰ বাৰান্দাত লগ পোৱা প্রতিজন ব্যক্তিৰ পৰা, প্রতিটো ঘটনাৰ পৰা কিবা নহয় কিবা এটি শিকিছো। মোৰ শিক্ষক সকলৰ পৰা যি শিক্ষা পাইছো, অগ্রজ সকলৰ পৰা যি গাইডেন্স পাইছো, সহপাঠীৰ পৰা যি মৰম পাইছো, অনুজ সকলৰ পৰা যি শ্রদ্ধা-ভক্তি পাইছো এই আটাইখিনিয়ে একলগে লগলাগি মোক এখোজ এখোজ কৈ আগবঢ়াই লৈ গৈছে— চিকিৎসা বিজ্ঞানৰ দৰে এক জটিল বিষয় অধ্যয়ন কৰিবলৈ।

এইখন কলেজৰ প্রতিজন ছাত্ৰৰ পৰা প্রতিজন ছাত্রই কিবা নহয়

কিবা এটি শিকিবলৈ আছে, প্ৰতিটো পৰিৱেশৰপৰা জীৱনত আৰম্ভ কৰিবলৈ কিবা নহয় কিবা সমল এটি আছে—যিমানেই প্ৰতিকূল পৰিবেশ নহওক কিয়—কেঁচা মাটিৰ টুকুৰা ৰ'দত শুকাই জুইত পুৰি পুৰি ইটা হোৱাৰ নিচিনা কথা, যিবোৰ ইটাৰ টুকুৰা ইটোৱে-সিটোৱে লগলাগি এখন ডাঙৰ প্ৰাচীৰ নিৰ্মাণ হয়—সেই কেঁচা মাটিৰ টুকুৰা জুয়ে পুৰি ইটা হোৱাৰ কাহিনী তুমি ইয়াতেই শুনিবলৈ পাবা অনুপম !

ৰৰবাৰী হেষ্টেলত প্ৰথম দিনাখন আহিয়েই শিকিছিলো ওপৰৰ শ্ৰেণীৰ ছাত্ৰ এজনৰ ওচৰত কিমানখিনি ভদ্ৰ হ'ব লাগে—কিমানখিনি সন্মানৰ চকুৰে চাব লাগে। এই সৰু-সুৰা শিষ্টাচাৰ কিছুমান শিকাওঁতে ওপৰৰ শ্ৰেণীৰ ছাত্ৰজনে ধমকিৰ সুৰত শিকাই দিয়াটো স্বাভাৱিক। মৰমৰ সুৰেৰে শিকাই দিওঁতে যদি কওঁ—Who are you to speak like this ? অথচ এই সৰু-সুৰা কথাবোৰ, যিবোৰ হয়তো এজন ল'ৰাই জীৱনত শিকিবলৈ পৰিবেশ নাপাবও পাৰে—তাকে শিকোৱা মাধ্যমটোকে বাহিৰৰ মানুহে ৰেগিং বুলি অভিহিত কৰে, বাতৰি কাগজত গৰিহণা দিয়ে, কলেজৰ ৰৰমূৰীয়াই Expell কৰি দিয়ে। কিন্তু এবছৰ পাৰ হৈ যোৱাৰ পিচত ছাত্ৰবোৰে দেখোন কব নোৱাৰা-কৈয়ে তেওঁলোকক আটাইতকৈ বেছি ৰেগিং কৰা ল'ৰাজনৰ লগত অতি আপোন হৈ পৰে ; অতি ঘনিষ্ট হৈ পৰে। কাৰণ—He is teaching you a truth, a conversion of lower truth to a higher one.

মোৰ আজি এই বিদায় মুহূৰ্তত এজন মানুহলৈ খুউব মনত পৰিছে অনুপম। তেৱেঁই হ'ল ৰৰবাৰীৰ 'টেৰৰ' নামেৰে অভিহিত দীপুদা। দেখিবলৈ হিন্দী চিনেমাৰ ভিলেইনজনৰ নিচিনা মানুহজন, অথচ অন্তৰখন ইমান কোমল, ইমান পবিত্ৰ। তেৱেঁই মোক প্ৰতিটো খোজতেই সতৰ্ক কৰি দিছিল—"নিকুন ! ৰৰবাৰীৰ পিচল বাট, খুপি খুপি দিবা খোজ, কোন মুহূৰ্তত কি ঘটি যায় ইয়ত্তা নাই—Life itself is slippery"

মই তেতিয়া প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। এনাটমী দিচেক্‌চন্ হলত প্ৰথম

দিনাখন সোমাই মুৰ ঘূৰাই গ'ল—এয়া কি ভয়ানক দৃশ্য। ইমান গাল মৰা মানুহ! প্ৰথম ছুদিনমান দিচেক্‌চন্ কৰা দূৰৰ কথা, হাতেৰেই চুবলৈকে মন যোৱা নাছিল। কি যে ভেকেটা ভেকেট গোন্ধ। সেই গোন্ধটোৱে দিচেক্‌চন্ হলৰপৰা ওলাই আহি—ছুপৰীয়াৰ আহাৰ খাওঁতে বৰ আমনি কৰিছিল। হাঁহ কণীৰ গাত কামোৰ মাৰি দিওঁতে বমি হোবাৰ ভাব আহিছিল—মই যেন একেদৌৰে ঘৰলৈ পলাই যাম। ঠিক সেই মুহূৰ্ত্তে দীপুদা আহি হাঁহি হাঁহি কৈছিল—কি হ'ল সক ল'ৰা! এনেদৰে নহ'ব। মনটো অলপ টান কৰিব লাগিব। ডাক্তৰ হোৱা কি ইমান সহজ কথা?

এনাটমী দিচেক্‌চন্ কৰি থাকোতে প্ৰথম অৱস্থাত একোকেই বুজি নাপাইছিলো। কিবা এটা বিষয় শিকিবলৈ ঘুৰমতিয়াই থাকোতেই দেখিছিলো, যে লগৰ ল'ৰাবোৰে বহুদূৰ পালে গৈ; আনহাতে মই এটিও আইটেম ক্লিয়াৰ কৰিবপৰা নাই, তেতিয়া মনলৈ এনেকুৱা অৱসাদ আহিছিল—জীৱনত যেন কেতিয়াও এইবোৰ মোৰ দ্বাৰা আয়ত্ব কৰা নহ'ব—ঠিক সেই মুহূৰ্ত্তে দীপুদা আহি কাষত বহি কৈছিল—"কি টান পাইছা? গ্ৰে এনাটমীখন লুটিয়াই বগৰাই পঢ়ি থাকিলেই নহ'ব নহয়; গোট গোট কথা কেইটিহে শিকিব লাগে। এয়াতো তোমাৰ ভাষা নহয়, এয়াতো তোমাৰ সাহিত্য নহয়—যে কল্পনাৰ পৰশ পেলাই কিবা এটা লিখিবা। বুৰ্বকৰ দৰে পঢ়া-শুনা কৰিলে বুৰ্বকৰ দৰেই নম্বৰ পাবা। ভয় নকৰিবা—এদিন এই এনাটমীয়েই পানীৰ দৰে সৰসৰীয়া হৈ যাব।

ফাৰ্ষ্ট এম বি ফাইনেল পৰীক্ষাত অনাটমী প্ৰথম প্ৰশ্ন কাকতৰ উত্তৰ কৰি আহি দেখিলো কেনো এটা প্ৰশ্নই মনপূত হোৱা নাই। অন্যহাতে পিচদিনাখন ৰাতিপুৱা চেকেণ্ড পেপাৰ দিবলৈ অকনো উদ্যম নাই। শাৰীৰিক তথা মানসিক ভাগৰত একেবাৰে জুৰুলা হৈ পৰিছো—সেই মুহূৰ্ত্তে দীপুদা আহিছিল—"কি হ'ল নিকুন? ভয় খাইছা কিয়? চেকেণ্ড পেপাৰ "below diaphragm"—ৰবা মই কৈ গৈছো—This is lymphatic drainage of stomach. This is the

boundry and contents of Ischioreotal fassa……"আমাৰ চকুত - টোপনি নাই। দীপুদা আৰু বহুতো প্ৰাক্‌শ্ৰেণীৰ ছাত্ৰবো আমাৰ লগতে টোপনি নাই……। গোটেই ৰবৰাৰী হোষ্টেল ওৰে ৰাতি সাৰে আছে।

পিচত এদিন মোতকৈ তেৱেঁই বেছি উল্লাসিত হৈ আহি কৈছিল— "হেই নিকুন! Congratulations! You have passed my brother. তোমাৰ যে আকৌ ভয়তে অৱস্থাই নাই।" ঠিক সেই মুহূৰ্ত্তত মোৰ এনেকুৱা ভাব হৈছিল, মই যেন দীপুদাৰ ভৰি দুখনিত সাবটি ধৰিম আৰু আনন্দাশ্ৰুৰে তেওঁৰ দুভৰি সিক্ত ক'ৰি চিঞৰি চিঞৰি কম—"It is not my success my brother! It is only your presence, which caused me to proceed not from lower truth to higher truth ; but from errer to truth.

( ২ )

: অলপ ঠাণ্ডা লাগিছে নহয় অনুপম। বলা, একাপ চাহ খাই আহোগৈ।

: নিকুনদা এই ৰাতিখন আপুনি চাহ ক'ত পাব ?

: বলাচোন labour কমলৈ যাওঁ। তাত খাজিদা বাইদেউ আছে নহয়।

: খাজিদা বাইদেউ কোন নিকুনদা ?

: খাজিদা বাইদেউক তুমি চিনি নোপোৱা নহয় জানো ? কিন্তু খাজিদা বাইদেউক ওপৰৰ শ্ৰেণীৰ প্ৰায়বোৰ ছাত্ৰই চিনি পায়। খাজিদা বাইদেউ এগৰাকী ষ্টাফ নাৰ্চ।

: খাজিদা বাইদেউৰ লগত আপোনাৰ খুউব ভাল নেকি ?

: হয় খুউব ভাল। খাজিদা বাইদেউৰ লগত মোৰ অতি মধুৰ সম্বন্ধ। তোমাক যদি কওঁ যে খাজিদা বাইদেউ নথকা হ'লে মই আজি অৰ্থনৈতিক কাৰণবশতঃ এজন ডাক্তৰ হৈ ওলাব নোৱাৰিলো-হেঁতেন—তুমি নিশ্চয় আচৰিত হৈ যাবা। অথচ সেইটো একেবাৰেই সত্য কথা।

: কিন্তু এই নার্চ সকলক বাহিৰৰ মানুহবোৰে বৰ ভাল দৃষ্টিৰে নেচায় দেখোন নিকুনদা ?

: এৰা, সেইয়া তেওঁলোকৰ দৃষ্টিৰ ভুল। কিন্তু তেওঁলোকৰ মাজত ইমান মহান অন্তৰ আছে বুলি সেই মানুহবোৰে অনুমানেই কৰিব নোৱাৰিব। তেওঁলোক "সেবিকা" নামেৰে জনা যায় নহয় জানো! সঁচাকৈয়ে এই শব্দটো বৰ এপ্ৰপ্ৰিয়েট হৈছে। মোৰ এই কলেজীয়া জীবনটোত দুজনী নাৰী চৰিত্ৰৰ অৱদান কেতিয়াও পাহৰিব নোৱাৰিম অনুপম—সেয়া হ'ল খাজিদা বাইদেউ আৰু আকাশী চলিহা।

খাজিদা বাইদেউক প্ৰথম দিনাখন লগ পাইছিলো দুইনম্বৰ চাৰ্জিকেল ৱাৰ্ডটোত। মই তেতিয়া তৃতীয় বাৰ্ষিকৰ ছাত্ৰ। মোৰ দেউতা ঢুকুৱাৰ পিচত চুলি খুৰাই টকলা হৈ অহাৰ পিচত প্ৰথমটো ক্লিনিক্‌চ কৰিছিলো ২নং চাৰ্জিকেল ৱাৰ্ডটোত।

আমাৰ গ্ৰুপটোৰ ভিতৰত মই দেখিবলৈ আটাইতকৈ ছুটি চাপৰ আছিলো। তাতে আকৌ দেউতাকৰ শ্ৰাদ্ধৰ সময়ত মূৰৰ চুলি টকলাকৈ খুৰাই অহা কাৰণে তেনেই নিবুকাটি যেন হৈ পৰিছিলো। আমি ওৱাৰ্ডত ক্লিনিক্‌চ কৰি থকা সময়ত দুজনী ষ্টুডেণ্ট নাৰ্চে আমাৰ ফালে চাই সেবিকা কক্ষৰ পৰা ফিচিঙা-ফিচিঙকৈ হাঁহি হাঁহি কিবা কথা পাতি আছিল। ক্লাচ শেষ কৰি ওলাই অহা সময়ত এজনীয়ে আনজনীক কোৱা শুনিছিলো—"সৌ টকলাটোলৈ চাচোন; বৰ মৰম লাগিছে পায়। একেবাৰে ভাইটি ভাইটি লাগিছে।" মই খঙেৰে সিহঁতৰ ফালে কেৰাহিকৈ চাইছিলো। সিহঁত দুয়ো জনীয়ে গিৰ্জনি মাৰি হাঁহিছিল। খাজিদা বাইদেৱে আলেঙে আলেঙে লক্ষ্য কৰি আছিল। বাইদেউ আহি সিহঁত দুইজনীৰ কাষ পালত সিহঁতৰ হাঁহি খন্তেকতে বন্ধ হৈছিল। খাজিদা বাইদেৱে মোৰ ফালে একেথৰে চাই আছিল।

পিচদিনাখন ক্লাচ কৰিবলৈ যাওঁতে খাজিদা বাইদেৱে ৱাৰ্ডৰ সন্মুখতে মোৰ ফালে চাই খুউব মৰমৰ হাঁহি এটিৰে মোৰ পৰিচয় লৈছিল। সিদিনাখনৰপৰা তেওঁ গোটেই ৱাৰ্ডটোতে ইমান ব্যস্ত হৈ থাকিও প্ৰত্যেক দিনা মোৰ এবাৰ খবৰ লৈছিল।

সম্পূর্ণ এমাহ ক্লিনিক্চ কৰাৰ পিচত খাজিদা বাইদেৱে এদিন ৰবিবাৰে মোক তেওঁৰ হোষ্টেললৈ লৈ গৈছিল।

সিদিনাখন ভিজিটৰচ কমত তেওঁ মোৰ লগত প্ৰায় তিনিঘণ্টা সময় কথা পাতিছিল। কথাৰ মাজতে তেওঁ কমৰপৰা নাৰিকলৰ লস্কৰা কেইটিমান আনি মোৰ হাতত গুজি দি কৈছিল—"তোমাক দেখি মোৰ এনেকুৱা লাগিছে যেন মোৰ একমাত্ৰ সন্তানটি কোনোবা বহুদূৰত কোনোবা কনভেন্ট স্কুল এখনত পঢ়িছিল। সি বহুদিনৰ মূৰত আজি ঘৰ বিচাৰি আহি মোক "বাইদেউ" বুলি মাত এষাৰ দিছে……।" খাজিদা বাইদেউৰ মোৰ প্ৰতি এই অহৈতুক স্নেহ কি কাৰণত জাগি উঠিছিল মই বুজি পোৱা নাছিলো; তথাপি মই প্ৰত্যুত্তৰত কৈছিলো— "আপুনি মোক যি বুলি স্নেহ কৰি অন্তৰত আনন্দ পায় তাতেই মোৰ শান্তি……।

সিদিনাখনৰপৰা খাজিদা বাইদেউ মোৰ যিকোনো বিপদতেই হাতৰ সাৰথি। কেতিয়াবা ঘৰৰপৰা মাহেকৰ টকাখিনি আহি নাপালে ডাইনিং-হলত দিফলটাৰ লিষ্টখনত মোৰ নামটো উঠাৰ আগমুহূৰ্তেই বাইদেৱে মোৰ মেছ দিউজটো দি দিয়ে। পৰীক্ষাৰ ফিজ বিচাৰি ঘৰলৈ টেলিগ্ৰাম কৰিও নিৰ্দিষ্ট সময়ত টকা নেপাই মনমাৰি বহি থকাৰ আগ্‌মুহূৰ্ততেই বাইদেৱে গগৈদাৰ হাতত ফিজটো দি আহে। মই এম-বি-বি-এচ পাচ কৰাৰ দিনাখন মোৰ মায়ে যিমানখিনি স্ফূৰ্তি কৰিছিল খাজিদা বাইদেৱে তাতোতকৈ কোনো গুণে কম্-আনন্দিত হোৱা নাছিল।

তেতিয়া মই চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰ। খাজিদা বাইদেউ সেই সময়ত কোনোবা এটি কায় চিকিৎসাৰ ৱাৰ্ডত নাইট ডিউটি কৰি আছিল। আমাৰ কলেজৰ ভেৰোনীয়া কোঠাৰ ৯নং ভেৰোনীয়া কোঠাটোত এজন আদবয়সীয়া ডাক্তৰ বেমাৰী হিচাবে আছিল। ক্ৰেকচাৰ নেক অব ফিমাৰ। থামাচে স্পিলন্ট লগাই মানুহজনক থোৱা হৈছে। এইখন কলেজৰে তেওঁ অতি পুৰণি ছাত্ৰ আছিল। এতিয়া কোনোবা এখন ষ্টেট ডিচপেনচাৰীত কাম কৰি আছে।

বাইদেৱে তেওঁৰ লগত মোক চিনাকি কৰি দিছিল। মই তেওঁৰ প্ৰত্যেক দিনাই খবৰ লৈছিলো। এদিনাখন চুপধীয়া মই দুৱাৰত "নক্" কৰি সোমাই দেখিছিলো বাইদেৱে ডাক্তৰ জনৰ ভৰি পথানত বহি উচুপি উচুপি কান্দি আছিল। মই কমত সোমোৱা দেখি তেওঁ চাদৰৰ আঁচলেৰে চকুহাল মোহাৰি সাউৎ কৰে কোঠাটোৰ পৰা ওলাই গ'ল।

: বাইদেৱে লৰা-লৰিৰ কোবত টেবুলৰ ওপৰত এজাপ পুৰণি কাগজ এৰি থৈ গ'ল। মই এইবোৰ কি হৈছে একো বুজি পোৱা নাছিলো। ডাক্তৰ জনে মোক কাষলৈ মাতিলে। মোৰ ফালে চাই ওঁঠচেপা হাঁহি এটি মাৰি ক'লে—"সৌ টেবুলৰ ওপৰৰ কাগজবোৰ দিয়াচোন।

মই কাগজবোৰ আনি দিছিলো। সেই কাগজৰ ফাইলটোৰপৰা বিচাৰি বিচাৰি কবিতা এটি উলিয়াই তেওঁ আবৃত্তিৰ সুৰেৰে পঢ়ি গৈছিল—

"তেতিয়া নিশা শেষ প্ৰহৰ—
সকলো মানুহ চাপে টোপনিত নিপালি দিছে।
মোৰ কৃদ্ধ বাতায়ন খুলি—তাইক মই দেখিছিলো
তাইচোন সাৰে আছে ?
তাইৰ সন্মুখত এটি সাপ-চেঁচা হিমাবৃত নিশা।
দুই ফালে দুশাৰী মানুহৰ মৃত্যু যন্ত্ৰণা
তাই ইমান সন্তৰ্পণে আহ-যাহ কৰে
হায় ! পদচালনাত যেন ভাঙি পৰে নিদ্ৰাদেৱীৰ মন।
ইমান ৰাতি ? দেৱতাৰ হে কৰিব পাৰে আপদাল !

তাইক মই কত দেখিছো সুধিছা ?

তাইক মই দেখা নাই—
ইউনিভাৰচিটি গৱেষণা গাৰত কিম্বা দেখা নাই
বুদ্ধিজীৱিৰে ঠাহ খাই থকা ভোজ-মেল ঘৰত।

কিন্তু দেখিছো এটি কক্ষত য'ত মৃত্যু যন্ত্রণাৰ
মানুহ।

লোকে তাইক ৰাত্রিৰ নাৰ্চ বোলে।
মৰমতে মই তাইক সোণপাহী বোলো।

তেওঁৰ চকুহাল সেমেকি উঠিছিল। থোকা-থুকি মাতেৰে মোক কৈছিল—"তোমাৰ বিষয়ে খাজিদাই মোক সকলো কথা কৈছে। তুমি খাজিদাৰ অতি মৰমৰ। তোমাৰ ওচৰত আজি মোৰ বহুত কথা কবলৈ মন গৈছে। কাৰণ, এইবোৰ কথা যদি মই কাৰবাৰ আগত এই মুহূৰ্ততে কৈ নিদিওঁ মোৰ বুকুখন এতিয়াই চিৰাচিৰ হৈ যাব।"

মই বুজিছিলো তেখেতৰ অন্তৰত কিবা এটি অব্যক্ত বেদনাই মুখবন্ধ এক আলামুখৰ দৰে গুজৰি গুমৰি উঠিছিল। মই তেওঁৰ-হাতখনৰ ওপৰত মোৰ হাতখন থৈ কৈছিলো—"আপুনি নিঃসংকোচে সকলো কথা কব পাৰে।"

তেওঁ মোৰ হাতখন কিবা এক আবেগৰ বান্ধোনেৰে তেওঁৰ হাতৰ মুঠিৰ মাজত সোমোৱাই লৈ কৈছিল—"মই এসময়ত কবিতা লিখিছিলো। এই কবিতাটি খাজিদালৈ মোৰ এনিশাৰ অশ্ৰুসিক্ত উপহাৰ।

ডাক্তৰজনে এক গভীৰ হুমনিয়াহ কাঢ়ি বেৰৰ ফালে মুখখন ঘূৰাইছিল। দুই চকুৰে দুধাৰী চকুলো বাগৰি আহি গাকটোত পৰিছিল। তেওঁ সাউৎকৰে চকু দুটা মোহাৰি কৈছিল—"পঞ্চাশ চনৰ ভূমিকম্পৰ সময়ত খাজিদা এইখন কলেজলৈ "নার্চিং" পঢ়িবলৈ আহিছিল। সেই সময়ত মই "ৰোটেটিং ইণ্টাৰ্নি" কৰি আছিলো। মই ফাইনেল পাচ কৰিয়েই প্ৰফেচৰ টানেজাৰ ৱাৰ্ডটোত কাম কৰিছিলো। খাজিদাইও সেই ৱাৰ্ডটোতে কাম কৰিছিল। প্ৰথমতে মই "আই-ভি ইন্‌জেকচন" দিবলৈ, লেবৰেটৰী ইনভেষ্টিগেচনৰ বাবে "ব্লাড ড্ৰ" কৰিবলৈ কিম্বা "আই ভি ড্ৰিপ" দিবলৈ বৰ টান পাইছিলো। প্ৰায়েই দবল পাঙ্‌চাৰ হৈ গৈছিল। খাজিদাই মোক সদায় "এচিষ্ট"

কৰিছিল। তাৰেই মোক "ব্লাড ড্ৰু" কৰিবলৈ শিকাইছিল। এই নাৰ্চ সকলৰ পৰা মই চাকৈয়ে শিকিবলগীয়া কথা বহুত আছে। মই খাজিদাৰ পৰা ডাক্তৰী জীৱনৰ বহুত কথাই শিকিছো।

প্ৰফেচাৰ টানেজাই আমাৰ এই মিলা-প্ৰীতি আলেংে আলেংে লক্ষ্য কৰিছিল। এদিনাখন খাজিদা আৰু মই খুউব মনোযোগেৰে কেক্কটিক পেচেণ্ট এজনৰ ভেইনডাল বিচাৰি থাকোতে প্ৰফেচাৰ টানেজাই তেওঁৰ গলগলীয়া মাতেৰে কৈছিল—Even the sun and the moon in the sky will not be so much Co-operative mutually to shine gloomy sky"—কথাষাৰ শুনি খাজিদা লাজতে ৰঙা-চিঙা পৰি পৰিচাৰিকাৰ কোঠালৈ লৰ মাৰিছিলি। সিদিনাখন গধূলি কেবিন এটালৈ মই আৰু খাজিদা "এনিমিক পেচেণ্ট" এজনক "ব্লাড্ ট্ৰেন্সফিউজ" কৰিবলৈ গৈছিলো। কেবিনত সোমোৱাৰ লগে লগেই ভূমিকম্পৰ জোকাৰণি আৰম্ভ হ'ল। সকলো মানুহৰে হাহাকাৰ লাগিল। কেবিনৰ পেচেণ্ট বাহিৰলৈ ওলাই লৰ মাৰিলে খাজিদাৰ হাতৰ পৰা "ট্ৰেন্সফিউচন চেট" আৰু তেজৰ বটলটো ঠাং কৈ শব্দ কৰি মাটিত পৰি ভাগি গ'ল। ভূমিকম্পৰ জোকাৰণি অতিপাত জোৰেৰে আহিব ধৰিলে। ভয়তে তাই এটি বিকট চিঞৰ মাৰি মোক সাবতি ধৰিলে। ভূমিকম্পৰ জোকাৰণি বহুত সময়লৈ চলিয়েই থাকিল।

ডাক্তৰ জন এইবাৰ অলপ প্ৰকৃতিস্থ হ'ল। তেওঁৰ শেঁতা পৰি যোৱা মুখ খনত যেন অল্প তেজ জমা হ'ল। তেওঁ বেৰৰ ফালৰ পৰা মুখখন ঘূৰাই আনি ওপৰত ঘূৰি থকা ফেন্‌খনলৈ চাই চাই লাজ লাজ ভাৱে ক'লে—"তোমাক মোৰ কবলৈ লাজ লাগিছে যদিও কৈছো—আমি দুয়ো এদিন ( দুয়োকে ) আবিষ্কাৰ কৰি পেলাইছিলো যে আমি দুয়োজন এক গভীৰ-প্ৰেমত আবদ্ধ হৈ পৰিছিলো। এদিনাখন ইণ্টাৰণি শেষ কৰি মই খাজিদাৰ পৰা বিদায় লৈছিলো বিবাহৰ প্ৰতিশ্ৰুতিৰে। কিন্তু......"

হঠাৎ উত্তেজিত হৈ পৰিছিল ডাক্তৰজন। সমগ্ৰ মুখমণ্ডলত সমস্ত

শৰীৰৰ ৰক্ত থুপ খাইছিল। কপালৰ শিৰ কেইডাল জিলিকি উঠিছিল। প্ৰয়োজনতকৈ বহুত ডাঙৰ মাতেৰে কৈছিল—"কিন্তু মোৰ প্ৰতিশ্ৰুতি কোনোবা এক শৰত কালৰ অলক মেঘৰ গাজনিহে হ'ল মাই চান! মই······মই ঘৰখনৰ সম্পত্তিৰ অভাৱত গাঁৱৰ মানুহবোৰ-সম্মতিৰ অভাৱত তাইক বিয়া কৰাব নোৱাৰিলো! আচলতে মই বৰ ভীৰু আছিলো মাই চান! এক নম্বৰ কাপুৰুষ! ভগবানে মোক শাস্তি দিব মাই চান, মোক শাস্তি দিব! হি উইল নেভাৰ ফৰগিভ মি মাই চান! হি উইল নেভাৰ ফৰগিভ মি।"

ডাক্তৰজনে বাকৰুদ্ধ হৈ গৈছিল। বুকুৰ ওপৰত হাত দুখন এখনৰ ওপৰত আনখনেৰে সাবতি ধৰিছিল। চকু দুটা মুদি দিছিল—মুখেৰে বিৰবিৰাই কৈছিল—"Man's love is of man's life a part ;
it is woman's whole existance."

মই তেওঁৰ মূৰৰ আধা পকা চুলি কেইডালৰ মাজেৰে হাত বুলাই দিছিলো। তেওঁ লাহে লাহে এটা কেঁচুৱাৰ দৰে সেহাই সেহাই তন্দ্ৰা গৈছিল। মোৰ চকুৰ সন্মুখত খাজিদা বাইদেউৰ বেদনাৰে ভাৰাক্ৰান্ত মুখখন ভাহি উঠিছিল!

কেঁচা আমদালিৰ তলেৰে এঘৰ অচিনাকি মানুহৰ নতুন চোতাল গছকি ন বোৱাৰী হোৱা, এটি শিশুক দহ মাহ দহ দিন গৰ্ভত স্থান দি এদিন মাতৃত্বৰ গৌৰৱেৰে গৌৰান্বিত হোৱা আদি ভাববোৰ সেই ডাক্তৰ জনৰ সান্নিধ্যত বাইদেৱৰ মনলৈ চাগৈ বাৰে বাৰে আহিছিল। কিন্তু সমাজৰ কৃত্ৰিম বান্ধোন তথা ডাক্তৰ জনৰ মানসিক সাহসৰ অভাৱৰ হেতুকে বাইদেউৰ মনত জাগৃত হোৱা সেই ভাবৰাশি সপোন হৈয়েই থাকি গ'ল।

বাইদেৱে নাৰ্চিং ষ্টুডেন্ট হৈ থকা দিনৰে পৰা আজি পৰ্যন্ত অনেক মাতৃৰ প্ৰসৱ বেদনাৰ কাতৰ চিঞৰ শুনিছে। এজনী মাতৃৰ অন্তঃসত্বা অৱস্থাৰ পৰা আৰম্ভ কৰি কেঁচুৱাটি প্ৰসৱ নকৰালৈকে এখনি মাতৃ-হৃদয়ৰ যিখিনি অনুভূতি প্ৰকাশ পায় সেই সকলোখিনি কথাই ভালদৰে জানে। অথচ মই বাইদেউৰ লৈতে একেলগে লেবাৰ ৰুমত

কাম কৰোতে প্ৰসৱ বেদনাত কাতৰ হৈ থকা মানুহ এজনীক কেতিয়াও মাতৃসুলভ মাত এটিৰে শান্তনা দিয়া দেখা নাই। এটি দুটা মাত উলিয়াই চেৰেক্কৈ কথাবাৰ কৈ যোৱা হে শুনিছো—এইজনীয়ে অথনিৰে পৰা ইমান চিঞৰ-বাখৰ কৰি আছে। চিঞৰ-বাখৰ বন্ধ কৰি জোৰ দিলেহে সন্তান জন্ম হ'ব......অথচ সেইজনী বাইদেৱে মোক লগপোৱা পিচত যিদিনাখন মোক কৈছিল—"জানা নিকুন। তোমাক লগ পাই মোৰ এনেকুৱা ভাব হৈছে যেন মোৰ একমাত্ৰ সন্তানটি বহুদূৰত কোনোৱা কনভেণ্ট স্কুল এখনত আছিল। সি বহুদিনৰ মূৰত আজি ঘৰ বিচাৰি আহি বাইদেউ বুলি মোক মাতিছেহি।" সিদিনাখন মোৰ এনেকুৱা ভাব হৈছিল—বাইদেৱে পৃথিৱীৰ সকলোবোৰ মাতৃৰ প্ৰসৱ যন্ত্ৰণা তথা মাতৃত্বৰ গৌৰব একেলগে অনুভৱ কৰিছে। এৰা; এগৰাকী নাৰী জীৱনৰ চাকনৈয়াত পৰি এটি সন্তানক গৰ্ভত স্থান দিব নোৱাৰিব পাৰে, তথাপি তেওঁ মাতৃয়েই—এটি সন্তানক বুকুত স্থান দিয়াৰ মোহ কেতিয়াও পাহৰিব নোৱাৰে।

: নিকুন।

: বাইদেউ!

: ইমান ৰাতি!

: হয় বাইদেউ! কাইলৈ যাম নহয়। সেয়ে ভাবিলো এবাৰ আপোনাক লগ কৰি যাম।

: ও বুজিলো। অথনিৰে পৰা মই তোলৈ চাহ কাপ বনাই বাট চাই আছিলো। অলপ বহচোন চাহ কাপ গৰম কৰি দিওঁ। তই লস্কৰা খাই ভাল পাৱ নহয়। হো এই কেইটা ল। বাটত খাবি।

: বাইদেউ মই যাওঁগে! জীৱনত মই কেতিয়াও আপোনাৰ কথা নেপাহৰো। এয়া বাইদেউ আপুনি কান্দিছে কিয়? মইতো যাবই লাগিব, আপোনাৰ খবৰ সদায় লৈয়েই থাকিম।

: নিকুন।

: বাইদেউ—

: হো—এয়া তোৰ মাণৈ খুউব সক বস্তু এটি দিছো লৈ যা—

: বাইদেউ । এয়া সেন্দুৰ দেখোন ? মায়েতো নিপিন্ধে—বিধবা

: ধেৎ অকবা। তোৰ বিয়াৰ দিন চমু চপা নাই জানো ? হো, মায়ে ইয়াৰ ব্যৱহাৰ জানিব।

: অনুপম।

: নিকুনদা।

: তোমাৰ বাৰু টোপনি আহিছে নেকি ?

: নাই অহা।

: বলাচোন এবাৰ ফোৰ্থগ্ৰেড কলনিৰ ফালে যাওঁ।

: বলক :

: তুমি বাৰু ফোৰ্থগ্ৰেড কলনিখন দেখিছানে ?

: নাই দেখা।

: তুমি কিয়, ইয়াৰ পৰা পাচ কৰি যোৱা অনেক ল'ৰাই ফোৰ্থগ্ৰেড কলনিখন দেখা নাই। এই যে পোষ্টমৰ্টেম কক্ষ আৰু পোষ্ট গ্ৰেজুয়েট হোষ্টেলৰ সমুখেৰে ৰাস্তাটো গৈছে এই ৰাস্তাটোৰ কলেজ প্লে গ্ৰাউণ্ডখন পাৰহৈ বাওঁ হাতে ঘূৰি পূৰলৈ যিটো ৰাস্তা গৈছে সেই ৰাস্তাটোৰে গলেই ফোৰ্থগ্ৰেড কলনিটো পায়। এই পথটোৰে আমাৰ কলেজৰ লৰা কাচিৎহে আহ-যাহ কৰে। বাৰিষাৰ দিনত যোৱাৰ কোনো সাধ্যই নাই—যিহে বোকা। আকৌ একেটা ঘৰতে, একেখন চোতালতে মানুহে-গৰুৱে-গাহৰিয়ে একেলগে বাস কৰে। কেতিয়াবা তুমি বাৰু ধুৰি পট্টিটোত সোমাই চাবাচোন। দৌৰি পলাব লাগিব। অথচ একেখন কলেজৰে প্ৰফেচাৰ কলনিটোতে হেজাৰ-বিজাৰ গাড়ী চলে। কংগ্ৰেছ চৰকাৰৰ দিনত এই বিৰাট বৈষম্যৰ মাজেৰেই দিনবোৰ পাৰ হ'ল। পিচলৈ অইন চৰকাৰে যদি ফোৰ্থগ্ৰেডৰ জনতা বোৰৰ বাবে কিবা চিন্তা কৰে মই নাজানো—দেখিলেহে লেখিম।

: নিকুনদা ?

: কি হ'ল—

: এনাটমী দিচেক্‌চন্ হলটোৰ ফালে চাওকচোন।

: সেই শৱ ৰখা ঘৰটোৰ কাষত মানুহৰ নিচিনা সেইটো কি বস্তু বাৰু।

: এৰা মানুহ যেন লাগিছে—মানুহেই নেকি ?

: মানুহ নহৈ ভূত হলেহে হ'ব। মোৰ বৰ ভয় লাগিছে নিকুনদা

: ছেঃ, ভয় কৰিবলৈ কি আছে। ডাক্তৰৰ আৰু ভয় লাগেনে ? বলাচোন কাষৰপৰা চাই আহোগৈ।

: বাদ দিয়ক, আপোনালোকৰতো কাম নাই আৰু।

: হেৰা এইজন মানুহ হয়হে। এই ৰাতিখন ইয়াত কি কৰিছে ? কোনহে এইজন ?

: চেলাম চাৰ।

: হাঃ ৰে পিয়াৰী দেখোন। ইয়াত এই ৰাতিখন কি কৰিছ ?

: এইছেহি ৰহতা—অ লড়কীকো দেখতা।

: লড়কী ? ক'ত ?

: শোতা হ্যায়। হামাৰ চিমকী। হাৰে চিমকী, চাহাবকো চালাম কৰ।

: অনুপম। এয়া নতুন দিচেকৃচন্ হলটোৰ বাৰান্দাত সঁচকিয়ে এজনী গাভৰু ছোৱালী শুই আছে দেখোন।

: পিয়াৰী—এই ছোৱালী জনী তই ক'ৰ পৰা আনিছ ?

: হাৰে চাব আপ হামাৰ চিমকীকো ভুল গয়া ?

: দেখিয়ে চাব মেৰা বাপ আজ খুউব দাৰু পিয়া আউৰ ঘৰ নহী ৰহতা, অকলা ৰহনা মেৰা বহুত দৰ লগতা। চালা গুণ্ডা লড়কা পথৰ মাৰতা।

: পিয়াৰী তই চিমকীক এতিয়াই লৈ যা।

: আচ্ছা চাব। বাবু চায়—

: হো এইখিনি লৈ যা।

: জী আচ্ছা চেলাম চাব...

কিচকিচীয়া ক'লা চুলিটাৰিৰে গাভৰু এজনী। মোক খা মোক খা চেহেৰা। দুই কাষে দুটা শৱ গৃহ। তাৰ মাজত এই শেষ ৰাতি

শুই আছে। তুমি এইবোৰ দেখি কি ভাবিছা বাৰু? এই যে ছোৱালী জনী তাই আচলতে পিয়াৰীলালৰ কোনো নহয়। আমাৰ এনাটমী হলৰ মৰা শৱ গোটাই দিয়া পিয়াৰীলাল, শ্যামলাল, বংশীলাল হঁতৰ উমৈহতীয়া সম্পত্তি। সিহঁতে কোনে ক'ত পাইছিল নেজানো কিন্তু তাইক আজি সাত বছৰৰ আগতে দিচেক্‌চন্ হলৰ সোমোৱাৰ দিনৰ পৰাই সিহঁতৰ লগত ইয়াত পিট-পিটাই ঘূৰি ফুৰা দেখিছিলো। সাত বছৰৰ আগতে তাই একেবাৰে সৰু ছোৱালী আছিল। ফুট্ ফুটীয়া ক'লা ফ্ৰক এটা পিন্ধি তাই দিচেক্‌চন্ হলৰ মাজে মাজে ঘূৰি ফুৰে। আমি শৰীৰৰ অঙ্গ প্ৰত্যঙ্গবোৰ কাটি কাটি যেতিয়া ফৰ্মেলিনেৰে প্ৰিজাৰ্ভ কৰো তাই তেতিয়া ফৰ্মেলিনৰ বটলটো হাতত লৈ আমাৰ পিচে পিচে ঘূৰি ফুৰে। তাই কানিং হামাৰ ১৪ নং ১৫ নং ছুয়োটা তাওৰণেই চিনি পায়। এজাক হাড়ৰ মাজৰ পৰা স্লেভিকোলডাল বা হিপ বোনডাল উলিয়াই দিবলৈ ক'লে অকনো ভুল নোহোৱাকৈ উলিয়াই দিয়ে। দিচেক্‌চন্ কৰি উঠি ল'ৰাবোৰ যেতিয়া হোষ্টেললৈ গুচি আহে তাই তেতিয়া পিয়াৰীলাল, শ্যামলাল, বংশীলালক দেড্ বডিবোৰ ইলাষ্টিকৰ কভাৰখনেৰে ঢাকি যোৱাত সহায় কৰে। কাম শেষ কৰি সিহঁতৰ লগতে দিচেক্‌চন্ হলৰ চুক এটিত বহি চাটুগুৰা খায়। তাইৰ কাৰণে দিচেক্‌চন্ হলটো যেন এখন খেলৰ উদ্যানহে। আমি প্ৰথম দিনাখন দিচেক্‌চন্ হলত সোমাই "দেড্ বডিৰ" ওচৰত বৰ সংকোচেৰে থিয় হৈছিলো। ভেকেটা ভেকেট গোন্ধটোৱে নাকত খুন্দা মাৰি ধৰাত কৰ নোৱাৰাকৈয়ে পকেটৰ পৰা ৰুমালখন উলিয়াই নাকত সোপামাৰি ধৰিছিলো।

হাতেৰে দেড্ বডিটো চুমনে মুচুম চিন্তা কৰি লাহেকৈ হাতখন থওঁতেই তাই আমাৰ কাষত থিয় হৈ খিলখিলাই হাঁহি দিছিল। হাঁহি হাঁহি তাই কৈছিল "আৰে চাব এইসে নহী এইসে"। এই বুলি তাইৰ সৰু সৰু কোমল হাত দুখন দেড্ বডিৰ ওপৰেৰে বুলাই দিছিল আৰু লগে লগে আমাৰ ওচৰত হাতখন মেলি খুজিছিল—"বাবু পইচা।"

সেই 'চিমকী জনী আজি সাত বছৰৰ পিচত ডাঙৰ হ'ল গাভৰু হ'ল।

তাই আজিকালি দিচেক্চন্ হলটোৰ ভিতৰত পিটপিটাই মুকুৰে। "চেলাম চাব, চেলাম চাব" বুলি পইচা নোখোজে। তাই আজিকালি আমাক দেখিলে অত্যন্ত গহীন হৈ পৰে, প্ৰথম বাৰ্ষিকৰ ছোৱালী কেইজনীয়ে বৰবাৰীৰ মাজ বাটেৰে খোজকঢ়াৰ দৰে খোজকাঢ়ে। মোৰ এটা কথাৰ কাৰণে বেয়া লাগে অনুপম—তাই আজিকালি বস্তিত অকলে থাকিবলৈ ভয় কৰে। বস্তিৰ ল'ৰাবোৰে হেনো তাইলৈ বৰ পোন্দোৰা দৃষ্টিৰে চায়। অথচ তাই আজিকালিও দিচেক্চন্ হলৰ মাজত ৰাতিটো কটাই দিবলৈ ভয় নকৰে। মৃত মানুহৰ চেলা পৰি কোটৰলৈ সোমাই যোৱা চকু বোৰতকৈ জীয়া মানুহৰ বহল বহলকৈ মেলি খোৱা চকুবোৰ বাক বেছি ভয়ৰ কাৰণ নেকি ?

## চাবি

: অনুপম!

: নিকুনদা!

: বলাচোন ৰাস্তাটোৰে অলপ আগবাঢ়ি যাওঁ। এই পিয়াৰীলাল-টোৰ একো বিশ্বাস নাই নহয়; সি যদি মদৰ নিচাত আকৌ বাটতে ক'ৰবাত বাগৰি পৰি থাকে! এই যে পিয়াৰীলাল, শ্যামলাল, বংশী-লালহঁতক দেখিছা ইহঁতৰ কথা মনত পৰিলে মোৰ খুউব দুঃখ লাগে। এইখন কলেজ হোৱাৰ দিনধৰি সিহঁতে দিচেক্চন্ হলত মৰাশৰ গোটাই দিয়ে। দিচেক্টেড পাৰ্টবোৰ ফৰ্মেলিনত প্ৰিজাৰ্ভ কৰে। ৰাতি নাই দিন নাই, সিহঁত দিচেক্চন্ হলৰ বাৰান্দাতে শুই থাকে। মদ আৰু ভাঙে সিহঁতৰ সমস্ত সত্বা সলনি কৰি দিছে। জীৱন্ত মানুহে যেতিয়া ৰাতি-দিন মৃত মানুহৰ লগত সহবাস কৰিবলগীয়া হয়,—তেতিয়া চাগে মদ, ভাং, গাজাৰ আশ্ৰয় লবলগীয়া হয়, সমস্ত মানব সত্বা সলনি কৰি দিয়াৰ উদ্দেশ্যে। সিহঁতৰ জীৱনত এই দিচেক্চন্ হলটোৰ বাহিৰে

কোনো গত্যন্তৰ নাই, কোনো উচ্চ আকাংখ্যা নাই, কোনো লাল-সলনিৰ প্ৰয়োজন বোধ নকৰে। পিয়াৰীলাল জন যে একেবাৰে স্থবিৰ! সি "বাবু চায়, বাবু চায়" বুলি তাৰ চিৰাচৰিত পদ্ধতিৰে হাতখন মেলি পইচা খোজাৰ বাহিৰে আৰু অন্য একো নিবিচাৰে! এবাৰ হেনো পিয়াৰীলালক পেথলজিলৈকে বদলি কৰি নিয়া হৈছিল। সি তাত কোনো মতে এমাহ কাম কৰি এনাটমীলৈ আকৌ গুচি আহিল। তাক সুধিলত ক'লে—"বাবু ইধৰ মেচিন, উধৰ মেচিন ক্যাসে কাম কৰেগা বাবু! হামাৰা য়্যাহী কাম আচ্ছা হ্যায়।"

ক'ববাৰ পৰা নাগাৰাৰ শব্দ আৰু তালৰ চেও ভাহি আহিছে। ফোৰ্থগ্ৰেড কলনিৰ পৰা নেকি? হয় তাৰ পৰাই! এই ফোৰ্থগ্ৰেড্ কলনিৰ মানুহবোৰে প্ৰায়েই নাগাৰাৰ নাম গায় গোটেইটো ৰাতি কটাই দিয়ে। ইমান ৰাতি সিহঁতে নাম গায়ে থাকেনে?

দুমাহ মানৰ আগৰ কথা! এদিন ফোৰ্থগ্ৰেড কলনিত গোটেই ৰাতি নাগাৰাৰ নাম চলি আছিল। নিউ হোষ্টেলৰ একেবাৰে দক্ষিণ শাৰীত থকা মোৰ বন্ধু এজনৰ নাগাৰাৰ শব্দত গোটেই ৰাতি টোপনি অহা নাছিল। তেওঁ পিচদিনাখন ৰান্ধনি ল'ৰা এজনক মাতি আনি ধমকিৰ সুৰত সুধিলে "তহঁতে গোটেই ৰাতি এইবোৰ কি হাল্লা কৰি থাক। আমাৰ টোপনি চোপনি নাই বুলি ভাবিছ নেকি? ৰান্ধনি ল'ৰাজন সেই দিনাখন বৰ উৎফুল্লিত হৈ আছিল। যোৱাকালি সি সাতজোৰ তাল একেলগে ঘুৰাইছে। গোটেই ফোৰ্থগ্ৰেডৰ মানুহ-খিনিয়ে তাক বাহঃ বাহঃ দিছে। তাৰ বিৰাট নাম হৈ গৈছে কল্পনা কৰি আছিল—হোষ্টেলৰ বাবুবোৰে তাক চাগে কব—"কি অ ৰমেশ তই বোলে একেলগে সাতজোৰ তাল...... ।"

কিন্তু তাৰ চিন্তাৰ পৰিবৰ্তে এনেকুৱা ছুটা মাতৰ কথা শুনি তাৰ খঙে মূৰৰ চুলি আগ পালে। মুখেৰে গোৰ গোৰাই উঠিল—"আমিতো আৰু বিস্নাত উঠি চিনেমা চাই ঘূৰি ফুৰিব নোৱাৰো দৰমহা পাওঁ মাত্ৰ ৪০ টকা। চিনেমা চাই থাকিবলৈ কত পইচা ভাল আছে। নাম চাম গায়েই থাকিব লাগিব।"

মোৰ বন্ধু জনে অৰ্থনৈতিক কাৰণবশতঃ দমন হৈ থকা ৰমেশৰ সৌন্দৰ্য পিপাসু মনটোৰ কথা বুজি নেপালে। গোন চাতেই ভাতৰ পাতৰ পৰা উঠি আহি ঠাচ ঠাচ কৈ তাক দুটামান চৰ সোধাই দিলে। মুখেৰে গেৰ গেৰাই উঠিল—"বদমাইচ। কথা ক'বলৈ শিকিছ।" মোৰ বন্ধু জনতকৈ ৰমেশ চাৰি-পাঁচ বছৰে ডাঙৰ আছিল যেন পাওঁ।

## চাৰি

এই ডেমনষ্ট্ৰেটৰ কলনিৰ পৰা নিউ হোষ্টেলটোৰ ফালে চোৱাচোন! বৰ অচিনাকি অচিনাকি নেলাগেনে? এতিয়া ৰাতি প্ৰায় দুটা বাজিছে। ইমান ৰাতি চোৱাচোন এই ফালৰ শাৰীটো দিন যেন পোহৰ হৈ আছে। প্ৰত্যেকটো কোঠাতেই লাইট জ্বলি আছে। গোটেই ৰৰবাৰীক গৰ্ভস্থ কৰি থৈ দিয়া ডাঠ কুঁৱলী ফালি ফালি সেই কোঠাবোৰৰ পৰা ভাহি অহা পোহৰখিনি কেনেকুৱা লাগিছে বাৰু? ঠিক যেন কোনোৱা পাহাৰৰ মাজে মাজে বৰ সতৰ্কভাবে নিঃশব্দে পাৰ হৈ যোৱা নিশাৰ ৰেলগাড়ী এখন হে! টুপ-টাপ নিয়ৰৰ টোপালৰ শব্দবোৰো যেন তাৰপৰা শুনা যাব! ইমান ৰাতি কোঠাবোৰৰ লাইট জ্বলি থকা দেখি তুমি বাৰু আচৰিত হৈছা নেকি? এতিয়া তুমি গৈ যদি চোৱা দেখিবলৈ পাবা একেটা কোঠাত তিনি চাৰিজন ল'ৰা বহি "বেইলি এণ্ড লাভৰ" পাত লুটিয়াই আছে; মেডিচিনৰ নোট মুখস্থ কৰিছে। দুমাহমান পিছতেই ফাইনেল পৰীক্ষা হ'ব। নানান জনৰ নানা চিন্তা। কোনোবা জনে পজিচন পোৱাৰ কথা চিন্তা কৰিছে। কোনোবা জনে আকৌ কথামপি বেৰখন পাৰ হোৱাৰ কথাকেই চিন্তা কৰিছে। "থিয়ৰি", "অৰেল",' "প্ৰেক্টিকেল" আটাইবোৰৰ বাবে প্ৰস্তুতি জানো ইমান সহজ? তাতে আকৌ কেতিয়াবা দেখিছো যে "অৰেল"ত এনেকুৱা প্ৰশ্ন এটি শুধি দিব তুমি কোনো দিনেই

তাৰ নামেই শুনা নাই। পৰীক্ষকে লাহেকৈ কৈ দিব Come after Six months. তোমাৰ পৰীক্ষাৰ খবৰ শুনি ঘৰত আটাইবোৰ বজ্ৰাহত। অথচ এই ল'ৰাবোৰৰ কষ্ট দেখিলে তুমি আচৰিত হৈ যাবা। এই পৰীক্ষাৰ সময়চোৱাত কোনেও কাকো চিনি নোপোৱা হয়। কিমান দিন উজাগৰে কটাই দিবলগীয়া হয়। থিয়ৰি পেপাৰবোৰ কোনো মতে পাৰ হৈ যায়। প্ৰেক্টিকেলটোতে আটাইতকৈ ডাঙৰ লেঠা। কোনোবাজনৰ Examination-ৰ Method কোনোবা জনৰ লগত নিমিলে। অথচ তুমি ডাক্তৰ হৈ ওলোৱাৰ পিচদিনাৰপৰা এইবোৰৰ বিশেষ প্ৰয়োজন নাইকিয়া হয়। বেমাৰী থিয় হৈ থকা অবস্থাতেই লভাৰ পালপেট কৰে।

পৰীক্ষাৰ আগদিনাখন ইন্টাৰ্নি ডাক্তৰ হাউচ চাৰ্জনৰ গাত ভৎ নাইকিয়া হয়। লংকেচ, চৰ্টকেচৰ লিষ্টবোৰ পৰীক্ষাৰ্থীতকৈ তেওঁলোকৰেই সৰসৰীয়া হৈ যায়। তাৰোপৰি পৰীক্ষাৰ্থীবোৰক গধূলি ক্ৰমে ক্ৰমে গৈ অভয়বাণী শুনাব লাগিব— "আমি আছো। ভয় নাই।" পৰীক্ষাৰ্থীৰ মুখত পানী বহুদিন আগৰ পৰাই নাই কি এক ভীষণ সংগ্ৰামৰ সন্মুখীন। এপ্ৰণটো পিন্ধি উঠি এনেকুৱা অৱস্থা যেন সিদিনাখন ফেইল কৰিবলৈহে যোৱা হৈছে। পৰীক্ষাবোৰ আকৌ এমাহ মান পিচুৱাই যোৱা হলে।···কোনোৱাজনে হেপাৰ্টো স্পেল্‌নোমেগালিৰ আচল কাৰণ কেইটা ক'ব নোৱাৰিলে, কাৰবাৰ knee jerk-ৰ কটভেলু মুখৰপৰা ওলোৱা নাই ; কোনোবাই পটংগিয়া চাৰৰ ওচৰত মুখেৰেই মাতিব নোৱাৰিলে, কোনোবাজনে চাৰ্জাৰীৰ Instrument এটাও দেখুৱাব পৰা নাই। কোনোবাজনে অভিযোগ কৰিছে— "পৰীক্ষাৰ দুদিন আগতে গোটেই গাল Instrument একেদিনাই দেখুৱালে বাক মনত থাকেনে?" কোনোবাজনৰ পেথলজি প্ৰাইদ কেইখন ৬ বাৰ পৰীক্ষা দিও বাহিৰ নহ'ল। নানান জনৰ নানান সমস্যা। কোনোবাজনে পৰীক্ষা নিদিয়াকৈ ঘৰলৈ গুচি গৈছে, কোনোবা জনৰ ডিপ্ৰোচিভ চাই-কোচিচ—গোটেই ৰাতি বহি কৰি চিক ৰুমত পৰি আছে। কোনোবা জনে লোকৰ কথা কৈছে—

কোনোবা জনে সন্দেহ প্ৰকাশ কৰিছে—কেতিয়াবা কোনোবা জনৰ কটাক্ষ দৃষ্টিত পৰা বুৰঞ্জী আছে নেকি? ক'ব নোৱাৰি ৰৰবাৰীৰ পিচল বাট—Life itself is slippery.

## পাঁচ

অথচ এই পথটোত থিয় হৈয়েই তুমি এদিন শুনিবলৈ পাবা সৌ নিউ হোষ্টেলটো মুখৰিত হৈ অগা—বিহুগীতৰ সুৰ, ঢোলৰ চেও পেঁপাৰ মাত, ভাওনাৰ বচন। এই বাটটোৰেই ছুটিয়াই যায় ফাকুগুৰি ফাগুনৰ পচোৱাৰ সতে।

ৰৰবাৰীৰ বুকুৰ বিভিন্ন সময়ৰ বিভিন্ন পৰিবেশ মানুহৰ জীৱনত সঁচাকৈয়ে চিৰস্মৰণীয়। আজি দেখিছা এই নিউ হোষ্টেলটো শীতকালৰ সাপ এডালৰ দৰে পৰি আছে, অথচ কলেজ উইক অহাৰ লগে লগে নাইবা কলেজ ইলেকচন অহাৰ লগে লগে দেখিবা কাৰ গাত তৎ নাইকিয়া হয়। ফুটবল খেলাৰ বতৰ আহিলে, শঙ্কৰদেৱৰ তিথি আহিলে দেখিবলৈ পাবা মেডিকেল কলেজৰ এই লৰা কেইজনৰে গাত তৎ নাইকিয়া হয়।

মোৰ ইলেকচনৰ বছৰ কেইটা বৰ সুন্দৰকৈ মনলৈ আহিছে। এইখিনি সময়তে ৰৰবাৰীৰ আকাশৰ ৰং সম্পূৰ্ণ হৈ যায়। হোষ্টেলত কাৰো সমুখত কিতাপৰ পৃষ্ঠা মেল খাই নাথাকে। লাগিলে তেওঁ ব্ৰহ্মাণ্ডৰ কবিৰাজ হওক, লাগিলে তেওঁ গোটেই ৰাতি লাইট জ্বলাই ফাৰ্মাকলজিৰ ক্লাচিফিকেচন মুখস্থ কৰক। তথাপি এই কেইটাদিন কাৰৈয়ে বগুৱা বোৱাৰ দিন। মাছৰ উজানৰ দিন। এই কেইটা দিনতে এজন কমমেটে আনজন কমমেটৰ লগত ৰাতি দুটা বজাতো এন্ধাৰতেই কথা পাতে—"বুজিছ ছেত্ৰী! লুকুক জিকাবই লাগিব। কিবা কাৰণত সি হাৰি যাব লাগিলে, ৰৰবাৰীত আৰু আমাৰ ইজ্জত নাথাকিব। নতুন ল'ৰাবোৰৰ ব্ৰেইন ওৱাচ কৰিবলৈ

নানান কৌশলৰ প্ৰয়োজন ; খুউব আপোন হৈ লব লাগিব, নতুন ল'ৰা-ছোৱালীৰ নামবোৰ মুখস্থ ৰাখিব লাগিব ; লগ পোৱাৰ লগে লগে হাঁহিমুখে নাম কাঢ়ি মাতিব লাগিব···।” আনজনে আহি ক'ব—“বুজিছ ইচমাইল তোৰ “এপ্ৰচটো” স'চাই বৰ ভাল। আজি গধূলি ওলাবিচোন টাউন হোষ্টেললৈ। নলবাৰীৰ ল'ৰা কেইজনৰ বাবে বৰ্মনদাক কৈ থৈছো। যোৰহাটৰ কেইজন তয়েই পাৰিবি। ইলেকচনৰ আগদিনা ৰাতি তই হলে টাউন হোষ্টেলতেই থাকিব লাগিব দেই। এটি কেনভাচ চলিব পাৰে।”

ঠিক এনেকুৱা এটা মাহতেই এজন ৰুমমেটৰ লগত আন এজনৰ কেণ্ডিদেট চিলেকচন লৈ মনোমালিন্য ঘটে। এজনে আনজনৰ লগত কথা-বতৰা কোৱাত গহীন হৈ পৰে। নিজৰ নিজৰ কেণ্ডিদেটৰ গুণানুকীৰ্তন অ'ৰম্ভ কৰে—কলেজখনলৈ কাৰ কিমান কন্‌ট্ৰিবিউচন তাৰ সাক্ষ্য দিয়ে। অৱশেষত দুয়োজনৰ মাজত কিছুদূৰ উষ্ণতৰ মাত কথাৰ ইলুটি সিলুটি চলে ; আৰু এটা সময়ত দুয়োজনে ভাত-পানী নোখোৱাকৈ, লাইট অফ্ নকৰাকৈ আনাক আঁঠুৱাখনো নেপে-লোৱাকৈ টোপানত লালকাল দিয়ে। বৰবাৰীৰ মহে সিদিনাখন বৰ ভোজ পাতে।

* * *

গায়ন, বায়ন সমাদৃত হৈ শঙ্কৰদেৱৰ তিথিৰ এমাহ আগৰে পৰা কলেজ অডিটৰিয়ামত “শকুনিৰ প্ৰতিশোধ”ৰ ভাওনাৰ আখৰা চলে। শঙ্কৰদেৱৰ তিথিৰ দিনটো ৰাতিপুৱাৰে পৰা উষা কীৰ্তন। দুপৰীয়াৰ কীৰ্ত্তন, আলোচনা চক্ৰ আৰু ৰাতিলৈ অধ্যাপক, ছাত্ৰ আটায়ে লগ লাগি অডিটৰিয়ামৰ মাজ মজিয়াত হাতত গদালৈ নাচি নাচি ভাও-নাৰ বচন মাতে—শকুনিৰ প্ৰতিশোধ, দুঃশাসনৰ ৰক্তপান, কংসবধৰ ভাওনা! এনেকুৱা এটি মাহতেই ভীমৰ ভাওলোৱা শৈল্যচিকিৎসাৰ অধ্যাপকে সন্ধিয়াৰ পৰত অডিটৰিয়ামলৈ আখৰা কৰিবলৈ আহোতে আনহাতে কোটৰ পকেটত সযত্নে এটুকুৰা মমবাতি আৰু জুইচেলাই

এটা কোনেও গম নোপোৱাকৈ লগত লৈ ফুৰে—হঠাৎ যদি বিজুলি বাতিৰ বিজুতি ঘটি অডিটৰিয়ামৰ লাইট মুমাই যায় ;—আথৰা জানো বন্ধ থাকিব ? আথৰাৰ অন্তত ঘৰলৈ গৈ নাকে-মুখে গুজি ভাত কেইটা খাই বিচনাত ঘোঁৰা বাগৰ দিওঁতে এক গভীৰ চিন্তাত নিমগ্ন হয়—“দুঃশাসনৰ ৰক্তপানৰ দৃশ্যটো আটাইতকৈ ভাল হব। “পাঞ্চালী” “পাঞ্চালী” বুলি দুঃশাসনক গদাৰে কোবাই মাটিত পেলাই দিয়াৰ পিচত ৰভাঘৰ ৰজন জনাই হাততালি পৰি উঠিব। কিন্তু সিদিনাখন যদি “ইমাৰ্জেঞ্চি”ৰ দিন হয় আৰু ঠিক সেইখিনি সময়তে যদি “Acute Abdomen”ৰ কেচ এটা আহি ওলায় আৰু যদি মুহূৰ্ততে মাইকত ভাহি আহে—ঃ এটেই নখন প্লিজ ! প্ৰফেছৰ··· ।”

*　　*　　*

কলেজ সপ্তাহটোৰ এমাহ আগৰে পৰা তুমি ৰৰবাৰীৰ চাৰিওফালে ঘূৰি চোৱা। এনাটমী লেকচাৰ হ’ল, ফিজিয়লজি লেকচাৰ হ’ল, পোষ্ট গেজুৱেট বিল্ডিং সকলোতে আথৰা চলিছে। অধ্যাপক,ছাত্ৰ, ফোৰ্থগ্ৰেডৰ কৰ্মীবৃন্দ কোনেও বহি থকা নাই। বছৰৰ পাৰ্বনটোত সোৰমেপাচাড়েৰে পূজাৰ নৈৰাজ্য সকলোৱে আগবঢ়াইছে। একাঙ্কীকা নাটকৰ দাইলগ, ভাওনাৰ বচন,বিহুগীতৰ ঢোলৰ চেও, সত্ৰীয়া নাচৰ তাল,উচ্চাঙ্গ সঙ্গীতৰ সুৰে ৰৰবাৰীৰ আকাশ-পাতাল খলক লগাই তুলিছে। তুমি আচৰিত হৈ যাবা অনুপম যেতিয়া তুমি দেখিবা যে দিনে-ৰাতিয়ে চিকিৎসাশাস্ত্ৰৰ দৰে কঠিন অধ্যয়নত ব্যস্ত হৈ থকা, শৱব্যবচ্ছেদন কক্ষত মৃতদেহৰ মাংস পেশীৰ আঁহ বিচৰা সেই একেজনা ব্যক্তিয়ে গান গাব পাৰে, অভিনয় কৰিব পাৰে, খোলৰ চেৱে চেৱে নাচিব পাৰে আৰু কোনোবা আশী বছৰীয়া ভেটাৰ্ণ পলিটিচিয়ানৰ দৰে দেশৰ সমস্যাৱলীৰ ওপৰত যুক্তি-তৰ্ক কৰিব পাৰে। আজি যদি কোনোবা মানসিংহই অসম আক্ৰমণ কৰিবলৈ আহিলহেঁতেন আৰু ৰৰবাৰীৰ বুকুৰ এই কলেজ সপ্তাহটো আলেঙে আলেঙে লক্ষ্য কৰিলেহেঁতেন তেওঁ চাগে মন্তব্য কৰিলেহেঁতেন, “এইখন কলেজৰ একেজন ব্যক্তিয়ে অপাৰেচন থিয়েটাৰত অস্ত্ৰ নলীৰ ঘা বিচাৰিবও জানে, ৰঙ্গমঞ্চত হৃদয় পৰশা অভিনয় কৰিবও জানে··· ।’

# ছয়

"Life is made up, not of great, sacrifices or duties, but of little things, in which smiles and kindness and small obligations, given habitually are what win and preserve the heart and secure comfort."

—Sir ft. Davy.

: অনুপম !

: নিকুনদা !

: মোক বারু এষাৰ কথাৰ উত্তৰ দিয়াচোন ?

: কি কথা ?

আমাৰ এই কলেজ কেন্টিনখন বৰবাৰীৰ "হার্ট" নে "টাং" ?

: হার্ট !

: নহয়, মই কৈছো "টাং" !

: কেলেই ?

: Tongue is said to be the Index of gastrointestinal system ; তেনেদৰে কলেজ কেন্টিনখনো বৰবাৰীৰ বুকুৰ সম্বাদৰ Index. বৰবাৰীৰ বুকুৰ আমাৰ জীৱনৰ বিগত দিন কেইটাৰ সৰু সৰু টুকুৰা টুকুৰা কিছুমান কথা, যিবোৰ হয়তো জীৱনৰ মূল্যাংকন কৰোতে বিশেষ কোনো কামতেই নাহিব, তেনেকুৱা অনেক কথা এই কেন্টিনখনৰ প্ৰতিটো চুকতেই বিজৰিত হৈ আছে। আৰু মই ভাবো আমি সেইবোৰক লৈয়েই জীয়াই আছিলো। এইখন কেন্টিনৰ সৌমাজৰ এখন চকিত বহি থাকিয়েই কোনোবা এজন ছাত্ৰৰ হাতত মাহৰ শেষৰ দিনটোত এটকা আছেনে এপচা আছে তুমি এক বিশেষজ্ঞৰ দৰে কৈ দিব পাৰিবা। এই কেন্টিনখনৰ বাৰন্দাত থিয় হৈ বৰবাৰীত নতুনকৈ প্ৰেমৰ জোৱাৰত উটি যোৱা ডেকা গাভৰু হালৰ বিতং খবৰ তুমি অনিচ্ছা স্বত্বেও শুনিবলৈ পাবা আৰু যদি তন্ন তন্নকৈ লক্ষ্য কৰা তেন্তে বৰবাৰীৰ বুকুত খোজকাঢ়োতে এজন ছাত্ৰৰ জীৱনলৈ অহা প্ৰতিটো দিনৰ পৰিবৰ্তনৰ ই যেন এখিলা বুৰঞ্জীৰ পাত।

এইখন কেন্টিনৰ এটি চুকৰ চকি এখনত বহি জুলাই বা আগষ্ট মাহৰ কোনো এটি প্ৰভাতত দেখিবলৈ পাবা—বৰবাৰীত কেইখন মান নতুন মুখ, নতুন ঘৰত ন-কইনাজনীৰ খোজেৰেই সিহঁতৰ খোজ। হাতত এপ্ৰণটো লৈ ভয়ে ভয়ে সোমাইছে প্ৰতিটো খোজৰ, প্ৰতিটো চাৱনিতেই এক বিশেষ সতৰ্কতা—চাৱনীত ভয়, খোজত ভয়, কথাত ভয়—চকুৰ ঈঙ্গিতেহে ইজনে সিজনে কথা পাতিছে,—"দিচেকচন হলত সোমাবৰ সময় পাৰেই হৈ গ'ল। চাহৰ কুপন এতিয়াও হাতত পৰা নাই অথচ সৌজাকে দেখোন হেঁচা-ঠেলা কৰিয়েই কুপন কাটিছে। ইমান বিসদৃশ হ'ব লাগেনে? আমি যেনিবা মানুহেই নহওঁ।"

অথচ এদিন দেখিবলৈ পাব,—সেই ন-কইনাৰ খোজৰ ল'ৰা-ছোৱালীবোৰৰ জীৱনলৈ এক বিৰাট পৰিবৰ্তন আহিছে। সিহঁতৰ ভীতি-শঙ্কা, সতৰ্কতা সকলো আঁতৰি গৈছে। আৰু এদিন দেখিবলৈ পাবা যে সিহঁতেই এদিন ভৰ দুপৰীয়া হাতৰ এপ্ৰণ, ষ্টেথ, বহী-পত্ৰ চকিত পেলাই থৈ এক বিশেষ ভঙ্গীৰে চিগাৰেট হুপি কেন্টিনখনৰ সোঁমাজৰ টেবুলখনত চাহৰ কাপ থৈ লাহে লাহে চাই সেৰেকা হৈ যোৱালৈকে কথা পাতি পাতি চাহ খাইছে—দিফাৰেনচিয়েল দায়েগনচিচ, ৰাজনীতি, সমাজনীতি, অৰ্থনীতিৰ অনেক কথা। কেন্টিনত আৰম্ভ হোৱাৰ প্ৰসঙ্গকে হোষ্টেললৈ ওভতাৰ পথত আলচি আলচি লৈ হোষ্টেলৰ বিচনাখনত বহী-পত্ৰ দলিয়াই দি কিবা এক অৱসাদ আঁতৰাৰ কথা খন্তেকৰ বাবে হলেও উপলব্ধি কৰিবলৈ খোজোতে হঠাৎ নিজৰ চিন্তাতে নিজে উজুতি খাই পৰিছে—ষ্টেথ' ডাল দেখোন কেন্টিনতেই এৰি থৈ আহিছে। মে'ডিচিনৰ লেকচাৰ বহীখন অইন কোনোবা এজনৰ লগত সালসলনি হৈছে। কাৰবাৰ এপ্ৰণটো অইন কোনোবা এজনৰ লগত সলনি হৈছে। পিচদিনাখন কলেজ কেন্টিনৰ পুৰকালৰ বেৰখনত গোট গোট আখৰেৰে জাননী—To whom it may Concern……ইত্যাদি?

হেৰোৱা ষ্টেথ' ডাল বিচাৰি পাইছে। বহীকেইখনো ইজনে সিজনে

সালসলনি কৰি লৈছে। এপ্ৰণকেইটাও তদ্ৰুপ আৰু এদিনাখন দেখা গৈছে তেওঁৰ বহী-পত্ৰ, এপ্ৰণ আদি কলেজ-কেণ্টিনত হেৰোৱাৰ ভয় সমূলি নাইকিয়া হৈছে। তেওঁৰ হাতৰ একমাত্ৰ ষ্টেথ'জালকে ঘূৰাই ঘূৰাই আহি কেণ্টিনত চাহ খাই থাকোতে ইজনে সিজনক কৈছে "বুজিছনে ? এক্ষে ক্লাচৰেই ল'বা আছিলো। ছমাহ আগতেই পাচ কৰি চিনিয়ৰ হাউচ চাৰ্জনটো হ'ল বুলিয়েই সি ওৱাৰ্ডত ইমান টাও মাৰিব লাগেনে ? আনজনে প্ৰত্যুত্তৰ দিছে—"বাদদে দুদিন পিচত আমাৰো দিন আহিব।" শেষ হৈ যোৱা সিগাৰেটটোৰ "লাষ্ট পাফ"টো খুজি এজনে সুধিছে —"অ' তই ক'ত চিনিয়ৰ কৰিবি অ' ?" জ্বলিথকা সিগাৰেটৰ শেষৰ টুকুৰাটো আঙুলিৰ ফাকত ঘূৰাই ঘূৰাই আনজনে উত্তৰ দিছে—"মই হলে চাৰ্জৰীতেই কৰিম বুলি ভাবিছো।" আনজনে মুখ ভেঙুচাই উত্তৰ দিছে—"চাল্লা এতিয়া চাৰ্জাৰীত চিনিয়ৰ কৰিবলৈ আহিছ ? দেখিছিলো নহয় আগতে কিমান দিন ও-টিত সোমাইছিলি। তাতে আকৌ চৌধুৰী চাৰ আহিলে একেবাৰে পিচত থিয় দি থাক। এদিন যে ক্লিনিকচত চৌধুৰী চাৰে তোক এপ্ৰণত ধৰি টানি আনি সুধিছিল—"What should be the relationship between a medical student and a teacher ?" আমি যে একো উত্তৰ দিব পৰা নাছিলো। চাৰে যে আমাক গালি পাৰি পাৰি উত্তৰ দিছিল—"Like a postal stamp in a post card."

খন্তেক পাচতে চিনিয়ৰ হাউচ চাৰ্জন, পোষ্ট গ্ৰেজুৱেট ষ্টুডেণ্ট, ৰেচিদেণ্ট চাৰ্জনৰ হাঁহি হাঁহি কেণ্টিনত পদাৰ্পণ। চিনিয়ৰ হাউচ চাৰ্জনে আজি "এবডমেন" অপেন কৰিছে। প্ৰফেচাৰে হাতত ধৰি ধৰি শিকাই দিছে। আটায়ে তেওঁক জোৰ কৰি ধৰিছে—চাহখুৱাব লাগিব। এৰা, প্ৰফেচাৰৰ কাৰণে "এবডেমেন অপেন" কৰাটো ভাতৰ লগত পানীখোৱা কথা হ'ব পাৰে, কিন্তু তেওঁৰ কাৰণে বুকু কঁপি যোৱা কথা। প্ৰত্যেকটো নিমিষতেই কিমান সতৰ্কতা। হাত ধোওঁতে অতি কমেও বিশ মিনিট সময় বুকজ মাৰিব লাগিব ; হাতখন মচিবলৈকে

ষ্টেৰিলাইজড্ টাৱেল উলিয়াবলৈ ভৰিবে "লিভাৰ" ডাল হেঁচা মাৰি ধৰি জাৰটো খুলিব লাগিব; এপ্ৰণটো পিন্ধোতে হাত তুখন সোমাই লৈ কঁকাল বন্ধনী তুডাল হাতত লৈ এক বিশেষ সতৰ্কভাৱে চিষ্টাৰলৈ বৈ থাকিব লাগিল; চিষ্টাৰে আহি সাউৎ কৰে কঁকাল বন্ধনী তুডাল হাতত লৈ একে নিমিষতে বান্ধি দিয়াৰ পিচত ওপৰলৈ হাত তুখন তুলি গ্লোভচ পিন্ধিবলৈ যাব লাগিব। মাস্কখনেৰে মুখ ঢাকোতে যদি ভুলত নাকটো ওলাই থাকে অধ্যাপকে লগে লগে ধমকিৰ সুৰত ক'ব—"Is your nose sterilised ?"

ইমানবোৰ সতৰ্কতা অৱলম্বন কৰাৰ পিচত যেতিয়া প্ৰথম বাৰৰ বাবে জীয়া মানুহৰ পেটটো ফলাৰ সৌভাগ্য ঘটে ই কম লোমহৰ্ষক কাহিনী হ'ব পাৰেনে ? অৱশ্যে লাহে লাহে সকলো উজু হৈ যাব। আৰু কোনে জানে কিজানি তেৰেঁই এদিন এজন ডাঙৰ চাৰ্জন হৈ আহি এফালৰ হাৰ্টৰ চেম্বাৰ আনফালে ঘূৰাই দিব পৰা হয়। সেইখিনি হোৱাৰ আগলৈকে জীৱনত কিমান হাৰ্ডল জপিয়াই পাৰ হ'ব লাগিব। মেডিকেল কলেজৰ জীৱনটোৱেই হাৰ্ডল ৰেচ। অজান দেশত এলিচৰ কৌতূহলপূৰ্ণ কাহিনী। কিয়, প্ৰথমদিনাখন অপাৰেচন থিয়েটাৰটো দেখাৰ লগে লগে সাধু কথাত বৰ্ণিত আলিবাবাৰ গুপ্ত মহলটো যেন নেলাগেনে। পিচলৈ দেখোন সেইটোৱেই একেবাৰে শোৱনী কোঠা যেন লগা হয়।

চিনিয়ৰ হাউচ চাৰ্জনে আজিকালি "হাইড্ৰচিল" অপাৰেচন কৰোতে অধ্যাপকে মতাৰ দৰেই চুন্দুক চিঞৰি মাতে—"এই চুন্দু, লাইট........।" অ'টি বয় চন্দুৱে অপাৰেচন টেবিলত লাইটটো ঠিক কৰি দি কি ভাবে বাৰু ? ৰাতি শুবৰ সময়ত ঘৈণীয়েকৰ লগত কি কথা পাতে বাৰু ? সি চাগে দম্ভ মাৰি কয়—"বুজিছা ! মই নহলে কলেজত চব অপাৰেচন বন্ধ হৈ যাব।"

চিনিয়ৰ হাউচ চাৰ্জনে বিজয় উল্লাসত উল্লাসিত হৈ চাহ খুৱাই থাকোতে একেবাৰে চুকৰ টেবিলখনত তেওঁৰেই এসময়ৰ সহপাঠী কেইজনমান বহি চাহ একাপ হাতত লৈ চিন্তা কৰে—"বিজিজন ক্লাচ

আৰু কিমান কৰিবি অ"। লগৰ ল'ৰাই "চিনিয়ৰ" কৰিলে। ঘৰ-খনক আৰু কিমান শাস্তি দিবি অ'। এইবেলিও এইটো নিচিগিবহে যেন পাওঁ।"

জাক জাক ল'ৰা খালি হৈ থকা টেবিল-চকী এখন এখনকৈ ভৰ্তি হৈ পৰে। চাহ কাপত চুমুক দি কথাৰ মহলা মাৰে; অনেক কথা—বৰবাৰীত এটা সাহিত্য চ'ৰা পাতিব লাগে। পাৰিলে এখন মাহেকীয়া আলোচনী উলিয়াব লাগে—ইমানবোৰ টেলেণ্টেদ্ ল'ৰা আছে, সিহঁতৰ চিন্তা-চৰ্চাবোৰ অথলে যাব দিব নোৱাৰি। মেডিকেলৰ ছাত্ৰই ভাল গল্প-কবিতা লিখে বুলি বাহিৰত এটা নাম আছে। কেইজনমানে কেন্টিন-খনৰে এটা চুকত "ওৱাল মেগাজিন" এখন উলিওৱাৰ কথা চিন্তা কৰে। কোনোবা এটা দলে অৰ্কেষ্ট্ৰা দল এটা খোলাৰ কথা আৰু অন্য এটা দলে টোকাৰী এখন লৈ আকাশবাণীত বৰাগী গীত গোৱাৰ কথা কল্পনা কৰে। কথাৰ মাজতে অন্য এজনে প্ৰসংগ সলনি কৰে—"আগন্তুক ক্ৰিকেট খেল খনত তই যদি অন্ততঃ ছয়টা বাউণ্ডাৰী কোবাব নোৱাৰ তোক আমাৰ দলৰ পৰা একেবাৰে উলিয়াই দিম......।"

হঠাৎ সকলোৰে দৃষ্টি বন্ধ হৈ যায় বৰ বেগেৰে কেন্টিনলৈ সোমাই অহা বন্ধু এজনৰ ওপৰত। পিচে পিচে অচিনাকি মুখৰ অইন দুজন মানুহ। কথাত মচগুল হৈ থকা সত্ত্বেও ফাইনৰ এজনে বন্ধুজনক মাত লগায়—"কি অ' কলিতা? বৰ চিৰিয়াচকৈ সোমাইছ দেখোন? লাঠি-চাৰ্জ নেকি?"

কলিতাৰ মুখ গহীন। ফাইনৰ কাষচাপি চকী এখন টান মাৰি আৰম্ভ কৰিব—"নকবি ভাই! কালিৰ পৰা ব্লাড বিচাৰি হাবাথুৰি খাইছো। এল্ পি স্কুলৰ চাৰ আছিল। Carcinoma Oesophgurs একেবাৰে Tracheo-oesophogeal fistula হৈ গৈছে। চৌধুৰীচাৰে Bypass অপাৰেচন এটা কৰিব খুজিছে। তিনিবটল ব্লাড লাগে। বি গ্ৰুপৰ! ব্লাডবেঙ্কত বহি থকা কেইজনৰ চাৰ্জ বৰ বেছি। কালিৰে পৰা ক্লাচ-টাচ সব বাদ দিছো। বৰ বিপদ বুজিছনে?......।"

কলিতাৰ সমস্যাটো নিমিষতে ফাইনৰ আটাই কেইজনে বুৰ পাতি

লগে। ফাইলৰ বচ্ হাজৰিকাই গহীনত আশ্বাস দিলে—“হাবে মই থাকোতে তই কিয় চিন্তা কৰিছ? এতিয়াও তো পৰীক্ষাৰ সময় আহি পোৱা নাই। মোৰ পৰা লৈ যাবি—থ্ৰি-হান্ড্ৰেড চি-চি! তোৰ চাৰ কিবা মোৰ চাৰ নহয়নে?”

কলিতাই স্বস্তিৰ নিশ্বাস কাঢ়ে। লগে লগে ফাইলৰ মাজত এক গভীৰ আলোচনাচক্ৰ আৰম্ভ হয়—“এই বেলি বিহুত ষ্টাফৰ ঘৰে ঘৰে হুচুৰী গাই চাঁদা তুলি “পুঅৰ ফাণ্ড” এটা খুলিব লাগিব। কিমান মানুহে তেজৰ অভাৱত তেজ এবটল কিনিব পৰা নাই।

দুদিন আগবে পৰা ব্লাডবেঙ্কত তেজ বিক্ৰি কৰিবলৈ বোন্দাপৰ দি বহি থকা গাঁৱলীয়া মানুহ কেইজনে কেন্টিনৰ এটা চুকত বহি আলোচনা কৰে—“যোৱা কালিবে পৰা বহি থাকিলো এঠাইতো বিক্ৰি কৰিব নোৱাৰিলো। যোৱাকালিৰ পৰা চকুৰ তললৈ জুইৰ পোহৰ যোৱাই নাই! দেহাৰ তেজ টোপালৰ বাহিৰে বিকিবলৈ ঘৰত ফটা-কানি এখিলাও নাই।”

হঠাৎ জমি থকা কেন্টিনখন শান্ত হৈ পৰে। ল’ৰা-ছোৱালীৰ খোজ কাটলত আগৰ চঞ্চলতা নাই। সাহিত্য, ৰাজনীতি সকলো তল পৰি যায়। হাতত চাহৰ ফ্লাস্ক লৈ বয়বোৰহে আহ-যাহ কৰে। ববাৰীত পৰীক্ষাৰ বতৰ। দুৰমুৰ কৈ কেন্টিনত চাহ কাপ খাই অডিটৰিয়ামলৈ দৌৰ মাৰোতে কাষৰ টেবিলখনৰপৰা বিশেষ ভঙ্গীৰে চিগাৰেট টানি থকা ইণ্টাৰণি কেইজনৰ মুখৰ পৰাঅতৰ্কিতে ওলাই আহে “Best of luck” চিগাৰেটৰ ধোৱাখিনিয়ে কুণ্ডলী পকাই পকাই সিহঁতৰ পিচে পিচে খেদি যায় কাণৰ কাষত লাহেকৈ শুনাই থৈ আহে—“ভাইটিহঁত, আমি সাৰিলো। তোমালোকে দিয়েই থাকা দেই! কি কৰিবা বাৰটা মাহত তেৰটা পৰীক্ষা থাকিবই। ডাক্তৰ হোৱা কি সহজ কথা?”

নতুন ইণ্টাৰণি কেইজনে ওৰে ৰাতি ভাবি ভাবি ওৱাৰ্ডৰ জইনিং ৰিপৰ্ট লিখে। কেন্টিনৰ টেবিলখনত ঠুং ঠাং চাহ মিঠাইৰ শব্দ······ চাট্ কৰে কোনেবাজনে আহি হাঁহি হাঁহি অভিনন্দন জনাই

থৈ যায়—কনগ্ৰেচুলেচনচ্। আকাশখন মুকলি মুকলি লাগে চিৰ দিনৰ বাবে।

চক্ৰাকাৰে ৰৰবাৰীত মানুহৰ জীৱনচক্ৰ ঘূৰি থাকে। সেয়েহে কলেজ কেণ্টিনখন চিৰদিনলৈ এৰি যোৱাৰ সময়ত কোনোবাই যেন ৰিঙিয়াই কৈ যায়—"our deeds determine us, as much as we determine our deeds.

## চতুৰ্থ দৰ্শন

"ন জানে কিস্ লিয়ে উম্মিদবাৰ বৈঠা হু।

এক এ্যায়সী ৰাহপৰ যো তেৰি ৰাহ গুজাৰ ভী নহী।।

এনেকুৱা এটি পথত বহিবলৈ তোমাৰ বাৰু কেতিয়াবা মন যাব নে অনুপম—যিটো পথ তোমাৰ প্ৰেয়সীৰ গমন পথো নহয়? অথচ সেই পথৰো মাধুৰ্য থাকিব পাৰে যদিহে তাত আসক্তিৰ বন্ধন সমূলি নেথাকে। বলাচোন কলেজ লাইব্ৰেৰীটোৰ ফালে আগবাঢ়ি যাওঁ। এই কলেজ লাইব্ৰেৰীটোৰ বুকুত মোৰ এক বিশেষ স্মৃতি বিজড়িত আছে। কিয়নো মই আৰু আকাশীয়ে আমাৰ আজৰি সময়খিনি প্ৰত্যেকদিন কলেজ লাইব্ৰেৰীটোৰ একেবাৰে মূৰৰ টেবুলখনত পঢ়াশুনা কৰিছিলো। মেডিকেল কলেজত "Combined Study"ৰ প্ৰয়োজন তেহেলৈ তোমাৰ 'পাৰ্টনাৰ' এজন ল'ৰাই হওক নাইবা ছোৱালীয়েই হওক।

এয়া তোমাক মই আকাশী চলিহাৰ কথা ক'বলৈ খুজিছো। সেই যে, প্ৰথমদিনাখন ডিবকত ভৰি দিয়েই লগ পোৱা আকাশী চলিহা।

আকাশীলৈ মনত পৰিলে মোৰ এটি দিনৰ স্মৃতি খুউব মনলৈ আহে।

প্ৰি-মেডিকেলত আমাৰ লগত প্ৰায় ২৫ জনী ছোৱালীয়ে এড্মিচন লৈছিল। প্ৰথম অৱস্থাত সিহঁত ৰৰবাৰীৰ দাদাহঁতৰ উৎপাতত একে-

বাৰে নিশ্চুপ হৈ আছিল। সিহঁতে ক্লাচ নথকা সময়খিনিত গাৰ্লচ হোষ্টেলৰ পৰা এখোজো ওলাবলৈ সাহস নকৰিছিল কি জানি বা বৰবাৰীৰ দাদাহঁতৰ দৃষ্টিবদ্ধ হয়—তেতিয়াতো জোকাই জোকাই অৱস্থা নোহোৱা কৰিব! ভয়তে সিহঁত হোষ্টেলৰ পৰা নৃসিংহ বধৰ সময়তো ওলাবলৈ সাহস কৰা নাছিল। আমাৰ আগত সিহঁতৰ ভয়ৰ কথা বোৰবেই বকলা খেলিছিল।

কিন্তু অচিৰেই সিহঁতৰ জীৱনধাৰাৰ সলনি হৈছিল। আঁউসীৰ পিচত জন্ম লোৱা কাঁচি জোন পূৰ্ণচন্দ্ৰলৈ ৰূপান্তৰ হোৱাৰ দৰে লাহে লাহে সিহঁত হোষ্টেলৰ পৰা ওলাইছিল।

দুই একৰ দুই এজন দাদাৰ লগত চকুৰ চাৱনিৰ "বিনিময়" হৈছিল। লাহে লাহে দুই একে কথা পাতিছিল।

পিচত টাউন হোষ্টেলৰ বাৰান্দাত বহি থাকোতেই আমি যেতিয়া এদিন দেখিবলৈ পালো যে সিহঁতে বৰবাৰীৰ দাদাৰ লগত একেখন ৰিক্সাত উঠি চিনেমা চাবলৈ গৈছে-সিদিনাখন এই কথা কোনোপধ্যেই সমীচিন হোৱা নাই বুলি আমাৰ হোষ্টেলৰ এখন কনফাৰেন্সত সৰ্বসম্মতিক্ৰমে গৃহীত হ'ল। পিচদিনাখন আমি একেমুখে সিহঁতক চাৰ্জ কৰিছিলো "যোৱাকালি ৰিক্সাত উঠি কাৰ লগত চিনেমা চাবলৈ গৈছিলা ?"

প্ৰায় বোৰেই নিৰ্বাক হৈ থিয় দি আছিল।

দুই একে "দাদা হয়" বুলি উত্তৰ দিছিল।

"আগতে এইবোৰ দাদা কোন হাবাণ্ডত আছিল ?"—আমি গোৰগোৰাই উঠিছিলো।

এটা সময়ত ল'ৰা-ছোৱালীৰ জুমটো ভাগি যোৱাৰ পিচত মই লক্ষ কৰিছিলো আকাশী চলিহা প্ৰি-মেডিকেল লেকচাৰ হলটোত অকলে থিয় হৈ আছে আৰু পিচফালৰ পৰা মোৰ নাম ধৰি মাতিছে। মই কাষ চাপি যোৱাত তাই মোৰ ওপৰত খণ্ডত অগ্নিশৰ্মা হৈ ক'লে "লোকে কাৰ লগত ক'ত ৰিক্সাত উঠি ঘূৰি ফুৰিছে তুমি গোন্ধলৈ ফুৰাৰ কি দৰ্কাৰ ? বৰা মই এইবোৰ কথা দাঁপুদাৰ আগত কৈ দিম।"

: কৈ দিবা দীপুদাৰ আগত। মই কিবা ভয় কৰিছো নে?

: কিয় ভয় নকৰিবা?

: মই কিবা নেজানো নেকি তোমাৰ কথা?

: কি জানা

: তুমি দীপুদাৰ লগত ঘূৰি ফুৰা নাই নেকি?

: কিয় মুফুৰিম? দীপুদা যে মোৰ মাহীৰ ল'ৰা—

: থৈ দিয়া তোমাৰ মাহীৰ ল'ৰা, লোকে সেইবোৰ কথা বিচাৰ নকৰে অথচ ফিচিঙা ফিচিঙ হে কৰে।

: তুমি কি কৈছা? দীপুদাৰ লগত মুফুৰি মই তোমাৰ লগত ফুৰিম নেকি?

: কোনে কৈছে তোমাক মোৰ লগত ফুৰিবলৈ?

: তেন্তে মই কাৰ লগত ফুৰিম!

: কিয়? ইমানেই যদি ফুৰিবলৈ মন গৈছে অকলে অকলে ঘূৰি ফুৰিব নোৱাৰা কিয়

: তুমি পাগল হৈছা নেকি?

: নাই হোৱা, মানুহে যিবোৰ কথা তোমাৰ আৰু দীপুদাৰ বিষয়ে আলোচনা কৰে সেইবোৰহে কৈছো।

: Let the dog bark,—caravan goes. মই সেইবোৰক কুকুৰৰ দৰে জ্ঞান কৰো। I have prepared a list of dogs. From today your name will be enlisted there.

মানুহে মোৰ কথা কি আলোচনা কৰে মোৰ ভাবিবলৈ সময় নাই। মই নিজে কি কৰিছো তাকেহে চিন্তা কৰো।

আমাৰ দুজনৰ মাজত কথা কটা-কটি হৈ আছিল। ঠিক এনে সময়তে ক'ৰবাৰ পৰা অনিৰ্বাণ দত্ত ওলাল! সি "ওম্ শান্তি ওম্ শান্তি" বুলি দুজনৰ মাজত থিয় হ'ল। আমি খণ্ডৰ ভমকত দুয়ো দুফালে একে কোৱে গুচি গৈছিলো।

সিদিনাখনৰ পৰা আকাশী আৰু মোৰ মাজত বহু দিনলৈ মাত বোল বন্ধ হৈ গ'ল। হঠাৎ আমি আকৌ আগৰ দৰে মিলা-প্ৰীতিৰে

বাস্কোনত আৰম্ভ হৈছিলো এটি বিশেষ দিনত বিশেষ ঘটনাৰ পৰা।

প্ৰি-মেডিকেল ফাইনেল পৰীক্ষা। কেমিষ্ট্ৰী প্ৰেক্টিকেলৰ দিনাখন আমাৰ কাৰো মুখত পানী নাই। আমাৰ আগতে অনেকেই কলেজ এৰি গুচি যাবলগীয়া হৈছে। চলটটো উলিয়াই দিব নোৱাৰি। ভাগ্য ভাল আছিল—মোৰ ড্ৰাই টেষ্টতে চলটটো ওলাই গ'ল। মোৰ কাষত আকাশীয়ে প্ৰেক্টিকেল কৰি আছিল। তাই কেবাবাৰো ড্ৰাই টেষ্ট ওৱেট টেষ্ট কৰি চলটটো উলিয়াব পৰা নাছিল। অৱশেষত তাই ঘামি-জামি বৰ্ষা মুখৰ নীৰদ মেঘৰ নিচিনা হোৱা দেখা পাই মই সাউৎ কৰে "বিয়াৰৰ টেষ্ট" কৰি তাইক চলটটোৰ নাম কৈ দিলো। তাইৰ মনসৈ উশাহ আহিল। কনফাৰ্মেটৰী টেষ্ট কৰিলত ওলাই পৰিল। তাই প্ৰেক্টিকেল দি আহি আবেগতে মোৰ ওচৰত চিঞৰ মাৰি ক'লে—"জানা নিকুন! তেতিয়াহে আকাশখন মুকলি মুকলি লাগিছে। তুমি নহলে একদম মৰি গলোহেঁতেন ভাই।" মই তাইক বিশেষ ভঙ্গীৰে হাঁহি মাৰি কৈছিলো—

"আচলতে মই হে তোমাৰ মঙ্গল কামনা কৰো।"

সিদিনাখন তাই মোক জোৰ কৰি চিনেমা চাবলৈ লৈ গৈছিল। পৰীক্ষা শেষ। মনটো বৰ মুকলি মুকলি লাগিছিল। মেডিকেল কলেজত যি কোনো পৰীক্ষা পাৰ হৈ যোৱাৰ পিচদিনাখনহে মূৰৰ ওপৰত আকাশ থকা যেন লাগে।

সেই জনী আকাশী আমি প্ৰথম বাৰ্ষিকত দিচেক্‌চন্ হলত সোমোৱাৰ দিনাৰ পৰা মোৰ অতি আপোন হৈ পৰিছিল। আমি এনাটমী দিচেক্‌চন্ হলত যেতিয়া দিচেক্‌চন্ কৰি থাকো, তাই কিবা বুজি নাপালে নিজৰ পাৰ্টনাৰ এৰি মোৰ কাষতেই টুল খনত বহি লয়। তাৰ পিচত মেডিয়ান নাৰ্ভৰ "কোৰ্চ ব্ৰেকিয়েল প্লেকচাচ"ৰ ফৰ্মুলা শিকাত লাগি যায়। একৃজিলাৰ বাউণ্ডৰী বিচাৰি থাকোতে ব্ৰেকিয়েল প্লেক্চাচৰ ফৰ্মুলা সুধি আমনি দিয়ে—

"সেই নিকুন কোৱাচোন সেইটো কি আছিল—My mother makes me understand" হঠাৎ মোৰ খং উঠি গৈছিল—"তুমি বৰ

চিৰিয়াচ হে। একুজিলাৰ বাউণ্ডাৰীত আকৌ ব্ৰেকিয়েল প্লেকচাচৰ ফৰ্মুলা কেলেই ?

তুমি ব'ৰ বোৰ কৰা হে আকাশী। যোৱা নিভাৰ টেবিললৈ যোৱা।

"তুমি বৰ অহঙ্কাৰী লৰ'া হে। তোমাৰ লগত পঢ়ি বুজি পাওঁ কাৰণেহে পঢ়ো। তাতেই ইমান ওফন্দি উঠিব লাগেনে, নিজেই চোকা কাৰণে লোককো চোকা বুলি ভাবিলে কেনেকৈ হ'ব ?

"বাদ দিয়া ৰিজাল্টত দেখিবা মযেই ফেইল মাৰি বহি থাকিম। তোমাৰ তো চিন্তাই নাই—অকণমান কান্দি দিলেই হ'ল।"

ঃ তুমি মোক নামাতিবা। নিজেই চোকা কাৰণে লোকক কাট মাৰিব নালাগে............।

ঃ খং, অভিমান, মৰমৰ মাজেৰে আকাশী চ'লিহাৰ লগত সম্পূৰ্ণ ৬টা বছৰ বৰবাৰীৰ বুকুত কটাই দিছিলো। আন বহুতৰ দৰে আমিও একেলগে ফুৰিছিলো কলেজৰ সম্মুখৰ ছাত্ৰ বাগিচাখনৰ মাজৰ লুংলুঙীয়া পথটোৰে, টি বি ওৱাৰ্ডৰ সম্মুখেৰে আহি কলেজ অডিটৰিয়াম নৌ পাওঁতেই নিয়ন লাইট শেষ হৈ যোৱা সেই পথটোৰে; ব্ৰহ্মপুত্ৰৰ বুকুত গঢ়া খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ সজা সেই স্পাৰবোৰৰ ওপৰেৰে। বৰবাৰীৰ বুকুত আমাৰ এই চলন-ফুৰণ কোনো এক নতুন কথা নহয়। গোটেই দিনটো চিকিৎসা শাস্ত্ৰৰ বিৰক্তিকৰ ক্লাচত ব্যস্ত থাকি আবেলি সময়ত যেতিয়া দেহ মন ক্লান্ত হৈ পৰে তেতিয়া সকলোৱেই বিচাৰে অকণমান মিঠা আমেজ—আকৌ ৰাতিলৈ কিতাপৰ মাজত সোমাই পৰিবলৈ। এৰা বৰ অসহ্যকৰ জীৱন—থিয়ৰি ক্লাচ, প্ৰেকৃটিকেল, ক্লিনিকৃচ, লেবাৰ ৰুম ; আকৌ গধূলিলৈ, পেচেন্টৰ হিষ্ট্ৰি। আকৌ মাজতে কোনোবা আহি ওলাব এলেকৰ পেলেকে বিচাৰি বিচাৰি। এনেকুৱা এটা সময়ত যদি কোনো এক নাৰীকণ্ঠই অতি মৰমৰে আবেগেৰে কয়—"আহা অলপ ফুৰি আহো...।" এয়া বাৰু কম আস্বাদপূৰ্ণ আবেদন হ'ব পাৰেনে ?

আইন বহুতৰ দৰে আমিও একেলগে আবেলি পৰত ফুৰিবলৈ

গৈছিলোঁ—টি. বি ওৱাৰ্ডৰ সন্মুখেৰে, চাহ বাগিচাৰ মাজৰ লুঙলুঙীয়া পথেৰে, ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে। শাৰদীয় জ্যোৎস্নাম্লান ৰাতি এদিনাখন আমি দুয়ো চাহ বাগিচাৰ মাজেৰে ফুৰিবলৈ কাৰোবাৰ হিয়াৰ ভাষা চাহ বাগিচাৰ পাতৰ আঁৰত চেপা মাতেৰে প্ৰকাশ পোৱা শুনি সুধিছিলোঁ—

: আকাশী! এইবোৰ দেখিছা নে নাই?"

তাই দাম্ভিকতাৰে উত্তৰ দিছিল—"কি?"

: এই যে বগাকৈ বগলী, উৰে কেনেকৰি, পাখিতে পাখি লগাই—আকাশীয়ে খঙতে মুখ ওন্দোলাই কৈছিল—"মই চকু মুদি অহা নাই নহয়?"

মই তাইক জোকাই লোৱাৰ মানসেৰে সুধিছিলোঁ—"আচ্ছা আকাশী! এই নিৰ্জ্জন পথটোত আকাশৰ ৰূপ লেখি ঘূৰি-ফুৰোঁতে আমাৰ মনৰ জোৰ যদি লেহুকা হৈ পৰে? তেতিয়া কি কৰিবা?"

তাই পূৰ্বকল্পিত এটি নাটকীয় সংলাপেৰে উত্তৰ দিছিল—"মৰমতে এজনে আনজনক সাৱতি ধৰিম। নাহৰ গছৰ ফাকে ফাকে লুকা-ভাকু খেলা আকাশৰ জোনবাইটোৱে চাহ বাগিচাৰ সেউজ পাতবোৰে, ব্ৰহ্মপুত্ৰৰ মাজৰ প্ৰলম্বিত জলৰাশিয়ে; টি. বি ওৱাৰ্ডৰ কাষৰ সৰু সৰু গছ-পুলিবোৰে আমাৰ এই বাহু বন্ধনক, আমাৰ এই হিয়াৰ বান্ধোনক স্বাগতম জনাব; এয়াতো কাৰো দোষ নহয়, এয়াতো কোনো অনিৰ্বন্ধন নহয়! এয়া দেখোন প্ৰকৃতিৰ আহ্বান! কিয়? ওমৰ খায়মে জানো কোৱা নাই—

"গৰ দস্ত দহুদ্ জ মগজ গন্দম্ নানে
ৰত্তা ময়কাদায়ে, জ গোস্ত ফন্দে ৰানে
ৱালা, লাফ্ৰ খে নাচিস্তা, দৰ্ বিৰানে
অইচ্ আস্ত কে নীস্ত হদ্দে হৰ্ তুলতানে!!

অৰ্থাৎ, মই যদি গমৰ ৰুটি, এপিয়লা মদ, কিছু মাংসৰে সৈতে প্ৰিয়াক নিৰ্জনত পালোহেঁতেন তেনেহলে এই সুখ চুলতানৰ ভাগ্যতো নাথাকিলহেঁতেন!

গাভৰুক ছোৱালীৰ সমগ্ৰ উম্মাৰে উৎফুল্লিত হৈ উঠা তাইৰ গাল দুখনত লাহেকৈ থাপৰ এটা মাৰি কৈছিলো—"আকাশী, এহাল ডেকা-গাভৰুৰ অন্তৰ উজাৰী অহা প্ৰেমৰ পৰিণতি এন্ধাৰৰ বুকুত একমাত্ৰ বাহুবন্ধন বুলি তোমাক কোনে শিকালে ?

আকাশী লাজতে ৰঙা-চিঙা পৰি গৈছিল। চাহ বাগিচাৰ মাজৰ পথটোৰে ৰৰবাৰীৰ গাৰ্লছ হোষ্টেললৈ ওভতাৰ পথত আমাৰ মাজত কোনো কথা-বতৰা হোৱা নাছিল। খোজৰ গতি ক্ষিপ্ৰতৰ হৈছিল—গধূলি সাত বজাৰ আগতে তাই হোষ্টেল সোমাব লাগিব। পিচদিনা ৰাতিপুৱা ৮ বজাৰ ক্লাচত সোমোৱাৰ লগে লগে ক্লাচটোৰ ইমূৰৰপৰা সিমূৰলৈ আমাৰ দুয়োৰ সন্ধানী চকু দুহালে দুয়োকো বিচাৰি ফুৰিছিল। চকুৱে চকুৱে মিলন হোৱাৰ পিচত কিবা এক নতুন শিহৰণত দুয়োৰো মন উজাৰ খাই উঠিছিল।

আমাৰ এই মিলাপ্ৰীতিত অনেকৰ চকু থিয় হৈছিল। দীপুদাই আমাৰ এই সম্পৰ্কটো আলেঙে আলেঙে লক্ষ্য কৰিছিল যদিও তেওঁ কোনো দিনেই একো মন্তব্য দিয়া নাছিল। আমাৰ দুয়োটা পৰিয়ালতেই এইবোৰ কথা ঘুমুক-ঘানাককৈ প্ৰচাৰ হৈছিল। আকাশীৰ দেউতাকৰ পৰা এদিন এখন চিঠি আহিছিল। তাইক সতৰ্ক কৰি দিয়া চিঠি। তেওঁ তাত লিখিছিল—"মাজনী ! তই গল্প-উপন্যাস লিখ বুলি মই জানো। কিন্তু নিজৰ জীৱনটোক গল্প-উপন্যাসৰ কেন্দ্ৰস্থ চৰিত্ৰ বুলি ধৰি ল'লে ভুল কৰা নহ'ব জানো !"

অথচ আকাশীয়ে প্ৰতিটো খোজতেই মোক প্ৰেৰণা যোগাই ৰৰবাৰীৰ দিনবোৰ কটাই দিলে ! ইমান বাধা—ইমান সমালোচনা ! কাৰো কথাতেই কাণ নাই।

মোৰ মনত পৰিছে বৌদ্ধ পূৰ্ণিমাৰ এটি নিশাৰ কথা। তাই মোক বগা বাবাৰ মন্দিৰলৈ লৈ গৈছিল। কবৰখানাৰ তলত শুই থকা বগা বাবাৰ কাষত মম জ্বলাই দি একচিত্তে প্ৰাৰ্থনা কৰিছিল। মই বাহিৰ ওলাই আহিছিলো। তাই বাহিৰলৈ ওলাই আহি মোৰ ওপৰত খং কৰিছিল। "নাস্তিক" বুলি গালি পাৰিছিল। মই হাঁহি হাঁহি তাইৰ

হাতত কাগজ এখিলা দিছিলোঁ। আকাশত বৌদ্ধ পূর্ণিমাৰ পূর্ণচন্দ্ৰই আমাৰ দুয়োৰে ওপৰত পূর্ণ দৃষ্টি নিক্ষেপ কৰিছিল। তাই উদাস্তে পঢ়ি গৈছিল—

"আকাশত তৰা নাছিল—
জোনাক আৰু জোনাক—
একাহী জোৰা জোনবাই—
বৌদ্ধ পূর্ণিমাৰ নিশা।
পূর্ণিমাৰ ৰাতি জোনবাইটো
ইমান ধুনীয়া দেখি
আঁউসীৰ ৰাতি তৰা আৰু আকাশ একেলগে দেখি।
তোমাৰ হাতে মোৰো হাতে
একেলগে লগ কৰি
আকাশৰ জোনবাই চোৱাৰ পৰত—
ঠিক একে বৌদ্ধ পূর্ণিমাৰ নিশা,
তৰা, জোন কিম্বা আকাশ, একোকে নেদেখি।

আকাশীয়ে একো উত্তৰ দিয়া নাছিল। বগা বাবাৰ মাজাৰটোলৈ কোনোবা এক ভাব-প্ৰৱণ দার্শনিকৰ দৰে একেথৰে চাই আছিল। তাইৰ সেই মুহূর্তৰ মৌনতা মোৰ অকণো ভাল লগা নাছিল। মই তাইৰ হাতখনত চিকুট মাৰি দি সুধিছিলোঁ—"হেই কি ভাবিছা?" তাই সেই একে গাম্ভীর্যতা ৰক্ষা কৰি উত্তৰ দিছিল—"এই মাজাৰটো মোৰ বৰ ভাল লাগে নিকুন! মানুহে কয় ইয়াত হেনো যি কামনা কৰা যায় সেয়াই সার্থক হয়।"

মই ঠাট্টাৰ সুৰেৰে উত্তৰ দিছিলোঁ—

"ময়ো শুনিছোঁ, তুমি পিচে আজি এই বৌদ্ধপূর্ণিমাৰ নিশা কি কামনা কৰিলা?"

তাই উত্তৰ দিছিল "একো কৰা নাই।"

"তেন্তে আছিছিলা কিয়?"—মই আচৰিত হৈ সুধিছিলোঁ তাই কোনো উদ্বেগ প্ৰকাশ নকৰি উত্তৰ দিছিল—

"এই কাৰণেই যে ইয়াত সোমোৱাৰ লগে লগে মোৰ মনটো এক বিশ্ব ভ্ৰাতৃত্ব প্ৰেমত জোকাৰ খাই উঠে। মোৰ এই মাজাৰটো খুউব ভাল লাগে এইটো কথাৰ কাৰণে নিকুন—ডিব্ৰুগড়ৰ বুকুত যে এনেকুৱা এটি মাজাৰ আছে য'ত হিন্দু, মুছলমান, খৃষ্টিয়ান সকলোৱেই একে সময়তে একেলগে মম জ্বলাব পাৰে, প্ৰাৰ্থনা কৰিব পাৰে, মনৰ ভাব উজাৰি দিব পাৰে। চোৱাচোন বাৰু এইখিনিৰ পৰা মম বাতিৰ শিখাৰে চৌদিশ দীপ্ত হৈ মাজাৰটো কেনেদৰে উজলি উঠিছে। যেনিবা এই দীপ্ত শিখাই ডিবৰুৰ বুকুত ঘোষণা কৰিব—"Where there is the most love to god, there will be there the truest and most enlarged philanthropy". মই কৈছিলোঁ—"আকাশী মই তোমাৰ "ইমান ডাঙৰ ডাঙৰ কথাবোৰ বুজিবলৈ বৰ টান পাওঁ! কিবা দেখোন মূৰটো গৰম উঠি যায়! কিন্তু সেই বুলি প্ৰাৰ্থনা এটা নকৰাও নহয়!"

তাই ব্যাগ্ৰহে সুধিছিল—"কি প্ৰাৰ্থনা বাৰু!"

মই খুউব সহজভাৱে উত্তৰ দিছিলোঁ—"এইটোৱেই যে, মোৰ জীৱনৰ প্ৰতিটো খোজতেই এখোজ আগবঢ়াই নিবলৈ উপযুক্ত গাইড এজনৰ বৰ প্ৰয়োজন! ভগবানে যেন সেই আশা পূৰণ কৰে।"

তাই এক পৰম উখ্মাৰে মোৰ হাতখনত সাৱতি ধৰি কৈছিল—তুমি বৰ চিন্তা ল'বা নাকুন!"

* * *

অথচ, সেই জনী আকাশীক দেখিলে এদিনাখন মই পলাই ফুৰা হৈছিলোঁ ঠিক পুলিচ দেখিলে চোৰ পলোৱাৰ দৰে, যিদিনাখন ফাইনেল পৰীক্ষাত মেডিচিনত ফেইল কৰি ছমাইলৈ পিচ পৰি গৈছিলোঁ। মেডিকেল কলেজত কোনো ছাত্ৰৰ কাৰণে ইয়াতকৈ বেছি দুখৰ কাৰণ হ'ব নোৱাৰে যিটো যা পৰীক্ষা হলেও "অৱেল পৰীক্ষাত" কৈ দিয়া হয়—" "come after six months' মোৰ জীৱনতো সেই দুৰ্ভগীয়া বাক্যষাৰৰ যিদিনাখন সন্মুখীন হ'ব লগা হলোঁ সিদিনাখনৰ পৰা মই আকাশীৰ পৰা পলাইছিলোঁ। খুউব পলাইছিলোঁ। তাই মোক য'ত ত'ত

বিচাৰি ফুৰিছিল, কিন্তু মই তাইৰ পদ চালনাৰ সংকেত পালেই ধৰা পৰি যোৱাৰ ভয়ত কিংবা এক অপৰাধীৰ দৰে পলাই ফুৰিছিলোঁ। কিন্তু ছ-মাহ পিচত মই তাইৰ হাতত ধৰা পৰি গৈছিলোঁ। সিদিনাখন অৱশ্যে মই পলাবলগীয়া নহৈছিল কিয়নো ছমাহৰ পিচৰ সেইদিনটোত আকৌ আমাৰ পৰীক্ষাৰ খবৰ ওলাইছিল—মই পাছ কৰিছিলোঁ।

কলেজ মন্দিৰ সন্মুখৰ আহল-বহল কৰিডৰটোত গোটেই কলেজ-খনৰ ছাত্ৰ-ছাত্ৰীৰ ভিৰ! ৰিজাল্ট দিয়াৰ দিনাখন অসম মেডিকেল কলেজৰ সন্মুখত কোনো এক নতুন কথা নহয়। কিন্তু মোৰ কাৰণে নতুন কথা এটাই আছিল—সেয়া আকাশীৰ আত্মপ্ৰকাশৰ এক নতুন মাধ্যমৰ কাৰণে। তাই মোক বিচাৰি বিচাৰি সেই হেন ভিৰৰ মাজতে লগ ধৰিছিল আৰু কোনো কথা নোকোৱাকৈ মোৰ হাতত ধৰি টানি লৈ আহিছিল। বিৰদি বাট নোপোৱা সেই ভিৰৰ মাজত তাইৰ ক্ৰোধ সম্বৰিত মুখখন মই চকামকাকৈ চাইছিলোঁ। বাহিৰত, যিখিনিত ছাত্ৰ-ছাত্ৰীৰ সমাগম হোৱা নাছিল—তাই মোক কৈছিল—congratulations. মই একো উত্তৰ দিয়া নাছিলোঁ—মাত্ৰ প্ৰস্তৰ মূৰ্তি এটিৰ দৰে থিয়হৈ আছিলোঁ। আবেগৰ পাৰ ভাগি মোৰ দুচকুৰে মাত্ৰ দুটোপাল চকুলো বাগৰি আহিছিল।

তাই মোৰ সজল চকু দুটিলৈ একেথৰে চাই আছিল। কোনো এক পৌঢ় মাতৃৰ কণ্ঠেৰে কৈছিল—“Life has a way of over-growing its achievements as well as its ruins. ........”

মই এটি অবোধ বালকৰ দৰে তাইৰ যুক্তি-সম্ভূত কথাবোৰ ধৈৰ্য ধৰি কেৱল শুনি গৈছিলোঁ।

আজি ছ-মাহ পাৰ হৈ গ'ল। আকাশী চলিহাই ইণ্টাৰনি শেষ কৰি ঘৰলৈ গুচি গৈছে। তাই আজিকালি আকাশী চলিহা নহয় আকাশী দত্তহে।

আকাশী চলিহাই ৰবাবী এৰি যোৱাৰ আগদিনা মোক এটি গধুৰ দায়িত্ব পালনৰ বাবে অনুৰোধ কৰি থৈ গৈছে। মই এতিয়া দিনে ৰাতিয়ে সেই দায়িত্ব পালনৰ কথাই চিন্তা কৰি আছোঁ।

তাই ৰৰবাৰী চিৰদিনৰ বাবে এৰি যোৱাৰ আগদিনাখন গধূলি মোক ব্ৰহ্মপুত্ৰৰ পাৰলৈ লৈ গৈছিল। স্পাৰৰ ওপৰত আমি বহুত সময় পাৰ কৰি দিছিলোঁ। বিগত দিনবোৰৰ স্মৃতিবোৰ ৰোমন্থন কৰি দুয়োজনে পাৰে মানে হাঁহিছিলোঁ। কথাৰ মাজতে তাই মোক সুধিছিল—"আচ্ছা নিকুন! মই ৰৰবাৰীত নথকাহলে তোমাৰ বাক কেনে লাগিলহেঁতেন ?

: মই কেতিয়াও ডাক্তৰ হ'ব নোৱাৰিলোহেঁতেন।

: পিচে কাইলৈ যে গুচি যাম—

: বিগত দিনৰ স্মৃতিবোৰ লৈয়ে জীয়াই থাকিম !

: তুমি বৰ চেন্টিমেন্টেল, জানা !

: সঁচা কথা !

তাই খন্তেক মৌনহৈ মোৰ বাউসীত তাইৰ লাহী আঙুলি কেইটিৰে এনেয়ে কিবা লিখি লিখি কৈছিল—"নিকুন মোৰ বিয়া হ'ব জানা !"

মই আচৰিত হৈ সুধিছিলোঁ—"বিয়া ! কেতিয়া ! কাৰ লগত !"

তাই বুকুৰ মাজৰ পৰা চিঠি এখন উলিয়াই মোৰ হাতত দি কৈছিল—"এয়া! যোৱাকালি দেউতাৰ পৰা এখন চিঠি পাইছোঁ। আজিৰ পৰা মাত্ৰ দহ দিন পিচতেই মোৰ বিয়া হ'ব। দৰা কোন জানা ?"

: কোন ?

: চিঠিখন পঢ়ি চোৱা !

আকাশীলৈ দেউতাকে লিখা চিঠিখন মই স্পাৰৰ ওপৰত জ্বলি থকা নিয়ন লাইটৰ পোহৰত একে উশাহতে পঢ়ি চাইছিলোঁ। যোৰহাটৰ প্ৰখ্যাত চাহ খেতিয়ক ভবানন্দ দত্তৰ একমাত্ৰ ল'ৰা জ্যোতিৰ্ময় দত্তৰ লগত তাইৰ বিয়া হ'ব। ল'ৰাজনে বেচ ওখ-পাখ সুন্দৰ চেহেৰাৰ। যোৱাবেলি খড়্গপুৰৰ পৰা পেট্ৰকেমিকেল ইঞ্জিনিয়াৰিং পাচ কৰি আহিছে। চিঠিখন পঢ়ি উঠিয়েই মৌন হৈ পৰিছিলোঁ খন্তেকৰ বাবে। তাই মোৰ নিৰৱতা ভঙ্গ কৰি সুধিছিলে—"হেই নিকুন! কি ভাবিছা!

মই সেপচুকি উত্তৰ দিছিলোঁ—"একো ভবা নাই। বগা বাবাৰ মছজিদটোলৈহে মনত পৰিছে।"

তাই আচৰিত হৈ সুধিছিল—"মোৰ বিয়াৰ খবৰ শুনি তোমাৰ আকৌ বগা বাবাৰ মছজিদটোলৈ হঠাৎ মনত পৰিল কিয় ?

: Jean Ingelow-ৰ কথা এফাকিৰ বাবে।

: কি কথা ?

: I have lived to thank god that all my prayers have not been answered. "

আকাশী মৌন হৈ ৰৈছিল। মই কলেজত আবৃত্তি প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ পোৱা মোৰ অতি মৰমৰ কবিতাটি আচম্বিতে সেই-দিনাতকৈ বেছি আবেগেৰে মুখ নিসৃত হৈছিল—

"তোমাৰ বিয়ালৈ আৰু কেইদিন বাকী ? দহদিন ? মাথোঁ
দহদিন আছে।
এনে দহ নিশা, তুমি যাবা তোমাৰ বাটেদি, মই যাম
মোৰ বাটে বাটে।
নতুন ঘৰত তুমি চেনেহৰ শলিতাৰে জ্বলাবা যি
ন চাকি গছি,
তাৰ পোহৰত যাব জীয়ৰী কালৰ আশা, সুখ, দুখ
দিনে দিনে মচি।"

আকাশীয়ে মোৰ মুখত তাইৰ হাতৰ তলুৱাৰে হেঁচা মাৰি ধৰি মোৰ মুখখন বন্ধ কৰি দিছিল। সেই মুহূৰ্ত্ততে তাইৰ অতি ভাল লগা এই কবিতাটিৰ পংক্তি কেইটা যেন বৰ বিসদৃশ লাগিছিল।

এটা গভীৰ হুমুনিয়াহ কাঢ়ি তাই মোৰ হাতখনত ধৰি কৈছিল—"নিকুন তুমি মোৰ কথা এটা ৰাখিবা ?"

: কি কথা ?

: মোৰ অনুৰোধ এটা।

: কিহৰ অনুৰোধ ?

: ৰবাবীৰ বুকুৰ আমাৰ এই সঁচা কাহিনীবোৰ অকনো সালসলনি নকৰাকৈ তুমি জানো লিখি উলিয়াব পাৰিবা ?

: মইতো সাহিত্যিক নহয় ; তোমাৰ হে নাম আছে—

নহয় নিকুন ! তুমি নিশ্চয় পাৰিবা। অহাকালিৰ পিচত কিম্বা আৰু দহদিন পিচত ৰবাবীৰ বুকুত নিঃসঙ্গভাৱে নিষ্পাদিত জীৱন এটিলৈ অৱচেতন মনটোৱে কিহৰ সম্বাদ কঢ়িয়াই আনে তুমিহে বুজিব পাৰিবা।

: মই চেষ্টা কৰি চাম।

: মোৰ শুভেচ্ছা থাকিল। তুমি বৰ নিৰ্জ্জু-ল'ৰা নিকুন ?

: ধন্যবাদ ! ব'লা এতিয়া! হোষ্টেলত সোমোৱাৰ সময়লৈ কেইমিনিট মানহে বাকী আছে।

## পঞ্চম দৰ্শন

### এক

"Is death the last sleep·
No, it is last and Final awakening."

মৃত্যুৰ সংজ্ঞা বিভিন্ন ব্যক্তিয়ে বিভিন্ন ধৰণে দিয়ে। কিন্তু তেওঁলোকে কিমান মানুহৰ মৃত্যু দেখি সেই সিদ্ধান্তত উপনীত হয় মই নেজানো। কিন্তু এইখন কলেজত ভৰ্তি হোৱা দিন ধৰি অনেক মানুহৰ মৃত্যু হোৱা দেখিছো—অনেক শিশু ভূমিষ্ঠ হোৱাও দেখিছোঁ। মানুহৰ জন্মৰ প্ৰতি মোৰ যেনেদৰে কোনো আবেগ উৎকণ্ঠা নাই। মৃত্যুৰ কাৰণেও কোনো আবেগ নাই—কোনো উৎকণ্ঠা নাই! মোৰ কাৰণে মোৰ কাষত পৰি থকা এটা অক্সিজেন নোহোৱা চিলিণ্ডাৰ যেনেকুৱা, এটা প্ৰাণহীন মানৱদেহো ঠিক তেনেকুৱাই।

এইখন ৰৰবাৰীৰ বুকুত মৃত্যুৰ কঠোৰ দণ্ডাদেশৰ অনেক কাহিনী বিজৰিত হৈ আছে ঠিক যেনেদৰে সিঁচৰতি হৈ আছে অনেক জীৱনৰ মৃত্যুৰ কৰাল গ্ৰাসৰ পৰা ৰক্ষা পোৱাৰ অন্তত ৰৰবাৰী খলক লগাই যোৱা হাঁহিৰ চিস্ফনী। এই ৰৰবাৰীৰ বুকুত জন্ম আছে, মৃত্যু আছে। হাঁহি-কান্দোন, দুঃখ-বেজাৰ, আবেগ-উৎকণ্ঠা, পোৱা-নোপোৱাৰ হিচাব-নিকাচেৰেই ভৰপূৰ ৰৰবাৰী। তুমি আচৰিত হৈ যাবা অনুপম;·যেতিয়া তুমি দেখিবলৈ পাবা যে তোমাৰ সন্মুখতে দপদপাই থকা এজন মানুহ মুহূৰ্তৰ ভিতৰতে তোমাৰ সন্মুখতে একেবাৰে পানী-কেঁচুৱা এটিৰ দৰে দুৰ্বল হৈ সেহাই সেহাই মৃত্যু মুখত পৰিছে—"Death is the liberator of him whom freedom cannot release; the physician of him whom medicine cannot cure, the comforter of him whom time cannot console."

আজি প্ৰায় তিনি বছৰৰ আগতে এইখন কলেজৰ ১৮ নম্বৰ ভেৰোনীয়া কোঠাটোত এজন মানুহৰ মৃত্যু হোৱা দেখিছিলোঁ। প্ৰায় ৮০

বছৰ পাৰ হোৱা মানুহ। মানুহজনৰ মৃত্যুত তেওঁৰ চাবিজন পুতেক আৰু তিনিজনী জীয়েকে গছৰ পাত মাটিত সবাই কান্দিছিল। মানুহজনৰ মৃত্যুৰ খবৰ ওলোৱাৰ লগে লগে প্ৰায় দহ-বাৰ খন গাড়ী আহি গোট খাইছিল। মৃত দেহটো সুন্দৰ বগা কাপোৰ এখনেৰে ঢাকি অনেক ফুলেৰে আবৃত কৰি এখন খোলা গাড়ীত তুলি শ্মশানলৈ লৈ যোৱা হৈছিল। পিচফালে এজাক মানুহ বগা চুৰিয়া-পাঞ্জাবী পিন্ধি মৌন হৈ খোজকাঢ়ি গৈ আছিল। মৃতদেহটোৰ কাষত বহি যোৱা নাতি ল'ৰা দুজনে ওৰে বাটে দহ পইচা পাঁচ পইচা চটিয়াই গৈছিল। বাটত ঘূৰি ফুৰা মগনীয়া ল'ৰাবোৰে সেই পচইাবোৰ বুটলি ফুৰিছিল।

ঠিক সিদিনাখনেই কায়চিকিৎসাৰ ওৱাৰ্ড এটিৰ বাৰান্দাত থকা বিচনা এখনত অঁইন এজন মানুহৰ মৃত্যু হৈছিল। সম্পূৰ্ণ দহ বছৰ ধৰি সেই মানুহজন সেই ওৱাৰ্ডটোতেই আছিল। মানুহজনৰ ঘৰ অসমৰ সিমুৰৰ ধুবুৰীৰ ওচৰৰ কোনোবা এখন অখ্যাত গাঁৱত। তেওঁ ঘৰ এৰি আহিবৰ সময়ত তেওঁৰ একমাত্ৰ পুত্ৰজন মাত্ৰ আঠ বছৰীয়া। এনেকুৱা এটি বয়সতেই তেওঁৰ একমাত্ৰ পুত্ৰ আৰু ঘৈণীয়েকক এৰি থৈ আহি এইখন কলেজত ভৰ্তি হৈছিল। তেওঁকে লং কেচ, চৰ্ট কেচ হিচাবে পৰীক্ষাত পাই অনেক ছাত্ৰই পৰীক্ষাৰ দেওনা পাৰ হৈ গৈছে। শেষলৈ তেওঁ ছাত্ৰক knee Jirle-ৰ rootvalue কিমান পেৰাপ্লেজিয়াৰ কাৰণ কি কি ইত্যাদি কথা কৈ দিব পৰা হৈছিল।

সেইদিনাখন মাত্ৰ ডুকুৰি পাঁচ বছৰ বয়সতে তেওঁ এদিন ঢুকাই থাকিল। ঘৰলৈ টেলিগ্ৰাম কৰা হ'ল। তেওঁৰ একমাত্ৰ পুতেকজনে সিমুৰৰ ধুবুৰীৰ পৰা আহি পালে তিনি দিনৰ মূৰতহে। ইতিমধ্যে বাৰ ঘণ্টা পাৰ হৈ যোৱাৰ পিচত শৱ দেহাটো শৱ-গৃহ ক্ৰোৰত আন আন শৱবোৰৰ লগত ৰাখি থোৱা হ'ল।

সম্পূৰ্ণ দহ বছৰৰ পিচত পিতৃক বিচাৰি অহা ল'ৰাজন তেতিয়া ওঠৰ বছৰীয়া চফল ডেকা। ল'ৰা জনে শৱগৃহৰ মজিয়াত লাং খাই পৰি থকা শৱ দেহবোৰৰ মাজৰ পৰা দেউতাকৰ মৃত দেহটো বিচাৰি উলিয়াব পৰা নাছিল। আমিহে বিচাৰি দিছিলো।

ইতি মধ্যতে শৱ দেহটো চৌকিডিঙ্গি শ্মশানলৈ নিবলৈ ব্যৱস্থা কৰা হ'ল। কিন্তু টেক্সি ড্ৰাইভাৰে সেইটো নিবলৈ অস্বীকাৰ কৰিছে কাৰণ শৱ দেহটো ইতিমধ্যে গেলিবলৈ আৰম্ভ কৰিছে। পিচত আমিয়েই কেবাজনো ছাত্ৰ লগ লাগি বাঁহৰ চাঙি এখনত ভৰাই মৃত দেহটো শ্মশানলৈ লৈ গৈছিলোঁ। আমাৰ মাজৰে কোনোবা এজনে নতুন কাপোৰ এখনেৰে মৃত দেহটো ঢাকি দিয়াৰ কথা আলোচনা কৰোঁতে সেই ল'ৰাজনে লাহেকৈ নেলাগে বুলি কৈ থলে। মই ৰিত হৈছিলোঁ। মনলৈ আহিছিল—

"কি প্ৰয়োজন এই কৃত্ৰিমতাৰ

নতুন কাপোৰেৰে মৃত দেহ ঢকাৰ

জাৰ জীৱন্ত দেহতে কাপোৰ এখনি নাই।"

শৱ দাহন শেষ কৰি গধূলি সময়ত আমি হোষ্টেললৈ উভতি আহিছিলোঁ। পিতৃহাৰা ল'ৰাজনো আমাৰ লগতে উভতি আহিছিল। কিন্তু মই আচৰিত হৈছিলোঁ ল'ৰাজনে এবাৰো দেউতাকৰ মৃত দেহটো সাৰতি কন্দা নাছিল। আকাশলৈ উৰি গৈ শূন্যত বিলীন হৈ যোৱা চিতা-অগ্নিৰ ছাঁই আৰু ধোঁৱালৈ একেথৰে চাইহে আছিল। আটাইতকৈ আচৰিত কথা সেই অচিনাকি ল'ৰাজনে, মাত্ৰ কেইটিমান মুহূৰ্তৰ কাৰণে চিনাকি হোৱা ল'ৰাজনে মোৰ ওচৰত খুউব সন্তৰ্পনে বহুদিন চিনাকি মানুহ এজনৰ দৰে কৈছিল—"মোক বাৰু কেইটামান টকা দিব পাৰিবনে? চল্লিশ টকা মান হ'লেই হ'ব। আহিবৰ সময়ত মাৰ হাতৰ খাৰু পাত বন্ধকীত থৈ আহিছো। এতিয়া কোনোমতে ঘৰটো চাপিব পাৰিলেই হ'ল।

মই আমাৰ হোষ্টেলৰ ল'ৰাবোৰৰ পৰা দুই-এটকা কৈ চাঁদা তুলি ল'ৰাজনক ট্ৰেইনৰ টিকটটো কাটি দি গাড়ীত উঠাই থৈ আহিছিলো। তাৰ মুখখন প্ৰফুল্লিত হৈ উঠিছিল। সেই প্ৰফুল্লিত মুখেৰেই সি মোক বিদায় পৰত কথা এটা কৈছিল—"আচলতে কি জানে? যি মানুহৰ আত্মীয়-স্বজনৰ মৃত্যুৰ পিচত ঘৰ-সংসাৰৰ কথা চিন্তা কৰিবলৈ একো নাথাকে তেওঁ সেই মৃতাত্মাজনৰ গুণ বখানি বখানি কন্দা-কটা কৰাৰ

বাহিৰে আইন একো কৰিবলৈ নাথাকে। কিন্তু যি মানুহক পিতৃ বিয়োগৰ পিচত শ ঢাকনিখন কিনিবলৈকে পইচাৰ কথা চিন্তা কৰিব-লগীয়া হয়; তেওঁ কন্দা কটা আদি সকু সুৰা আবেগ অনুভূতিক বৰ গুৰুত্ব নিদিয়ে।"

*    *    *

অধ্যাপক ৰুদ্ৰ গোস্বামী চাৰে 'ফাৰ্মাক'লজী'ৰ ক্লাচত বক্তৃতা দিওঁতে এদিনাখন কথা এবাৰ কৈছিল—"All the world's a stage and all the men and women in it merely players. They have their exists and entrances; and one man in his time plays many parts"—Shakespeare.

অনুপম। তুমি চাগে ৰুদ্ৰ গোস্বামী চাৰক আমাৰ কলেজত দেখা নাছিলা? সেইযে 'বৃষ্টি' নামৰ চিনেমাখনত অভিনয় কৰা বয়সীয়াল মানুহজন—কিয়, সেই যে-—'ডেকা ল'ৰা, গবৈ মাছ—কোমল চাউল' ……' অ' এতিয়া চিনি পাইচা নহয়। ৺গোস্বামী চাৰ যেতিয়া এইখন কলেজত ভাইচ্ প্ৰিন্সিপাল হৈ আছিল খেল ধেমালি, গান-বাজনা, নাটক অভিনয় চাৰিওফালে দপ্ দপাই আছিল। এবাৰ তেওঁ শিলচৰ মেডিকেল কলেজৰ প্ৰিন্সিপাল হৈ থাকোতে হঠাৎ আহি ওলাল ষ্টাফ্ ড্ৰামাৰ দিনাখন গধূলি ছয় বজাত। কলেজ অডিটৰিয়ামত ষ্টাফ্ ড্ৰামাৰ বাবে সকলোৱে সাজ-পাৰ কৰি নাটকৰ প্ৰথম দৃশ্য কৰিবলৈ সাজু! এনেতে ৺গোস্বামী চাৰ আহি হুলস্থুল লগাই দিলে তেওঁকো হেনো এটা ভাও লাগে। নাটকৰ ডিৰেক্টৰ বৰুৱাক ধমকি দি হুলস্থুল লগাইছে—"হেই বান্দৰ! (তেওঁৰ স্বভাৱসুলভ মাত) মোৰ পাট ক'ত?" ডিৰেক্টৰে মুহূৰ্তৰ ভিতৰতে পাট ৰচনা কৰি দিলে! নহ'লেতো উপায় নাই? দুটা মাত্ৰ সংলাপ! নাটকৰ নায়কক মঞ্চলৈ আহ্বান কৰি আনিব লাগে! আঁৰকাপোৰ খোল খোৱাৰ লগে লগে মঞ্চত নায়কৰ পৰিবৰ্তে দেখা গ'ল প্ৰফেচাৰ গোস্বামীক মঞ্চৰ ভিতৰত প্ৰবেশৰ বাবে ৰৈ থকা নায়কক আহ্বান কৰিছে– "কুমাৰ চাহাব আহক-আহক আমাৰ চিনেমাত

অভিনয় কৰি আমাৰ ছবি জগতত আপোনাৰ নাম সাৰ্থক কৰক।" লগে লগে অডিটৰিয়ামত জাউৰীয়ে জাউৰীয়ে হাত চাপৰি। গোস্বামী-চাৰৰ উলাহৰ পাৰ নাই। আনহাতে হাতত কোনো দাইলগটোকে এবাৰ বঙালীত, এবাৰ হিন্দীত আৰু এবাৰ ব্ৰজাবলী ভাষাৰে কোৱাৰ পিচতো যেতিয়া কুমাৰ চাহাব মঞ্চত প্ৰবেশ কৰা নাই তেতিয়া খঙৰ ভমকত ইংৰাজীৰেই আৰম্ভ কৰিয়ে—হোৱাই দণ্ট্‌চ ইউ কাম টু দা ষ্টেজ কুমাৰ চাহাব·।" পৰিচালকে ধৈৰ্যচ্যুত হৈ আঁৰকাপোৰ টানি দি গোস্বামী চাৰক হাতজোৰ কৰি ভিতৰলৈ অনাতহে ৰক্ষা। তেতিয়াও তেওঁ বিজয় উল্লাসেৰে কৈ আছিল—"দেখৰে বান্দৰ চব্‌! মই উইদাউত ৰিহাচেল কি বঢ়িয়া অভিনয় কৰি দেখুৱালোঁ। হেই বান্দৰ তোৰ নাটকৰ নাম কি আছিল ৰে ?······" সেইজনা গোস্বামী চাৰ আমাৰ চকুৰ সন্মুখতে হঠাৎ এদিন জীৱন নাটৰ সামৰণি মাৰিলে কোনোবা এক নাটকৰ নায়কৰ মৃত্যুৰ দৰেই। এক ধূসৰ সন্ধিয়া বৰবাৰীৰে মাজৰ বাটটোৰে খোলা গাড়ী এখনত লৈ যোৱা হৈছিল সেই মৃত দেহটি। আমি পিচে পিচে গোটেই কলেজখনৰ ছাত্ৰ-ছাত্ৰী অধ্যাপক মণ্ডলী তথা ৰান্ধনী-বাঢ়নিৰপৰা চৌকিদাৰলৈ সকলো ব্যক্তি সেই মৃত দেহটোৰ পিচে পিচে মৌন হৈ গৈ আছিলোঁ। মোৰ এনেকুৱা ভাৱ হৈছিল—যেন সেই চিৰ নিদ্ৰাৰ পৰা প্ৰফেচাৰ গোস্বামী চাৰ কেতিয়া জাগি উঠি আহিব আৰু পুনৰ তেওঁৰ স্বভাৱসুলভ মাতেৰে কব—"কিৰে বান্দৰ চব ! এই নাটকখন যে পাইছ—মোৰ পাৰ্ট ক'ত ৰে······?"

*　*　*

এনেকুৱা মৃত্যুৰ দৃশ্য প্ৰথম বাৰ্ষিকৰে পৰা দেখি দেখি মই তথা মোৰ বন্ধু বৰ্গৰ চিন্তাধাৰা সম্পূৰ্ণৰূপে সলনি হৈ গৈছিল। এদিন বিশেষ চিন্তা নকৰাকৈয়ে কলেজ কেণ্টিনত বহি চাহ খাই থাকোতে হঠাৎ আমি বিজ্ঞ লোকৰ দৰে কৈছিলোঁ—মানুহৰ জীৱনটো পাণ দোকানৰ সমুখত আঁৰি থৈ দিয়া মিডিয়াম চাইজৰ জ্বলি থকা এডাল ৰচিৰ দৰে, যিডাল

বচিয়ে মানুহৰ চিগাৰেট জলাবলৈ জুই দি দি নিজে নিজেই ছাইৰ ৰূপত নিঃশেষ হৈ যাব।

কিন্তু এনেকুৱা এটি মানসিক সিদ্ধান্তৰ পিচতো মানুহৰ মৃত্যুৰ বাবেই এদিন মই নিজেই কান্দি উঠিছিলোঁ। সেই দিনটোৰ কথা মোৰ মনত পৰিলে আজিকালি বৰ অথজা অথজা লাগে।

আজি তিনি বছৰ আগৰ কথা। মোৰ ওৱাৰ্ডত এজন বুঢ়া মানুহ ভৰ্তি হৈছিল। ধৰ্মকান্ত ডেকা। স্বাধীনতা সংগ্ৰামৰ কুশল কোঁৱৰৰ ফাঁচী হ'ল—ধৰ্মকান্ত ডেকা কথমপি বাচি গ'ল। গোটেই জীৱনটো সংগ্ৰামত লাগি থাকোতে তেওঁৰ জীৱনত আৰু বিয়া-বাৰু কৰোৱা নহ'ল। এসময়ত বৰ উদাত্ত কণ্ঠৰ লোক আছিল। যোৱা পাঁচ বছৰ ধৰি তেওঁৰ মাঁতটো ক্ৰমাৎ সৰু হৈ আহিছিল—কণ্ঠনলী কৰ্কট ৰোগাক্ৰান্ত। তেওঁৰ মাতটো ক্ৰমাৎ সৰু হোৱাত তেওঁ প্ৰায়েই সুধিছিল—"মই বাৰু আগৰ নিচিনাকৈ ডাঙৰ ডাঙৰ মাতেৰে হাজাৰ হাজাৰ জনতাৰ মাজত বক্তৃতা দিব পাৰিমনে? আগৰ নিচিনা জন-সমাজত ঘূৰি ফুৰিব পাৰিমনে? মই তেওঁক মিছা শান্তনা দি আছিলোঁ—পাৰিব! নিশ্চয় পাৰিব। এমাহ পিচতেই সকলো ঠিক হৈ যাব।

সিদিনাখনো তেখেতক মিছা শান্তনা দি মোৰ চল্লিশ নম্বৰ কোঠাটোত সোমোৱাৰ লগে লগে টেলিগ্ৰাম এখন পাইছিলোঁ "Father expired" মোৰ দেউতাও কণ্ঠনলীৰ ৰোগাক্ৰান্ত হৈ গুৱাহাটী মেডিকেল কলেজৰ কোঠা এটাত পৰি আছিল—। তেওঁকো ডাক্তৰে প্ৰায়েই মিছা শান্তনা দি আছিল—"পাৰিব আপোনাৰ ল'ৰাজনক ডাক্তৰ হোৱা নিশ্চয় দেখিবলৈ পাব।" কিন্তু মই ডাক্তৰ হোৱাৰ বহুদিন আগতেই কৰ্কট ৰোগৰ প্ৰচণ্ড আক্ৰমণত সেই মিছা শান্তনাবোৰৰ পৰা মুক্তি পালে।

অন্ত হোষ্টেল কঁপি যোৱা মোৰ কান্দোন শুনি মোৰ বন্ধুবোৰে মোক বুজাইছিল—"সেই নিকুন তই অলপ শান্ত হৈ উঠ্‌চোন। তোৰ চকুৰ আগতে কিমান মানুহৰ মৃত্যু দেখিছ—তথাপি তই বাৰু ইমিউন হ'ব পৰা নাইনে! মানুহ জন্মিছে যেতিয়া মৰিবই।" কিছুমানে

কৈছিল—"তাক কান্দিবলৈ দে! নিজৰ দেউতাক ঢুকাইছে যেতিয়া নেকান্দি পাৰে ?"

মই কিছু সময় পিচতেই শান্ত হৈ পৰিছিলোঁ। এবা, মোৰ চকুৰ আগতে কিমানৰ মৃত্যু দেখিছোঁ দেউতাও মানুহ হে।

ঘৰত ভৰি দিয়াৰ লগে লগে বাটে বাটে কল্পনা কৰি যোৱা পৰিবেশ-টোৱেই পাইছিলোঁ। গাঁৱৰ মানুহবোৰ আহি ঘৰ ভৰি পৰিছে। পৰিয়ালৰ মানুহ আটাইবোৰে কান্দিছে। মোৰ একমাত্ৰ ভনীজনীয়ে দেউতাৰ অতি মৰমৰ ছোৱালীজনীয়ে মোৰ আঁঠুটোৰ ওপৰত মূৰ গুজি কান্দিছে। মই তাইৰ মূৰটো পিহি পিহি কৈছিলোঁ—"দেউতা ঢুকাল কি হ'ল ? মইতো আছোঁ। তই নেকান্দিবিচোন মাজনী।" গাঁৱৰ মানুহবোৰে মোৰ এই ধৈৰ্য দেখি, আত্ম-সংযম দেখি বৰ আচৰিত হৈছিল। দেউতাৰ শৱ পিণ্ডন কৰিবলৈ অহা পুৰোহিতজনে গল-গলীয়া মাতেৰে কৈছিল—

"যা নিশা সৰ্বভূতানাং তস্যাং জাগৰ্তি সংযমী ঃ।
যস্যাং জাগ্ৰতি ভূতানি সা নিশা পশ্যতো মুনে ঃ॥

অৰ্থাৎ যেতিয়া সকলো প্ৰাণীৰে ৰাতি হয়—সংযমী লোক তেতিয়া সাৰ পাই থাকে ; যেতিয়া সকলো প্ৰাণী সাৰ পাই উঠে, সংযমী লোকৰ দেখাত সেয়াই ৰাতি, পুৰোহিতজনৰ মতে মই ডাক্তৰ হ'বলৈ ওলাইছোঁ যেতিয়া অন্ততঃ মানুহৰ জন্ম-মৃত্যুৰ ক্ষেত্ৰত ধ্যান-ধাৰণা সম্পূৰ্ণৰূপে সংযমী হোৱা দেখি তেওঁ বৰ সন্তোষ পাইছে।

মোৰ মনে মনে ভাব হৈছিল—মই বাৰু মানুহজন বেচ চালাক নেকি ?

## দুই

মোৰ পিতৃবিয়োগৰ সময়ত মোক শান্তনা দিয়া আঁতৰাইবোৰ বন্ধুৰে মনৰ জোৰ হঠাৎ এদিন বাৰিষাৰ বানে পাৰ ভাঙি নিয়াৰ দৰেই চুৰমাৰ হৈ গ'ল। সিদিনা সিহঁতেও কান্দিলে। অৱশ্যে সিহঁতৰ এই কান্দোন কোনো আত্মীয় স্বজনৰ বিয়োগত নহয়, এক আসক্তিৰ বন্ধন মুক্তিতহে।

অসম চিকিৎসা মহাবিদ্যালয়লৈ দিনে-ৰাতিয়ে অনেক বেমাৰ আহিছে। এটা গতানুগতিক পদ্ধতিৰে চিকিৎসা চলিছে, কোনোবা জন আৰোগ্য হৈছে, কোনোবা জন মৃত্যুৰ কঠোৰ হাতত সমৰ্পিত হৈছে। কোনো বেমাৰীক আমাৰ অন্তৰত নিবিড়ভাৱে স্থান দিবলৈ আমাৰ সময় নাই। অথচ এজনী সৰু ছোৱালীৰ বেমাৰত আমাৰ দৃষ্টিভঙ্গীৰ সালসলনি হৈছিল। তাৰ কাৰণ মই আজিও বুজিব পৰা নাই।

কেন্সাৰ ওৱাৰ্ডত এদিনাখন এজনী খুউব কম বয়সীয়া ছোৱালী ভৰ্তি হৈছিল। যোৰহাটৰ ছোৱালী। নামটো মোৰ মনত পৰিছে-- ৰুণুমী। মাত্র বাৰ বছৰীয়া ছোৱালী। সোঁ ভৰিখনৰ আঁঠুটো ক্রমাৎ ক'লা আহিছে—লগে লগে বিষ আৰম্ভ হৈছে। এক্সৰে ফিল্মত চানৰে এপিয়াৰেনচ্—"অষ্টিওজেনিক চাৰ্কোমা অব ৰাইট ফিমাৰ।" আমি সকলোৱে বুজিছিলোঁ—এই ফুল কুমলীয়া ছোৱালীজনীৰ এচোক জীৱন পি পিয়ালাটো শূন্যত এৰি দি জীৱনৰ ৰং চোৱা ছোৱালীজনীৰ কিছুদিন পিচতেই কৰ্কট ৰোগৰ প্ৰচণ্ড আক্ৰমণত জীৱনৰ সকলো ৰং মৰহি যাব। তথাপি আমি তাইৰ কথা-বতৰা খোজ-কাটল, হাঁহি-ধেমালিত ইমান আকৃষ্ট হৈ পৰিছিলো। তাই ইমান ক'ম বয়সৰ অথচ এজনী বয়সীয়াল মানুহৰ দৰে ইমান জ্ঞান-গৰ্ভশীল কথা কব জানে। ইমান সুন্দৰকৈ হাঁহিব জানে! তাইৰ হাঁহিত যেন মৃত্যুৰ অন্ধকাৰেৰে

আৰৰি বঁধা কেন্সাৰ ওৱাৰ্ডটোৰ অন্ধকাৰবোৰ মম গলাদি টুকুৰ টুকুৰ হৈ সৰি পৰিছিল। সেই সৰি পৰা এন্ধাৰৰ ফাঁকে ফাঁকে তাইক যেন জোনাক দেখা গৈছিল।

তাই এদিন অভিযোগ কৰি উঠিছিল—কাষৰ কোঠাটোত থকা তাইৰ বয়সৰে অইন এজনী ছোৱালীৰ ওপৰত। সেই ছোৱালীজনীও কেন্সাৰ ওৱাৰ্ডটোত বহুদিনৰ পৰাই আছিল। সেই ছোৱালীজনীয়ে হেনো তাইৰ কাণে কাণে কৈছিল—"জান ৰুণুমী! এই ওৱাৰ্ডটোৰ পৰা কোনো এজন বেমাৰীও আজিলৈকে ঘৰলৈ ঘূৰি যাব পৰা নাই। কোনোৱা গৈছে যদিও কিছুদিন পিচত মৃত্যুৰ খবৰ হে পোৱা যায়। সেইবাবে মোৰ মাজে মাজে বৰ ভয় হৈ যায় ৰুণুমী!"

ৰুণুমীয়ে তাইৰ কথা শুনি ইমান খং কৰিছিল যে তাই টেবুলৰ ওপৰৰ ফুলদানিটো সেই ছোৱালীজনীৰ কপাললৈ খঙৰ কোবতে দলি মাৰি দিছিল। ছোৱালীজনীৰ কপালেৰে তেজ ওলাই আহিছিল। গধূলি আমি ওৱাৰ্ডলৈ যোৱাত ৰুণুমীয়ে আমাৰ আগত ফেকুৰি ফেকুৰি কৈছিল—"এই মানুহবোৰক আপোনালোকে হাস্পাতালত ভৰ্ত্তি কৰে কিয়! ইহঁতে মানুহৰ জীৱনত মৃত্যুৰ বাহিৰে আৰু অইন একোকে দেখা পোৱা নাই।" আমি আটায়ে তাইক পাৰেমানে বুজাইছিলোঁ— "সেই ছোৱালীজনীয়ে একোকেই নেজানে। একেবাৰে মূৰ্খক...... ইত্যাদি।

হোষ্টেললৈ উভতিলৈ 'লাভ এণ্ড বেইলি'ৰ পাত—লুটিয়াইছিলোঁ। ক্লাচিফিকেচন অব্ টিউমাৰ, দায়েগন'চিচ এণ্ড ট্ৰিটমেণ্ট অব অষ্টিওজেনিক চাৰ্কমা ইত্যাদি। ৰুণুমীৰ X-ray film খন স্পষ্টকৈ মনৰ মাজত ভাহি আছিল। "চানৰে এপিয়াৰেন্স" অতি সুন্দৰভাৱে দেখা গৈছে। ইয়াৰ আগতে মই কোনো এখন ফিল্মতেই "চানৰে এপিয়াৰেন্স" ইমান স্পষ্টকৈ দেখা নাই।

এটা সময়ত মোৰ চিলমিলিয়াকৈ টোপনি আহিছিল। ৰাতি প্ৰায় এটা বাজিছিল। হঠাৎ মোৰ দুৱাৰত টোকৰ এটা শুনি সাৰ

পাই উঠিলোঁ। মোৰ বন্ধু যোগেন ডুৱাৰা ফোঁপাই জোপাই দৌৰি আহিছে।

: কি হ'ল ডুৱাৰা? ইমান ৰাতিয়ে?

: কেন্সাৰ ওৱাৰ্ডলৈ ব'লক।

আমি বাটত কোনেও একো কথা পতা নাছিলোঁ। একে দৌৰে কেন্সাৰ ওৱাৰ্ডটো পাইছিলোঁ। গোটেই ওৱাৰ্ডটোত কলেজখনৰ প্ৰায়বোৰ ল'ৰা-ছোৱালী গোট খাইছিল। কোনোবা এজনে বগা কাপোৰ এখনেৰে তাইৰ দেহটো ঢাকি দিয়াত আটাইবোৰে একেলৰে উচুপি উঠিছিলোঁ। কোনেও কাৰো ফালে চোৱা নাছিলোঁ। মোৰ পিতৃ বিয়োগৰ সময়ত অতিকৈ শান্তনা দিয়া অঞ্জনে এটা মুহূৰ্তত উচ্চস্বৰে কান্দি উঠিছিল। সেই মুহূৰ্তত কিয় জানো মোৰ অন্তৰখন অতি সবল হৈ উঠিছিল। চেষ্টা কৰিও মই কান্দিবপৰা নাছিলোঁ। মাথোঁ কেন্সাৰ ওৱাৰ্ডৰ একেবাৰে মূৰৰ বেৰখনত আঁৰি থোৱা ক্ৰুচবিদ্ধ যীশুৰ ফটোখনৰ তলত গোট গোট আখৰেৰে লিখি থোৱা কথা ফাকিত মোৰ দৃষ্টি বন্ধ হৈছিল—

"Is death the last sleep !
No, it is last and Final awakening"

: অনুপম।

নিকুনদা!

: বলাচোল অলপ বহিঃবিভাগৰ ফালৰ পৰা আহোঁ।

: ব'লক!

: এই বহিৰ্বিভাগটোৰ পৰা শৰ্মাকেন্টিনৰ সন্মুখত তিনিআলি চকটোলৈকে তোমাৰ কেনেকুৱা লাগে বাৰু! প্ৰত্যেকদিনেই ইমান মানুহৰ ভিৰ। প্ৰত্যেকৰে নিজৰ নিজৰ আশাপূৰণৰ যেন শেষ স্থল ৰবৰাবীৰ ভিতৰৰ আউটদৰ, ইনদৰ, কলেজ অফিচ, কলেজ হোষ্টেল আনকি মৃতদেহ দমাইথোৱা শব-গৃহ কেইটিও। মানুহ আৰু মানুহ। সকলোৱে নিজৰ কামত ব্যস্ত। আকৌ আবেলি সময়ত গোটেই দিনটোৰ কৰ্মব্যস্ততাৰ অন্তত অধ্যাপক, ছাত্ৰ অথবা হোষ্টেলৰ তাত

ৰাজনীজনও এই তিনি আলিৰ চকটোৰে এনেয়ে এপাক ঘূৰি যোৱাৰ লোভ সামৰিব নোৱাৰোঁ। প্ৰতিটো দিনেই যেন কিবা এটি নতুন বাতৰিহে কঢ়িয়াই আনে—"The news ; our morning noon and evening cry ; day after day repeats it till we die."

এনেহেন জনসমাবেশৰ মাজত এদিনাখন মই এজন আলৰ বুঢ়া মানুহ অবিষ্কাৰ কৰিছিলোঁ। আবিষ্কাৰ কথা বুলি মই এই কাৰণেই কৈছোঁ যে এনেকুৱা জনসমাবেশৰ মাজত কাৰো চকুত নপৰা একেবাৰে অলৰ-অচৰ বুঢ়া মানুহজনে ৰবাৰী সম্পৰ্কে মোক বহুতো পুৰণি কথাৰ সন্ধেদ দিছিল।

জামুৱাৰী মাহৰ শেষৰফালে কেবাদিনো বুঢ়া মানুহজনক মই বহিৰ্বিভাগৰ সন্মুখত লগ পাইছিলোঁ। কঁপা কঁপা হাত, কঁপা কঁপা ভৰি, লাখুটিত ভৰ দি দি কথমপিহে আহিছিল। খন্তেক সময় কলেজ বহিৰ্বিভাগলৈ একেথৰে চাই থাকি পিচত সন্মুখৰ চাহ বাগিচাখনৰ মাজৰ লুংলুঙীয়া বাটটোৰে গুচি গৈছিল। থৰক-বৰক প্ৰতিটো খোজতেই বুঢ়াজনে যেন বিচাৰি ফুৰিছিল কিবা এটা অবুজন জীৱনৰ স্বাদ!

আবেলি সময়ত মই কেবাদিনো বুঢ়া মানুহজনক লগ পাইছিলোঁ। মনৰ কৌতূহল দমাই ৰাখিব নোৱাৰি এদিন সুধি পেলাইছিলোঁ—"ককা! আপুনি যে প্ৰত্যেকদিনেই এনেদৰে আবেলি সময়ত লাখুটিত ভৰ দি আহি আহি আকৌ গুচি যায়, তাৰ কাৰণ নো কি? কিবা পুৰণি বেমাৰত ভুগি আছে নেকি?"

বুঢ়াজনে মোৰ কথা শুনি খন্তেক থমকি ৰ'ল। কোটৰত সোমাই যোৱা ঘোলাকণীৰ দৰে সেমেকা চকুৰীৰে মোলৈ একেথৰে চাই ৰ'ল। ক্ৰমে তেওঁৰ চকুযুৰী উজ্জ্বল হৈ আহিল। কঁপা কঁপা মাতেৰে ক'লে—"বেমাৰেই মোৰ সোণ! বৰ ডাঙৰ বেমাৰ।"

মই সাগ্ৰহে সুধিলোঁ—"কওকচোন আপোনাৰ কষ্ট কি?" বুঢ়াৰ মাতটো কিছু পৰিমানে ডাঠ ও স্পষ্ট হৈ উঠিছিল। মোৰফালে

আগবাঢ়ি আহি ক'লে—"ব'লাচোন মোৰ সোণ! সৌ জৰী গছডালৰ তলত বহিয়েই কথাখিনি কওঁ।"

আমি দুয়ো কলেজ আউটদ'ৰৰ সন্মুখৰ জৰী গছডালৰ তললৈ গলোঁ। বুঢ়াজনে মাটিতে লেপেটা কাঢ়ি বহি ক'লে—"আচলতে মোৰ কোনো বেমাৰ হোৱা নাই সোণ! বেমাৰনো কি বস্তু আজিলৈকে গমেই নেপালোঁ। কিন্তু মনৰ দুঃখতকৈ জানো আৰু কিবা ডাঙৰ বেমাৰ আছে সোণ?"

বুঢ়াৰ মনৰ বেমাৰটো জানিবলৈ মই বৰকৈ ইচ্ছা প্ৰকাশ কৰিলোঁ। বুঢ়াই এটা হুমুনিয়াহ কাঢ়ি ক'লে—"এই কলেজখনৰ চৌহদটো মোৰ অতি মৰমৰ। অতি আপোন। মোৰ জীৱনৰ অনেক স্মৃতি এই কলেজখনৰ বুকুত বিজড়িত হৈ আছে, মোৰ সোণ!"

বুঢ়াই এইবাৰ বহাৰ পৰা উঠি লাখুটিডালত দেহাৰ সমস্ত ভৰ আৰোপ কৰি ক'লে—"মই আজি প্ৰায় আঢ়েকুৰী বছৰৰ আগৰ কথা ক'বলৈ গৈছোঁ মোৰ সোণ। তেতিয়া ইয়াত কলেজ আদি একো হোৱাই নাই। মোৰ মনত এই কলেজখন যেন যোৱাকালিহে হৈছে।"

মই কথাৰ মাজতে সুধিলোঁ—"তাৰ মানে ককা, ইয়াত যে এসময়ত বৃটিচ চাহাবে 'ঘোঁৰাদৌৰ' খেলিছিল তাক আপুনি নিজ চকুৰে দেখিছিল?"

বুঢ়াই এক বিশেষ গম্ভীৰ কণ্ঠেৰে ক'লে—"অকল দেখাই নহয় সোণ নিজেও খেলিছোঁ। এই গোটেই চৌহদটো এখন আহল-বহল—ঘোঁৰাদৌৰ চাপৰি আছিল। এই চাপৰিটোত তাহানি অনেক দেওলগা ঘটনা ঘটিছিল। এই চাপৰিটোৰ বৰ্থীয়াজনে মন্ত্ৰৰ বলতহে বোলে ইয়াত বাস কৰিবলৈ সমৰ্থ হৈছিল। এই ঠাইবোৰ বিৰিনাৰে ভৰা চাৰিওফালে মৰিশালি। দিনতেই মানুহ যাবলৈ ভয় কৰে। সন্ধ্যাৰ পিচতেই ধনগুলৈ ওলায়। মাছৰ ভাৰ নিলে ভাৰৰ মাছ ভাৰতেই শেষ হয়—বাঘে খায়।

এই চাপৰিটোতে তাহানি বৃটিচ চাহাবৰ ঘোঁৰাদৌৰ খেলখন হৈছিল। প্ৰত্যেক বছৰে জানুৱাৰী মাহৰ শেষৰ সপ্তাহটোত মঙ্গল,

বৃহস্পতি আৰু শনিবাৰে পিচবেলা এই খেলখন হৈছিল। খেলত যোগ দিবলৈ নানান ঠাইৰ পৰা শ শ মানুহ ইয়াত গোট খাইছিল। গোটেইখন খেল পথাৰতেই বিলাতি চাহাবেৰে পূৰ হৈ যায়। খেলত যোগদিবলৈ আনকি মণিপুৰৰ ৰজাও আহিছিল। চাৰিওফালে মানুহ, মানুহ আৰু মানুহ। এই ঠাইখনৰ এক বিশেষ গুণ আছে মোৰ সোণ—মানুহ আকৰ্ষণ কৰিব পাৰে। সেয়ে আজিও ইয়াত মানুহৰ ধাৰ যেন উজান উঠা মানুহে।"

বুঢ়াই খন্তেক থমকি বৈ এখোজ দুখোজকৈ তিনি আলিৰ চকটোৰ ফালে আগবাঢ়ি গ'ল। তাৰপিচত কলেজ-প্ৰবেশ পথত থকা ৰূপালী-জয়ন্তীৰ গেটখনলৈ আঙুলিয়াই ক'লে—"এই গেটখন সজা আজি দুবছৰ মানহে হ'ল। এই যে তিনি আলিৰ চকটো দেখিছা—এইখিনিতেই আছিল ঘোঁৰাদৌৰ মৰা চক্ৰটো। দক্ষিণলৈ আৰু পূবলৈ যোৱা এই দুটা পথেৰেই ঘোঁৰাই দৌৰ মাৰিছিল। এই চক্ৰটোৰ ভিতৰত যাদু মেলা বহিছিল, যাদুখেল আৰু চাৰ্কাচো হৈছিল। আটাইকেইদিন খেলৰ প্ৰথম, দ্বিতীয় হোৱা ঘোঁৰাই পুৰস্কাৰ পাইছিল। লগতে দৰ্শকেও ঘোঁৰাত বাজি ধৰি জয়লাভ কৰিলে পুৰস্কাৰৰ ভাগ পাইছিল। শেষৰ দিনাখন হৈছিল কালাবাজি। সেই শেষ নিশাটিত ঝুমুৰ নাচ, বিহু-গীতেৰে চাপৰিটো খলকনি লাগি উঠিছিল। বহাগৰ আগজি বতৰা নৌ আহোঁতেই এই চাপৰিটোত ৰঙালী বিহুৰ যেন অকাল বোধন হে হৈছিল। ইংৰাজ চাহাববোৰ ঝুমুৰৰ তালে তালে, বিহুগীতৰ সুৰে সুৰে মদিৰা পান কৰি নাচি নাচি ভাগৰি পৰিছিল। পিচ-দিনালৈ, জনশূন্য হ'বলৈ খোজা চাপৰিটোত, সেই নিশাটিত জোনবায়ো হেন বিষাদতে থমকি থমকি বৈ গৈছিল।"

বুঢ়াই এইবাৰ এটি গভীৰ হুমুনিয়াহ কাঢ়ি মাটিতে লেপেটা কাঢ়ি বহি পৰিল। চকুযুৰী চলচলিয়া হৈ উঠিল। খোকা-খুকি মাতেৰে ক'বলৈ আৰম্ভ কৰিলে—"এনেকুৱা ঘোঁৰাদৌৰ খেলৰ এনিশা মোৰ জীৱনৰ আটাইতকৈ কৰুণ ঘটনাটি ঘটিছিল মোৰ সোণ! মোৰ একমাত্ৰ ছোৱালীজনীয়ে সমনীয়াৰ লগত হাতত ফুলাম জাপিলৈ

বিহু নাচি আছিল। এনেতে এজন মিলিটাৰী চাহাবে ছোৱালীজনীক ঘোঁৰাত উঠাই লৈ সম্মুখৰ চাহ বাগিচাখনৰ মাজৰ লুংলুঙীয়া পথটোৰেদি পলাই গৈছিল। মোৰ ছোৱালীজনীয়ে অকল "দেউতা দেউতা" বুলি চিঞৰাৰ বাহিৰে আৰু কৰিবলৈ একোকেই বিচাৰি পোৱা নাছিল। ঘোঁৰাৰ খুৰাৰ খট্‌খট্‌ শব্দত, কপালৰ ঘুগুৰাৰ জুনজুনতি তাইৰ কণ্ঠস্বৰ ম্লান হৈ পৰিছিল। মই পিচে পিচে দৌৰিছিলোঁ, কেৱল দৌৰিছিলোঁ। এটা সময়ত ঘোঁৰাৰ খুৰাৰ শব্দ ঘুগুৰাৰ মাত একো মুশুনা হৈছিল।

শেষ নিশা পল্টন বজাৰৰ মাজত তাইৰ ফুলাম জাপিটোহে অকলে পৰি থকা দেখা পাইছিলোঁ।

বহুদিনৰ মূৰত-খবৰ পাইছিলোঁ চাহাব হেনো কলিকতা পাৰ হৈ গৈছিল। মোৰ ছোৱালীজনীক হেনো তেওঁ বিয়া কৰাই বৰ মৰম চেনেহ কৰিছিল।"

এইবাৰ বুঢ়াজন কিছু চঞ্চল হৈ উঠিল। যথেষ্ট ডাঙৰ মাতেৰে ক'লে—"কিন্তু ভগৱানে তাইৰ সুখ সহ্য নকৰিলে। দ্বিতীয় মহাযুদ্ধৰ সময়ত এটা বেল দুৰ্ঘটনাত সেই চাহাবজনৰ সৈতে মোৰ একমাত্ৰ ছোৱালীজনী, অতি মৰমৰ ছোৱালীজনী—হঠাতে মৃত্যুমুখত পৰে।"

বুঢ়াজন কিছু সময় থৰ পৰি ৰ'ল। লোকে বুকুত খুন্দা মাৰি ধৰিলে। মই বুঢ়াজনক পাৰেমানে শান্তনা দিলোঁ—"সুখ-দুঃখে সমে কৃত্বা লাভা-লাভৌ জয়াজয়ৌ···" ইত্যাদি।

বুঢ়াজন এটা সময়ত সম্পূৰ্ণ শান্ত হৈ উঠিল। আকৌ লাখুটিত ভৰদি এখোজ-দুখোজকৈ আগবাঢ়ি গ'ল। খোৰ গতিৰ লগে লগে কৈ গ'ল—"দ্বিতীয় মহাযুদ্ধৰ আৰম্ভৰ লগে লগে এই চাপৰিটোৰ পৰা ঘোঁৰদৌৰ খেল লোপ পালে। পুনৰ এই ঠাইখিনি মৰিশালি যেন হৈ পৰিল। যুদ্ধৰ সময়ত দহ-পোন্ধৰ দিনৰ বাবে এই চাপৰিটোতে জেওু পাতৰ ঘৰ সাজি কিছুমান অঘৰী ভগনীয়াই আশ্ৰয় লৈছিল। সেই সময়ত সেই ভগনীয়া এটা বৰ আচৰিত কথা কৈছিল মোৰ সোণ! সিহঁতে হেনো পঁজাল শুনিবলৈ পাইছিল—ঘোঁৰাৰ খুৰাৰ শব্দৰ, ঘুগুৰৰ জুমুক জুমুক মাত, আৰু মোৰ ছোৱালীজনীৰ শূইনত বিলীন হৈ যোৱা

কণ্ঠস্বৰ : দেউতা—দেউতা! আৰু এয়া যদি ভ্ৰান্তি নহয় ময়ো এদিন ৰাতি শুনিবলৈ পাইছিলোঁ। মোৰ সোণ সেই একেই ঘোঁৰাৰ খুৰাৰ শব্দ, ঘুঙুৰাৰ জুমুক জুমুক মাত আৰু মোৰ মৰমৰ ছোৱালীজনীৰ শূইনত বিলীন হৈ যোৱা কণ্ঠস্বৰ।"

বুঢ়াজনৰ কথা শুনি মই বৰ আচৰিত হৈছিলোঁ। আজিকালিও কোনোবাই তেনেকুৱা শব্দ শুনাৰ কথা কয় নেকি শুধিছিলোঁ। বুঢ়াজনে হুমুনিয়াহ কাঢ়ি কৈ গ'ল—"যুদ্ধৰ সময়ত এই চাপৰিটোতে ইণ্ডিয়ান জেনেৰেল হস্পিতালখন গঢ় লৈ উঠিছিল। যুদ্ধ সামৰণিৰ পিচত সামৰিক বাহিনীয়ে যবে বস্তু তাত এৰি থৈ গুচি গৈছিল। দেশ স্বাধীন হোৱাৰ পিচত ৺গোপীনাথ বৰদলৈদেৱৰ প্ৰমুখ্যে দেশনেতা সকলে সেই সামৰিক চিকিৎসা শিবিৰটোকেই আজিৰ এই মেডিকেল কলেজলৈ ৰূপান্তৰিত কৰে। ঠিক এইখিনিতেই খুটি তুটা পুতি বৰদলৈ দেউতাই হস্পিতালৰ ফিটা কাটিছিল। আৰু সেই দিন ধৰি ইয়াত মানুহ, মানুহ আৰু মানুহ। কোনোবা আহিছে হাত ভাগি, কোনোবা আহিছে ভৰি ভাগি, কোনোবা আহিছে মৃত্যুৰ শেষক্ষণ গণি। ইমান মানুহৰ সমাবেশ মই আৰু আগতে ক'তো দেখা নাই বোপা! গাড়ী মটৰৰ শব্দ, মানুহৰ সমাগম, ঔষধ-পাতিৰ গোন্ধত সেই মৃতাত্মাবোৰ চাগে আজি-কালি আৰু এই ঠাইখিনিলৈ আহিবলৈ সাহস নকৰে। আঁতৰে আঁতৰে পলাই ফুৰে। কিন্তু তথাপিও মই আহোঁ মোৰ সোণ, জানুৱাৰী মাহৰ এই কেইটা দিনত, এটি বিৰাট আশা বুকুত বান্ধিলৈ—কিজানিবা কোনোবা এটা মুহূৰ্তত পুনৰাই পঁজাল শুনিবলৈ পাওঁ সেই বৃটিচ চাহাবৰ ঘোঁৰাৰ খুৰাৰ শব্দৰ, ঘুঙুৰাৰ জুন-জুননি আৰু মোৰ অতি মৰমৰ ছোৱালীজনীৰ শূইনত বিলিনহৈ যোৱা কণ্ঠস্বৰ—: দেউতা—দে-উ-তা।

## সপ্তম দৰ্শন

### এক

: অনুপম !

: নিকুনদা !

: ৰাতি পুৱাবলৈ আৰু বেছি পৰ নাই। ব'লা হোষ্টেললৈ উভতি যাওঁ। মোৰ অতি মৰমৰ হোষ্টেলটোত, যিটো হোষ্টেলত মোৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সময়বোৰ অতিবাহিত হৈ গ'ল, সেই হোষ্টেলটো এবাৰ ঘূৰি চাবলৈ মোৰ খুউব মন গৈছে।

: ব'লক ! ভাগৰো লাগিছে। কমত সোমাই একাপ চাহ খাই লব লাগিব।

: তাৰ আগতে নিউ হোষ্টেলটোৰ ওপৰ মহলাৰে এপাক ঘূৰি আহিম। খুউব মন গৈছে এই হোষ্টেলটোৰ প্ৰতিটো চুকত, প্ৰতিটো কোণত বিগত দিনৰ হেৰাই যোৱা স্মৃতিবোৰ ৰোমন্থন কৰিবলৈ। এই শেষ নিশা, গোটেই ৰৰবাৰীক কুঁৱলীয়ে গৰ্ভস্থ কৰি যোৱা এই শেষ নিশাটিত সৌ দূৰণীৰ লেবাৰ ৰুমৰ পৰা ভাহি অহা সদ্যজাত শিশুৰ প্ৰথম কান্দোনত মোৰ শৰীৰৰ প্ৰতিটো অঙ্গ সচকিত হৈ উঠিছে—"God sends children for another purpose then merely to keep up the race—to enlarge our hearts; and to make us unselfish and bull do kindly sympathis and affections; to give our souls higher aims; to call out all our faculties to entended enterprise and exertion; and to bring round our firesides bright faces, happy smiles and leving, tender hearts." মোৰ বিগত দিনৰ স্মৃতি ৰোমন্থন কৰি এই নিউ হোষ্টেলটোৰ প্ৰতিটো ধূলিকণাতেই মই এই মহৎ উদ্দেশ্য

টোকে দেখিবলৈ চাইছোঁ অনুপম। সৌৱা চোৱা নিউ হোষ্টেলৰ পূৱ-ফালৰ শাৰীৰ বিজুলী চাকিবোৰ খন্তেক আগতে নুমাইছে, কিন্তু পশ্চিম-ফালৰ শাৰীটো দিন যেন হৈ জ্বলি উঠিছে। সেই কোঠাবোৰত অনাগত ভৱিষ্যতত মানুহৰ জীৱনকলৈ জীৱন-বন্দনা গোৱা এজাক বন্ধুৱাৰ কি যে হাড় ভগা পৰিশ্ৰম। সন্মুখত "ডেভিদচন," বেইলি এণ্ড লাভ, গ্ৰে এনাটমী। সেই বিৰাট বিৰাট গ্ৰন্থৰ মাজত সোমাই থাকি নিশাৰ এই শেষ প্ৰহৰত সিহঁতে গাবলৈ খুজিছে—"পূৰ্ব ভাৰতীৰ তীৰ্থ প্ৰাঙ্গনৰ পূজাৰী আমি জনতাৰ ···।" কি যে এক হাড়ভগা পৰিশ্ৰম, কোনোবা সাগৰপুত্ৰ ভগীৰথৰ গঙ্গা আনয়নৰ কঠোৰ তপস্যা। বাস্তৱতাৰ ব্ৰহ্মযজ্ঞ। মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পতন!

° ° ° •

অথচ কেতিয়াবা কেতিয়াবা দেখিবা সিহঁত বাৰে বাৰে পিচলি পৰিছে সিহঁতৰ লক্ষ্যস্থানত উপনীত হোৱাৰ প্ৰচেষ্টাত। সেইখিনি সময়ত সিহঁতে অতিকৈ অনুভৱ কৰে যেনিবা সিহঁত হঠাতে কোনো এক গহ্বৰৰ ভিতৰত সোমাই পৰিছে—চৌদিশ আন্ধাৰে আবৰা এক বিৰাট গহ্বৰৰ বেৰবোৰত এটা সুৰুঙা বিচাৰি হাবাথুৰি খাই ফুৰিছে যিটো সুৰুঙাৰে একাজলি ৰ'দৰ পোহৰ আহি সিহঁতক কাণে কাণে শিকাই থৈ যাব-- "We mount to heaven mostly on the ruins our cherished schemes, finding our failure were success."

## দুই

অধ্যাপক সদানন্দ বৰা'ই এই কলেজখন এৰি যোৱাৰ আগদিনাখন এইটো নিউ হোষ্টেলৰ গল্প গল্প লগা কিছুমান কথা মোৰ আগত কৈছিল ঠিক এনেদৰে নিউ হোষ্টেলটোৰ মাজেৰে এপাক ঘূৰোঁতে তেওঁ নিজে দেখিশুনি উপলব্ধি কৰা কিছুমান টুকুৰা-টুকুৰ সঁচা কথা। অধ্যাপক সদানন্দ বৰা বহুদিন এই হোষ্টেলটোৰ চুপাৰিণ্টেনডেণ্ট আছিল। সেই দিনাখন চিৰদিনৰ বাবে বৰবাৰী এৰি যাবলগীয়া হোৱাত তেওঁ শেষ বাৰৰ বাবে এই হোষ্টেলটোৰ মাজেৰে এপাক ঘূৰোঁতেই তেওঁৰ মনত উদয় হোৱা কথাবোৰ ইটো সিটো লগলাগি এটি সুন্দৰ গল্পৰ সৃষ্টি হৈছিল—যিটো গল্পৰ নাম তেওঁৰ মতে হ'ব—"এটা এন্ধাৰ নিশাৰ ইলিজি"। তেওঁ কোৱাৰ দৰেই মই কৈ গৈছোঁ শুনা।

: দুই নম্বৰ কোঠাৰ পৰা ওলাই অধ্যাপক সদানন্দ বৰা ওপৰ মহলালৈ খোজ দিলে। ওপৰ মহলালৈ যোৱা চিৰিটোৰ দুই ষ্টেপ মান যাওঁতেই হঠাৎ গোটেইখন বৰবাৰীত বিজুলী বাতিবোৰ নুমাই থাকিল। তলৰ মহলাৰ প্ৰথম কিম্বা দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰবোৰে লগে লগে "ই হি হি" বুলি এক বিৰাট কিৰিলি পাৰি উঠিল। এই চিএৰটোৱে বিজুলী বাতিবোৰ নুমাই যোৱা পৰলৈ অতি কষ্টৰেহে যেন আত্মগোপন কৰি আছিল ঠিক মুখবন্ধ এক জ্বালামুখৰ দৰে। এতিয়া সুবিধা পোৱাৰ লগে লগে একেলগে উদগীৰণ হৈছে সহস্ৰ মুখ নিনাদিত বিশৃঙ্খল চিএৰ বাখৰ। এই চিএৰ-বাখৰবোৰে কোনো আভিধানিক অৰ্থ কঢ়িয়াই নিয়া নাই যদিও, ইহঁত যেন পিঠিত বোকোচা বান্ধি কঢ়িয়াই নিয়া কোনো এক মৰুপ্ৰান্তৰৰ বেদুইনৰ খাজুৰীৰ বোকোচাতকৈ বেছি আস্বাদপূৰ্ণ। আচলতে সিহঁতে গোটেই দিনটো শৱ-ব্যৱচ্ছেদন কক্ষত শৱদেহবোৰৰ লগত ব্যস্ত হৈ থাকি গধূলি আকৌ মানুহৰ হাড়, মূৰ,

মাংস, স্নায়ু, ধমনীৰ গতিৰ লগত নিজৰ মনৰ গতি মিলাই দিবলৈ কৰা প্ৰচেষ্টাত মুহূৰ্ততে বিজুলী বাতিবোৰ বিজুতি ঘটি গোটেই বৰবাৰী এন্ধাৰত লীন গলে হঠাৎ সিহঁতৰ অবচেতন মনত উদয় হোৱা বিসদৃশ ভাবৰ এক জ্বলন্ত উদগীৰণ।

অধ্যাপক সদানন্দ বৰা এন্ধাৰৰ মাজেৰেই খুপি খুপি ওপৰ মহলালৈ আগবাঢ়ি গ'ল। ওপৰৰ মহলাৰ "ফাইনেল ইয়েৰৰ" ছাত্ৰবোৰে হাতত "পেইনটৰ্চ লৈ ইটো কোঠাৰ পৰা সিটো কোঠালৈ গৈ মমৰ টুকুৰা বিচৰাত ব্যস্ত। কেবাজনো ছাত্ৰই মমবাতিৰ পোহৰত, ইমান ক্ষীণ পোহৰতো একেলগে বহি "Clinical Method of Surgery'ৰ পাত লুটিয়াইছে—"Tell me the differential diagnosis of swelling in the left hypochondrium?" প্ৰত্যেকেই নিজৰ নিজৰ যুক্তি দি নিজৰ "দায়গণচিচ"ৰ ওপৰত জোৰ দিছে। ফাইনেল পৰীক্ষাত প্ৰায়বোৰ ছাত্ৰই "Swelling in the left hypochondrium"ৰ ছাত্ৰই একোটাহত Care পায়—। যুক্তিৰ ওপৰত নিৰ্ভৰ কৰি কোনোবাজন পাচ কৰি যায়, কোনোবাজনে ফেইল কৰে। অৱশ্যে "লেপাৰটমী" কৰি নোচোৱালৈকে কোনোজনেই নিশ্চিত নহয় কিহৰ কাৰণে নো "লেফট্ হাইপকন্ড্ৰিয়াম"ত পিণ্ডটোৰ সৃষ্টি হ'ল তথাপিও এটা গতানুগতিক পদ্ধতি।

এন্ধাৰৰ মাজেৰেই তেওঁ আগবাঢ়ি গ'ল। আজি ওপৰৰ মহলৰ ছাত্ৰ সকলে মমবাতিৰ ইমান ক্ষীণ পোহৰতো চাৰ্জাৰী কিতাপৰ পাত-লুটিয়াই থকা দেখি তেওঁ যথেষ্ট ভাবুক হৈ পৰিল। তলৰ মহলাৰ ছাত্ৰসকলৰ চিঞৰ-বাথৰৰ পৰিবৰ্তে ওপৰৰ মহলাৰ ছাত্ৰ সকলৰ কৰ্তব্য-নিষ্ঠাৰ বিসদৃশ্যই তেওঁক কিছুপৰিমাণে সচকিত কৰি তুলিলে আৰু এজন ভাববাদী দাৰ্শনিকৰ দৰেই এন্ধাৰৰ মাজেৰেই আগবাঢ়ি গ'ল। দুইফালে দুশাৰী ছাত্ৰৰ কোঠা। তাৰ মাজেৰে এটা সৰু পথ। সেই পথেৰে আগবাঢ়ি গৈ এটা সময়ত তেওঁ ১০৭ নম্বৰ কোঠাটো পালে। সেই কোঠাটোত লক্ষেশ্বৰ দাস থাকে। লক্ষেশ্বৰ দাস এইখন কলেজৰ অতি পুৰণি ছাত্ৰ। "এনাটমী" পৰীক্ষাত কেবাবাৰো ফেইল কৰি

“ফাৰ্ষ্ট এম্-বি”ৰ দেওনাখনকে পাৰ হ’ব পৰা নাই। তেওঁৰ কাষত বহি কথা পাতি আছে যোৱা বেলি ফাইনেল পৰীক্ষাত প্ৰথম হৈ পাচ কৰিছে। লক্ষেশ্বৰে তলৰ মহলাৰ ল’ৰাবোৰৰ চিঞৰ-বাখৰত অসহ্য হৈ খিৰিকীখন খুলি ধমকিৰ সুৰত ক’লে—“হেই ল’ৰাহঁত! তহঁতে চিঞৰ বাখৰ কৰি বাৰীৰ শিয়ালবোৰ খেদিলি এতিয়া এই বুঢ়াকেইজনকো খেদিবি নেকি? আমাৰ দৰে তপা হৈ যাব লাগিব। তেতিয়াহে বুজিবি গলা ফাটি তেজ ওলাই যাব যেতিয়া।” লক্ষেশ্বৰৰ গালিয়ে কাম দিলে। সেইটো শাৰীৰ চিঞৰ-বাখৰ কিছু পৰিমাণে বন্ধ হ’ল। আচলতে বহুত পুৰণি ছাত্ৰ বুলিয়েই নেকি লক্ষেশ্বৰক প্ৰায়বোৰ ছাত্ৰই সন্মানৰ চকুৰেই চায়। যদিও লক্ষেশ্বৰে কেবাবাৰেও “ফাৰ্ষ্ট এম-বি”ৰ দেওনাখন পাৰ হ’ব পৰা নাই, তথাপি তেওঁৰ এটা বেলেগ পাৰ্চনেলিটি আছে। লক্ষেশ্বৰে খিৰিকীখন পুনৰ বন্ধ কৰি ৰমাকান্ত দাসৰ লগত কথা পাতিবলৈ লাগিল।

ঃ আচ্ছা ৰমা! তুমি এনাটমীত অনাৰ্চ পোৱা নাছিলা জানো।

ঃ হয়।

ঃ বাৰু তোমাক এটা প্ৰশ্ন সোধো উত্তৰ দিয়াচোন—

Tell me the Boundary and contents of postarior Triangle?

ঃ লক্ষ্যদা! সেইবোৰ একেবাৰে পাহৰি গলোঁ। পৰীক্ষাৰ আগতে ধুম্ধাম্ মুখস্থ কৰিছিলোঁ। এতিয়া আৰু ক’ত মনত থাকিব—সকলো হজম হৈ গ’ল।

ঃ অথচ মই সেইবোৰৰ উত্তৰ দিব নোৱাৰা কাৰণে আজি পৰ্যন্ত ফেইল মাৰি আছোঁ।

লক্ষেশ্বৰ খন্তেক নীৰবে ৰ’ল! টেবুলৰ ওপৰত থকা পানীগ্লাচ খাই ল’লে। তাৰ পিচত চিগাৰেট এটা জ্বলাই এক বিশেষ ভঙ্গীৰে মুখৰপৰা ধোঁৱা এৰি দি ক’লে—“পৰীক্ষাৰ দেওনাখন পাৰ হোৱাৰ পিচত যদি সেইবোৰ সকলোৱে পাহৰিয়েই যায় তেন্তে “ফাৰ্ষ্ট এম্-বি”ৰ আগতে গোটেই নিশা উজাগৰে থাকি সেইবোৰ মুখস্থ কৰাৰ সাৰ্থকতাই বা

ক'ত? যদিও তুমি এসময়ত এনাটমীত অনার্চ পাইছিলা, আজি তোমাৰ আৰু মোৰ তাৰ জ্ঞানৰ ভঁৰালটো সমানেই নে কি কোৱা? অথচ, তোমাক তোমাৰ স্কুল মাষ্টৰে কাণ চেপা দি শিকোৱা "To be verb'ৰ ৰূপ আজিও মনত আছে।" এই বুলি কৈ লক্ষেশ্বৰে হো হো কৈ হাঁহি দিলে। খন্তেক পিচতে বিচনাৰ তলত জাপ জাপকৈ সজাই থোৱা আলোচনী কাকতবোৰৰ মাজৰ পৰা কিবা এখন উলিয়াই ক'লে "তুমি ভাৰতীয় চিকিৎসক ডাঃ বিজয় বসুৰ নাম নিশ্চয় শুনিছা। ডাঃ বিজয় বসুৱে চীন দেশত ভালেমান দিন থাকি আকুপাংচাৰ আৰু অইন অইন পদ্ধতিবোৰৰ বিশেষ জ্ঞান লৈ আহিছে। সমাজতান্ত্রিক বিপ্লবৰ পিচত কেউফালে উন্নতি কৰা চীনদেশে চিকিৎসা বিদ্যাত কেনেদৰে প্ৰখৰ উন্নতি লাভ কৰিছে তাকে "বাঙলাদেশ" নামৰ এই কাকতখনত প্ৰবন্ধ এটা লিখিছে—"চীনে চিকিৎসাবিদ্যা।" এইয়া, লোৱা এইটো পঢ়ি চাবা। ভাত তেওঁ কি লিখিছে জানা? "হাজাৰ হাজাৰ বছৰ জুৰি ৰোগৰ বিৰুদ্ধে সাধাৰণ লোকৰ সংগ্ৰামৰ মাজেদি চীনত বাহাল থকা প্ৰাচীন চিকিৎসা আৰু পাশ্চাত্য চিকিৎসা শাস্ত্ৰৰ পাৰস্পৰিক সহযোগিতাৰ ফলতহে চীনে বিশ্বক চমকিত কৰি তোলা আধুনিক চিকিৎসা পদ্ধতি গঢ় লৈ উঠিছে। অতি উচ্চ খাপৰ শল্য চিকিৎসক, নগ্নপদ ডাক্তৰ আৰু অতি সাধাৰণ কৃষকেও একেলগে কাম কৰিছে। পৰীক্ষামূলকভাৱে শিক্ষাক্ৰম ছ বছৰৰ পৰা কমাই তিনি বছৰ কৰা হৈছে। অপ্ৰয়োজনীয় দীঘল দীঘল পুথিগত আলোচনা। দুষ্প্ৰাপ্য অসুখ আদিৰ সমস্যা আদি আধুনিক চীনদেশত একেবাৰে কমাই দিয়া হৈছে। শিক্ষাৰ সময় এনেদৰে ভাগ কৰা হৈছে—শতকৰা ৭০ ভাগ চিকিৎসা শাস্ত্ৰ অধ্যয়ন, শতকৰা ২০ ভাগ মাৰ্ক্স-লেলিন-মাও চিন্তাধাৰা অধ্যয়ন, শতকৰা ৫ ভাগ সামৰিক শিক্ষা গ্ৰহণ আৰু বাকী ৫ ভাগ উৎপাদনৰ কাম কাজত নিয়োগ কৰাত।"

এইবাৰ লক্ষেশ্বৰে আগতকৈ কিছু ডাঙৰ মাতেৰে ক'লে—"অথচ তুমি আমাৰ ইয়াত কি দেখিছা। তুমি যিবিলাক বস্তু ৰেপি ৰেপি মুখস্থ কৰি পৰীক্ষা পাচ কৰিলা, এই আটাইবোৰ বস্তুৰেই এজন বেচিক

ডাক্তৰৰ প্ৰেক্টিকেল লাইফত প্ৰয়োজন নে ? অৱশ্যে তুমি যদি স্পেচিয়ে-লাইজৰ কথা ভাবিছা মই ক'ব নোৱাৰোঁ। অথচ অসমৰ কিমানজন ছাত্ৰই স্পেচিয়েলিষ্ট হোৱাৰ কথা চিন্তা কৰে অথবা চিন্তা কৰাৰ সামৰ্থ্য আছে বা যথাৰ্থতা আছে। এইবোৰ কথা চিন্তা কৰি বুজিছা মোৰ মগজটো মাজে মাজে একেবাৰে গৰম হৈ যায় আৰু দেখিছাই নহয় আজি মোৰ অৱস্থা ৰেপিয়েই আছোঁ, ৰেপিয়েই আছোঁ "ফাৰ্ষ্ট এম-বি' টোৱেই নিচিগেহে নিচিগে।

অধ্যাপক সদানন্দ বৰা আগবাঢ়ি গ'ল। অইন দিনাখন হোৱা হ'লে দুৱাৰত টোকৰ মাৰি ভিতৰলৈ সোমাই গ'লহেঁতেন "ষ্টাডি আৱাৰত" কথা পাতি থকা কাৰণে ধম্কি দিলেহেঁতেন। কিন্তু সিদিনাখন তেওঁৰ সেইবোৰ কৰিবলৈ মন নগ'ল। এন্ধাৰৰ মাজেৰেই আগবাঢ়ি গৈ এটা সময়ত ১১২ নম্বৰ কোঠাটো পালে। কোঠাটোত মাণিক শৰ্মা থাকে। মাণিক শৰ্মাই যোৱা ৩টা পৰীক্ষাত চাৰ্জাৰীত ফেইল কৰি আছে। অথচ, তেওঁ কলেজখনৰ ভিতৰতে বেচ "ইণ্টালেকচুৱেল" বুলি জনাজাত। মাজে সময়ে সমসাময়িক বাতৰি কাগজত গল্প-প্ৰবন্ধ লিখে। অলপতে তেওঁৰ ওপৰত মাহেকীয়া আলোচনী এখনে এটা সমালোচনা আগ-বঢ়াইছে—প্ৰগতিশীল লিখকৰ সম্ভাৱনাৰ স্থল বুলি। মমবাতিৰ ক্ষীণ পোহৰতো মাণিক শৰ্মাই আবৃত্তিৰ সুৰেৰে পঢ়ি আছিল—

"এই নদীয়েদি বৈ যায় মানুহৰ চকুপানী প্ৰাত্যহিক বতাহৰ স'তে
ভাপহৈ উৰি যায় এমুঠি অশ্ৰুৰ ধোঁৱা
ছাঁয়াময়া কুঁৱলীত সেমেকা সজল হয় সিপাৰৰ দেৱতাৰ চকু
এই পাৰে বৈ আছে এমুঠি আশীষ ৰঙা এঁকাজলি ৰ'দৰ পোহৰ
ইয়াৰ পাৰত বহি চিৰকাল সাজিছোঁ ভাঙিছোঁ বহু
পোৱা নাই কেতিয়াবা, পাইছোঁ তথাপি সীমাহীন সান্ত্বনাৰ স্বাদ।

অধ্যাপক বৰাই খুউব সন্তৰ্পণে [নিঃশব্দে] আগবাঢ়ি গ'ল। একেলগে চাৰি-পাঁচটা মান কোঠা বন্ধ। সিদিনাখন শুক্ৰবাৰ সম্ভৱতঃ নতুন চিনেমা চাবলৈ সিহঁত ওলাই গৈছে। এইবাৰ বাঁওফালৰ

পাকটো বুৰি একেবাৰে পশ্চিমফালৰ শাৰীটোত সোমাল। তাত এটা কোঠাত এন্ধাৰৰ মাজেৰেই হাতত একোখন বহি লৈ 'ষ্টেথ' ঘূৰাই ঘূৰাই আহি চাৰিজন ল'ৰা এটা কোঠাত সোমাল। সিহঁতে সক্ৰিয়া ওৱাৰ্ডত কেচ চাবলৈ গৈছিল। ওৱাৰ্ডত ইণ্টাৰেষ্টিং কেচ এটা চাই আহিছে—"Congestive Cardiac Fuilure." সিহঁতৰ মাজত actiology লৈ খকাখুন্দা লাগিছে।—"No history do Rheumatism. Malnutrition may be the cause of severe anaemia ;—as a result Congestive Cardiac Failure. Splenomegaly may be due to the over activity of Reticulo-endothelial system."

সিহঁতে aetiologyৰ বিচাৰ কৰি থাকোতে এজনে Malnutrition ওপৰত এটা গভীৰ বক্তৃতা আগবঢ়াইছে। লাহে লাহে তেওঁৰ বক্তৃতা ৰাজ-নীতিৰ ফালে ঢাল খাইছে—"ভাৰতবৰ্ষত দিনক দিনে malnutrition এ এনেদৰে ভয়াবহ ৰূপ লৈ উঠিছে যে সম্প্ৰতি congestive cardiac Failureৰ প্ৰধান কাৰণ Malnutrition হ'ব যেন পাওঁ।" অন্য এজনে কৈছে "অকল irontonic, Inferon Injectionদি এই সমস্যাৰ সমাধান কৰিব নোৱাৰি বুজিছ! আচলতে এইখন দেশৰ সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তন নোহোৱালৈকে এইবোৰ সমস্যাৰ সমাধান কেতিয়াও হ'ব নোৱাৰে। মানুহে দুবেলা দুমুঠি যদি পেট ভৰাই খাবলৈকে নাপায় তেতিয়াহলে শৰীৰত ৰক্ত কণিকাৰ জন্ম হ'বই বা কেনেকৈ? মই হ'লে সঁচা কথা কৈছোঁ দেই ভাৰতবৰ্ষত কমিউনিজম নহালৈকে এই malnutrition problem কেতিয়াও সমাধান নহ'ব। কাষত বহি এন্ধাৰৰ মাজত পেন-টৰ্চেৰে মমৰ টুকুৰা কোঠাটোৰ ইটো সিটো কোণত বিচাৰি ফুৰা জনে কৈছে কথাবোৰ লাহে লাহে কচোন। আজিকালি হেনো আমাৰ হোষ্টেলটোতে চৰকাৰী চোৰাংচোৱা ঘূৰি ফুৰে। কেলেই অলক বঞ্জন বৰুৱাক 'মিছা'ত ধৰি নিয়া নাই জানো? কিমান ভাল ল'ৰা আছিল। নেচনেল স্কলাৰচিপ লৈ আহিছিল।" অন্য এজনে গৰগৰীয়া মাতেৰে কৈছে—হেই চালা! তই এক নম্বৰ মাইকীৰে। কাইলৈ ডাক্তৰ হৈ গলে পোন্ধৰ আগষ্টৰ সভাত ফুলৰ

মালা পিন্ধি পতাকা উত্তোলন কৰিবি। অথচ এইবোৰ কথা ক'বলৈ ভয় কৰিবি হয়? আচলতে কি জান ভাৰতবৰ্ষৰ বৰ্তমানৰ স্বাধীনতা এডাল ঘোঁৰাৰ লেকামহে মাত্ৰ—বিলাতী ঘোঁৰাৰ পৰা যেনিবা বটুৱা ঘোঁৰাৰ মুখলৈ আহিছে। ইমানেই পাৰ্থক্য। ভাৰতবৰ্ষৰ স্বাধীনতা। বিনা ৰক্তপাতে হোৱা বাবে এই স্বাধীনতাৰ প্ৰতি কাৰো আন্তৰিকতা নাই। সেই কাৰণে দেখিছ নহয় দেশ স্বাধীন হোৱাৰ পিচত দিনক দিনে খাদ্য সমস্যা তথা নিৰনুৱা সমস্যাই কি এক ভয়ঙ্কৰ ৰূপ লৈ উঠিছে। সেইবুলি কি মানুহে চিকেন কাটলেট খোৱা নাই বুলি ভাবিছ নেকি? অইতা নথকা মানুহে চাকৰি পোৱা নাই বুলি ভাবিছ নেকি? এইখন দেশৰ কি সমাজ ব্যৱস্থা, কি অৰ্থনৈতিক ব্যৱস্থা, কি শিক্ষা ব্যৱস্থা এই সকলোবোৰতেই "ৰেকড'ৰ পলিচি" তথা স্বজনপ্ৰীতিয়ে এনেদৰে শিখাইছে, যে সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তন নোহোৱা পৰ্যন্ত কোনো কালেই নিস্তাৰ নাই। আমাৰ দেশত যিবিলাক মানুহৰ হাতত প্ৰধান-মানো ক্ষমতা আছে তেওঁলোক ইমান বেছি ধৰ্মৰাজ হোৱা নাই যে প্ৰত্যেক কথাকেই ন্যায় বিচাৰৰ তুলাচনীত তুলি বিচাৰৰ ৰায় শুনাব। এয়াতো আজিৰ কথা নহয়, হাজাৰ হাজাৰ বছৰ পূৰ্বে এইখন দেশৰ ধৰ্মগ্ৰন্থই স্বীকৃতি দিয়া কথা। এইখন দেশৰ কি ধৰ্মগ্ৰন্থই স্বজনপ্ৰীতিক স্বীকৃতি দিয়ে। কিয় কুৰুক্ষেত্ৰৰ যুদ্ধত জানো ভগৱান কৃষ্ণই তেওঁৰ শোৱণী কোঠাত তেওঁৰ মূৰ শিতানত আগৰে পৰা ব'হি থকা দুৰ্য্যোধনক দেখিও নেদেখা ভাও ধৰা নাই; অথচ বহু সময়ৰ পিচত আহি ভৰি পথানত বহি থকা অৰ্জুনকহে সহায় কৰিব বুলি প্ৰতিশ্ৰুতি দিছে। দৰাচলতে আমাৰ দেশৰ মন্ত্ৰীহে ভৰি পথানত বহি থকা মানুহকহে বেছি ফেভাৰ দেখুৱাব, মূৰ শিতানত বহা মানুহক নহয়।" অইন এজনে তাৰ কথাৰ ওপৰতে মাত দিছে—"বাদ দে তোৰ লেকচাৰ। চান্স পালেই লেকচাৰ মাৰ অ'। বাৰু তই কথা এটা কচোন—তই যদি এইখন কলেজৰ কোনোবা এটা বিষয়ৰ Examinar হৈ আহ আৰু মোৰ লৰাজন যদি পৰীক্ষাৰ্থী হয়; তই বাৰু তাক লৌড্ দি পাচ কৰাই দিবি নে নিদিয় কচোন?"

"তোৰ ল'ৰাই যদি মোৰ আগত টাও মাৰে কেতিয়াও পাচ কৰাই নিদিওঁ।"

"হাবে! মোৰ ল'ৰাই আৰু তোৰ সন্মুখত টাও মাৰিব নে? সদায় আঙ্কল আঙ্কল বুলি তেলেই মাৰি থাকিব।"

অধ্যাপক সদানন্দ বৰা নিঃশব্দে আগবাঢ়ি গ'ল। একেবাৰে দক্ষিণ ফালৰ প্ৰথম ৰুমটো পালে। তাত কেবাজনো ৰোটেটিং ইণ্টাৰ্নিয়ে এক্সাৰতেই কথা পাতি আছে। সিহঁত এম-বি-বি-এছ পাচ কৰাৰ বেছি দিন হোৱা নাই। আজিকালি সিহঁতে কথা পাতিবলৈ পোহৰৰ বৰ প্ৰয়োজন বোধ নকৰে, এক্সাৰতেই চলি যায়।

মেডিকেল পৰীক্ষাত সিহঁতৰ ভাগ্যই কাক কিমান ফেভাৰ কৰিলে তাৰেই জোখ-মাখ কৰিছে—

ঃ বুজিছ! অপাৰেটিভ চাৰ্জাৰীৰ ভিতৰত অকল লেপাৰটমীৰ কাৰণে এবদমিনেল ইনচিচন্ কেইটাহে জানো। কাগজখন টানিলোঁ—তাকেই ভাগ্যত পৰিল। একেবাৰে ছবি আঁকি ফটাফট গাই দিলোঁ। নহয়। অইন কিবা এটা পৰা হ'লে একেবাৰে মৰি গলোহেঁতেন ভাই।

ঃ হাবে এই কি কৈছ? মই অকল "বেৰেল বেণ্ডেজ"টোহে জানিছিলোঁ—সেইটোকে পৰিল আৰু কোনে পায়।

ঃ মই আকৌ "এবনৰ্মেল প্ৰেজেণ্টেচন"ৰ ভিতৰত অক্সিপুট পোষ্টেৰিয়াৰ"টোহে জানিছিলোঁ—তাকেই সুধিলে ফটাফট গাই দিলোঁ।

ঃ বেচেৰা বুধিনটোলৈহে বেয়া লাগে। পেথলজিৰ প্ৰাইজ কেইখন এইবাৰো তাৰ ওলাব নেলাগেনে।

ঃ প্ৰণবলৈ নেচাৰ কিয়? গোটেইখন মেডিচিন তাৰ মুখস্থ। সুধি দিলে "ভিনচেন্ট এনজাইনা।" সেইটোকে সি পঢ়ি যোৱা নাছিল। গতিকে আৰু কি—? "come after six month"

অধ্যাপক বৰা আগবাঢ়ি গ'ল। সিহঁতৰ কথাত কাণ দি থাকিবলৈ তেওঁ বৰ প্ৰয়োজন বোধ নকৰিলে। সিহঁতে পৰীক্ষা পাচ কৰিলে যেতিয়া সিহঁতৰ কথাৰ পাক আৰু নিগনিয়ে কুটা জালৰ পাহ

একেই কথা। একে কোবে তেওঁ দক্ষিণ ফালৰ শেষৰ কোঠাটো পালে। কোঠাটোৰ ভিতৰত কোনোবা এজনে ফেকুৰী ফেকুৰী কান্দি থকা আৰু কাষত বহি কোনোবা এজনে শান্তনা দি থকা শুনিবলৈ পালে। সেয়া ৰমাকান্ত তুৱৰা আৰু পৰাগ চলিহা। ৰমাকান্তই বাকী কেইটা পৰীক্ষাত পাচ কৰি অকল মেডিচিনত তিনিটা পৰীক্ষাত ফেইল কৰি আছে। ৰমাকান্ত তুৱৰাই প্ৰবেশিকা পৰীক্ষাত পঞ্চম ষ্ট্যাণ্ড কৰিছিল। বাতৰি কাগজত ফটো চপাহৈ ওলাইছিল। কিন্তু ইয়াত আহি একেবাৰে নাপাত্তা হৈ গৈছে। পঢ়া-শুনাও কৰে ঠিকেই, স্বভাৱ-চৰিত্ৰও ভাল। থিয়ৰি পেপাৰ কেইখন হেনো ভালেই হয় কিন্তু প্ৰেক্টিকেল ক্ৰচিংত আৰু অৰেলত ষ্ট্যাণ্ড দিব নোৱাৰে। ঘৰখনৰ অৱস্থাও বেয়া। দেউতাকৰ মাটি কেইহালিচাও হেনো তাক খৰচ দিওঁতেই বন্ধকাতেই শেষ হ'ল। তাৰ জীৱনলৈ বৰ হতাশা আহিছে। এবাৰ তুৱাৰ সি বিচলিত হোৱা নাছিল। এইবাৰ কিন্তু সি একেবাৰে ভাগি পৰিছে। পঢ়া-শুনাও সি খুবেই কৰে, কিন্তু কিহৰ অভাৱত সি পাচ কৰিব পৰা নাই বুজিব নোৱাৰে।

তাৰ এসময়ৰ বন্ধু সকলো কাষত বহি খুউব বুজাইছে। পৰাগ চলিহাই কোনো মতে এইখন কলেজত চিট এটা পাইছিল। ফাইনেল পৰীক্ষাত কিন্তু আশাতীত ভাল ৰিজাল্ট কৰিলে। আজিকালি সি পোষ্ট গ্ৰেজুৱেট ষ্টুডেন্ট। পৰাগে তাৰ কাষত বহি পাৰে মানে বুজাইছে, মনলৈ সাহস ঘূৰাই আনিবলৈ পৰামৰ্শ দিছে। ৰমাকান্তই তাৰ বুজনিলৈ বিশেষ মনোযোগ দিবলৈ চেষ্টা কৰিও দিবপৰা নাই, ধৈৰ্যৰ বান্ধ চিগি গৈছে। এটা সময়ত সি কান্দি উঠিল। কান্দি কান্দি ক'লে—"আচলতে মই বৰ বুৰ্বক পৰাগ! মই বৰ বুৰ্বক। মই বুৰ্বকৰ দৰে পঢ়া-শুনা কৰিবহে পাৰোঁ—চালাকৰ দৰে পৰীক্ষা হ'লত তপৰাই উত্তৰ দিব নোৱাৰোঁ। অথচ পৰীক্ষা হলৰ পৰা ওলাই অহাৰ পিচত কথাবোৰ লাহে লাহে মনত পৰে। মোৰ জীৱনত একো নহ'ব পৰাগ, একোকেই নহ'ব।" ৰমাকান্তই বিচনাখনত দীঘলহৈ পৰি গাৰুটোত মুখখন গুজিলৈ হুকহুকাই কান্দি দিলে। পৰাগে সান্তনা দিবলৈ একোকেই বিচাৰি নেপাই

তাহানিৰ বোপদেবৰ পংক্তি এটিকে মাতি শুনালে—"মৃণ্ময় কলম ঘৰ্ষণাৎ প্ৰস্তৰঃ অপি ক্ষয়ত্বাং গতঃ।"

অধ্যাপক বৰাৰ খোজৰ গতি ক্ষিপ্ৰতৰ হ'ল। খট্ খট্ জোতাৰ শব্দ হ'ল। এন্ধাৰৰ মাজেৰেই অতি বেগেৰে খোজদি তললৈ নামিবলৈ চেষ্টা কৰিলে। খট্খটিৰে তললৈ নামোতে প্ৰয়োজনতকৈ বেছি সতৰ্ক হৈছে—কিজানি ক'ৰবাত কিবা বিজুতি ঘটি যায়। জীৱনৰ প্ৰতিটো খোজতেই প্ৰয়োজনতকৈ বেছি সতৰ্ক হোৱা উচিত বুলি তেওঁ বিবেচনা কৰি আহিছে। এটা সময়ত নিৰ্বিঘ্নে তেওঁ তলৰ মহলা পালে। তলৰ মহলাৰ প্ৰথম কিম্বা দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰবোৰৰ অশৃঙ্খল চিঞৰ-বাখৰ বোৰ এতিয়া বন্ধ হৈছে। দুই-এজনে মমবাতি হাতত লৈ "দাইনিং হলৰ" ফালে খোজ লৈছে। অধ্যাপক বৰাই নিশ্চুপ হৈ সকলো লক্ষ্য কৰি আছিল। তেওঁ সিদিনাখন এইখন কলেজৰ পৰা বিদায় মুহূৰ্তত সেই গভীৰ অন্ধকাৰৰ মাজত গোটেই বৰবাৰীৰ গৰ্ভস্থ কৰি থৈ দিয়া অন্ধকাৰৰ মাজত এক নতুন দৃশ্য দেখিবলৈ পাইছে—সেয়া এমুঠি জীৱনৰ জীৱনযুদ্ধৰ হিচাব-নিকাচৰ দৃশ্য। সেই যুদ্ধত কোনোবাজন বিজয়ী বেশেৰে উল্লসিত হৈছে, কোনোবাজনে পৰাজয়ৰ গ্লানিৰে ম্ৰিয়মান হৈ পৰিছে। তেওঁৰ খুউব মন গ'ল জীৱন যুদ্ধৰ এই পৰাজিত সৈনিক কেইজনৰ ওচৰ চাপি কিবা এটা আশ্বাস দিবলৈ, কিবা এটা বুদ্ধি দিবলৈ—সিহঁতৰ জীৱন যুদ্ধৰ প্ৰস্তুতিৰ অভাৱখিনিৰ পূৰণৰ অৰ্থে। এৰা সিহঁত এই কলেজখনত সোমাওঁতে অতি ভাল ছাত্ৰই আছিল।

হঠাৎ হোষ্টেলৰ বিজুলি বাতিবোৰ আকৌ জ্বলি উঠিল। বাহিৰত এন্ধাৰতে ৰৈ থকা ছাত্ৰবোৰে "ই হি হি" বুলি আকৌ কাণ ফালি যোৱা চিঞৰ মাৰি উঠিল। অধ্যাপক বৰা যে সিহঁতৰ নিচেই কাষতে থিয় হৈ আছিল সিহঁতে গমেই পোৱা নাছিল। পিচ মুহূৰ্ততে কোনোবা এজনে "বৰাচাৰ" বুলি কোৱাৰ লগে লগে আটাইকেইজন ফৰিং চিটিকাৰ দৰে চিটিকি নিজৰ নিজৰ কোঠাত সোমাই পৰিল। প্ৰত্যেকেই সিহঁতৰ ৰুমত খন্তেক পিচতেই বৰাচাৰ অগ্নিশৰ্মা হৈ তৰ্জ্জন-গৰ্জ্জন

কৰিব বুলি আশঙ্কা কৰি এক ভীতি বিহ্বল অন্তৰেৰে বৈ আছিল; কিন্তু সকলোকে আচৰিত কৰি, কাকো একো নোকোৱাকৈ বৰাচাৰ নিউ হোষ্টেলৰ গেটখনেৰে বাহিৰ ওলাই আহিল। তিনিবাৰ চাৰ্জাৰীত ফেইল কৰি থকা মাণিক শৰ্মাই তেতিয়াও আবৃত্তিৰ সুৰেৰে গাই আছিল—

এই নদী মই জানো আকৌ উঠিব ভৰি
গলি অহা বৰফৰ ৰূপালী ইচ্ছাৰে—
মোৰ হৃদয়হ্ৰদত আছে গভীৰ সুন্দৰ এটা ৰাজহাঁহ
পাখিৰ ৰেখাই তাৰ ডাৱৰত আঁকি দিব সোণালী সেতুৰ বন্ধ
সিপাৰে গজিব ঘাঁহ য'ত আছে ছাই হোৱা দেৱতাৰ চিতা—

## অষ্টম দৰ্শন

### এক

: অনুপম !

: নিকুনদা।

: ৰাতি প্ৰায় শেষ হৈ আহিল। ব'লা তোমাৰ কোঠাটোলৈকে উভতি যাওঁ।

: ব'লক !

: বৰ ভাগৰ লাগিছে নহয়। চাহ একাপ খাবলৈ বৰ মন গৈছে।

: ব'লক ! মোৰ ৰুমতেই হিটাৰ, চাহ-চেনিৰ যোগাৰ সকলো আছে তাতেই চাহ-কাপ খাব পাৰিম।

: ব'লা।

o o o o

: চাহকাপ বৰ ভাল হৈছে দেই। তুমি দেখিছোঁ ৰান্ধনীৰ কামো লাহে লাহে শিকিছা।

: হয়। ডাক্তৰ হ'লে চাবুৱাত ৰান্ধি খাব লাগিব নহয়।

: চাওঁ—জুইচেলাইটো দিয়া চিগাৰেট এটাকে জ্বলাই লওঁ।

: লওক !

: ইমান সময়ে ৰবৰাৰীৰ চাৰিওফালে ঘূৰি-ফুৰোতে আৰু কিছুসময় পিচত যে ঘৰলৈ যাম পাহৰিয়েই গৈছিলোঁ। এতিয়াহে মনত পৰিছে —অহাকালিৰ প্ৰভাতে যে মোৰ জীৱনলৈ এটি সম্পূৰ্ণ নতুন জীৱনৰ আহ্বান জনাব। ইংৰাজ কবি বায়ৰণৰ ভাষাৰে—"No hand can make the clock strike for me the hours that are past."

: অহাকালি ঘৰ পোৱাৰ পিচত কিজানি আমাক পাহৰিয়েই যায়।

নতুন আমেজত বন্দী হৈ—"Home, the spot of earth supremely blest, a dearer, sweeter spot than all the rest."

: কিন্তু তুমি বোধহয় জানা—বায়ৰণৰ ভাষাৰে—"without hearts there is no home."

: তেনেকুৱা কথা কিয় কৈছে নিকুনদা ? আপোনাৰতো তেনেকুৱা কোনো অশান্তিৰ কাৰণ নাই ?

: বহুত আছে অনুপম—তুমি হয়তো নাজানা ! যোৱাকালি ভাইটিৰ পৰা এখন চিঠি পাইছো। সেইখনেই কঢ়িয়াই আনিছে অনেক দুখৰ সংবাদ !

: উৰুলী-যাব ধৰা মোৰ ঘৰখনৰ, গাওঁখনৰ তথা প্ৰতিবেশিৰ অনেক সংবাদ। দাৰিদ্ৰ্যতাক চেপা মাৰি ধৰি ৰাখিও ইমানদিনে মই হাঁহি-ধেমালিৰ মাজেৰেই ইয়াত দিনবোৰ কটাই দিলোঁ। হয়তো মোৰ মুখ-ভৰা হাঁহি দেখি তোমালোকে ভাবিছিলা মই অতিকৈ সুখী। কিন্তু মোৰ অন্তৰতো অনেক দুঃখ লুকাই আছে অনুপম -সেয়া এটা নিম্ন-মধ্যবিত্ত পৰিয়ালৰ পোৱা-নোপোৱাৰ অনেক হিচাব। সেই হিচাব নিকাচকো মই এই বিদায় পৰত আওকাণ কৰিলোহেঁতেন যদিহে মোৰ অন্তৰে ভালপোৱা মেধিখুড়াৰ মৃত্যুৰ বাতৰিৰে গোটেই গাওঁখনৰ উৰুলী যাব ধৰা ছবিখন মোৰ চকুৰ আগত ভঁহাই নুতুলিলেহেঁতেন।

: মেধিখুড়া আপোনাৰ খুড়া নেকি ?

: আপোন খুড়া নহয়, গাঁওসম্বন্ধীয় খুড়া। কিন্তু গাঁওখনৰ প্ৰতিজন ব্যক্তিয়েই মোৰ আপোনতকৈও বেছি আপোন আছিল অনুপম।

তেতিয়া মোৰ পাঁচ বছৰ নে ছয় বছৰ বয়স হৈছিল মই পাহৰি গলোঁ, কিন্তু কথাবোৰ মোৰ স্পষ্টকৈ মনত আছে। মেধিখুড়াই আমাৰ ঘৰৰ সন্মুখৰ তকৰা কদম ডালৰ তলত বহি মোক প্ৰায়েই সাধুকথা শুনাইছিল। তকৰা কদম্বৰ শাৰীটোত গছৰ পাত নেদেখাকৈ ফুল ফুলিছিল। গোন্ধত গোটেইখন আমোল মোলাই উঠিছিল। আমাৰ গাঁৱৰ মানুহবোৰে প্ৰায়েই দিনটোৰ কৰ্মব্যস্ততাৰ অন্তত সেই তকৰা কদম্বৰ তলত বহি ( ভাগৰ ) জিৰাইছিল।

মেধিখুড়াই মোক ঘোঁৰাদৌৰ চাপৰিটো'ৰ সাধু শুনাইছিল। তেওঁৰ দেউতাকে হেনো ঘোঁৰা দৌৰত যোগ দিবলৈ আহিছিল। বাটে বাটে তেওঁ হেনো সুধি আহিছিল—

"চাপৰিলৈ কিমান দূৰ ?"

"এপৰবেলিৰ দূৰ।"

"তুমি হবলা ঘোঁৰাদৌৰত যোগ দিবলৈ আহিলা।"

"হয়।"

"বৰ বৰ ঘোঁৰাই নেপাই ঘাঁহ, বটৰুৱা ঘোঁৰাই বিচাৰে মাহ।

সেইজনা মেধিখুড়াই যিদিনাখন দেখিলে যে তেওঁৰ কান্ধত উঠি ঘোঁৰা খেল খেলা নিকুন নামৰ পানী কেঁচুৱা এটাই এদিন তেওঁৰ দেউতাকৰ ঘোৰাদৌৰ চাপৰিলৈ ডাক্তৰ হ'বলৈ আহিব খুজিছে— সিদিনাখন তেওঁ মোক কান্ধত থপৰিয়াই থপৰিয়াই কৈছিল—"তই যা নিকুন। তোক এদিন বৰবাৰী ও মই বিচাৰি উলিয়ামেই উলিয়াম।' মই ঠাট্টাৰ সুৰেৰে কৈছিলোঁ—"তুমি জানো ৰেলগাড়ীৰ টিকট কাটিব জানিবা।" মেধিখুড়াই সমানেই ৰগৰ কৰি কৈছিল—"তই কি কৈছ অ' নিকুন। মই গ'লে নিজৰ মটৰগাড়ী লৈহে যাম।"

সঁচাকৈয়ে মেধিখুড়া বৰবাৰীলৈ মটৰগাড়ীলৈয়েই আহিছিল। আজি তিনি বছৰমান আগতে মেধিখুড়াই সেই অঞ্চলৰ যাত্ৰীবোৰক লৈ বাচ এখন ৰিজাৰ্ভ কৰি পৰশুৰাম কুণ্ড চাবলৈ আহিছিল। "আইৰো বাৰ্তা, গঙ্গাৰো যাত্ৰা'। বাটতে খুড়াই মেডিকেল কলেজ চাবলৈ বুলি যাত্ৰী বোৰক বুজাই বৰবাৰী তিনি আলিত বাচ ৰখাই দিছিল। মোক দেখিয়েই মেধিখুড়াই চিঞৰি চিঞৰি কৈছিল—"চা নিকুন। মোৰ কথা ৰাখিলোঁ কি নাই ?" মই কৈছিলোঁ—"খুড়া তুমি কিন্তু কেতিয়াবা জিদ মাৰি চন্দ্ৰলোকলৈও যাবা যেন পাইছোঁ।" মেধিখুড়াই হি-হি-কৈ হাঁহিছিল।

মেধিখুড়াইতৰ দলটোক শৰ্মা কেন্টিনত চাহখুৱাই বৰবাৰীৰ দেখুৱাবলগীয়া বস্তুবোৰ এটা এটাকৈ দেখুৱাই দিলোঁ। মেধিখুড়াই এক ধোবা-চাৰনীৰে এনাটমী মিউজিয়ামৰ বস্তুবোৰ চাই চাই আশ্চয

প্রকাশ কৰিছিল—"কৃষ্ণ কৃষ্ণ—বৈয়ামৰ ভিতৰতো মৰা মানুহৰ অঙ্গ-প্ৰত্যঙ্গ আচাৰ বনাই থয় ?"

গোটেই ঘূৰি পকি চাই আবেলি সময়ত মেধিখুড়াহঁতৰ দলটো ঘৰলৈ ঘূৰি গৈছিল। বাটত মানুহবোৰ মেডিকেল কলেজৰ আচৰিত বস্তুবোৰক লৈ নানান আলোচনা, জল্পনা-কল্পনা অনেক গৱেষণা। মেধিখুড়াই পুনৰ ওকৰা কদম্বৰ তলত বহি ৰবৰাবীত স্বচক্ষে চাই যোৱা কাহিনীৰ পাতনি মেলিছিল। গাঁৱৰ ডেকা-বুঢ়াই ভেবা লাগি মেধি খুড়াৰ মুখলৈ চাই আছিল।

আজি চাৰি মাহমান হ'ল। মেধিখুড়া পুনৰ ৰবৰাবীলৈ আহিছিল। এইবেলি তেওঁ মেডিকেল কলেজৰ আচৰিত বস্তুবোৰ চাবলৈ অহা নাছিল; কিন্তু এক দুৰাৰোগ্য ব্যাধিৰ উপশমৰ বাবেহে আহিছিল।

মেধিখুড়াই কিছুদিনৰ পৰা অনুভৱ কৰিছিল—তেও যেন হঠাৎ দুৰ্বল হৈ গৈছে। ভাত-পানী খালে ডিঙিত লাগি ধৰা যেন অনুভৱ কৰে। লাহে লাহে তেওঁ অনুভৱ কৰিছিল তেওঁৰ মাত কথাবোৰ যেন আগৰ দৰে গলগলীয়া মাতেৰে ক'ব নোৱাৰে, কিবা সক ল'বাৰ মাতৰ দৰে হৈ গৈছে। গাঁৱৰ ডাক্তৰে ছয়টা নে সাতটা বেজি দি কিছুদিন চাইছিল। ভাল নোহোৱা দেখি একেকোবে ৰবৰাবীলৈ আহিবলৈ উপদেশ দিছে। মেধিখুড়াই এই বিষয়ে বিতংকৈ লিখি মোলৈ হেনো চিঠি দিছিল। কিন্তু ডাক তাৰ বিভাগৰ বিজুতিৰ বাবে চিঠিখন মোৰ হাতত বহুত পলমকৈ পৰিছিল। মই সেই সময়ত চাপৰা কৰেল হেলথ ট্ৰেইনিং চেণ্টাৰত কাম কৰি আছিলোঁ।

মেধিখুড়াই মোৰ চিঠিৰ উত্তৰ নেপাই বেছিদিন বাট চাই থকা অনুচিত হ'ব বুলি ভাবিলে। এদিনাখন তেওঁ নিজেই আহি ৰবৰাবী ওলাল—তেওঁৰ এক বিশেষ সাহস—পৰশুৰামকুণ্ডলৈ আহোঁতে তেওঁ ৰবৰাবীৰ ওলা-নলা সকলো গম পাই গৈছে।

মেধিখুড়া প্ৰথমদিনাখন ৰাতি প্লেটফৰ্মতেই পৰি থাকিল। ডিব্ৰুগড়ত তেওঁৰ কোনো চিনাকি মানুহ নাই। মোৰ কাৰণে তেওঁ চকু কেইটা বহলকৈ মেলি অ'ত ত'ত বিচাৰি ফুৰিছিল যদিও ডাক

বিভাগে সেই দৃষ্টিত হেঙাৰ দিলে। পিচদিনাখন মোক কতো বিচাৰি নেপাই এনেয়ে বৰবাৰীত অনাই-বনাই ফুৰিলে। যাকে লগ পাইছে তাকেই মোৰ খবৰ সুধি ফুৰিছে। মেডিকেল কলেজত কোন পথেৰে বেমাৰ দেখুৱাব লাগে, কোন পথেৰে চীট যোগাৰ কৰিব লাগে তেওঁ একোকেই উৱাদিহ পোৱা নাই। দূৰণিৰ মানুহ আহি কলেজত চীট এটা জোগাৰ কৰি নোলোৱালৈকে থাকিবলৈকেও কোনো সুবিধা নাই। ওচৰৰ হোটেল কেইখনলৈকো টকাৰ অভাৱত যাবও নোৱাৰে।

মেধিখুড়া তৰাৰ্তি শনা কেন্টিনৰ বাৰান্দাতে পৰি থাকিল। পিচত যেনিবা বিকনৰ দোকানতেই আশ্ৰয় ল'লে।

বিকনৰ দোকানত আজিকালি বেমাৰী ৰাখে। বিশেষকৈ উত্তৰ পাৰৰ, দৰঙৰ নাইবা কামৰূপৰ অতি দুখীয়া বেমাৰীবোৰে, যাৰ ডিব্ৰুগড়ত কোনো চিনাকি মানুহ নাই, নাইবা হোটেলত থাকিবলৈকো হাতত পইচা নাই, তেওঁলোকে বৰবাৰীত চীট এটা যোগাব নোহোৱালৈকে বিকনৰ দোকানখনকেই অগতিৰ গতি ভাবি আশ্ৰয়ৰ পৰম সুশীতল স্থান বুলি গণ্য কৰে। বিকনে আজিকালি মাটি ভেটিৰ দীঘলীয়াকৈ খেৰি ঘৰ এটা সাজিছে। তাতেই সৰু সৰু খুমটি দোকানৰ দৰে কেবাটাও কোঠা আছে। সেইবোৰ কোঠাতেই বেমাৰী ৰাখে।

মেধিখুড়াৰ অসুখৰ চিঠিখন পায়েই চাবুৱাৰ পৰা দৌৰাদৌৰিকৈ আহিলোঁ। অতি ততে বিচাৰি বিকনৰ দোকানত থকা গম পালোঁ। একে কোবে গৈ খুড়া থকা কোঠাটোত হাজিৰ হলোঁ। খুড়া যে বিকনৰ দোকানত ইমান অসহায়ভাৱে পৰি থাকিবলগীয়া হব পাৰে, মই সপোনতো ভাবি পোৱা নাছিলো। মেডিকেল কলেজত নাইবা ডিব্ৰুগড়ত চিনাকি নথকা দুখীয়া মানুহৰ বেমাৰীয়ে চীট পোৱাৰ আগদিনাখনলৈকে যে কি অৱস্থা হয়, সিদিনাখনহে যেন মই অতি বেছিকৈ উপলব্ধি কৰিলোঁ,—প্ৰতিকাৰ কি হব মই আজিও ভাবি পোৱা নাই।

মেধিখুড়াই মোক দেখিয়েই, মোৰ গলখনত সাবটি ধৰি পাৰে মানে কান্দিলে। মই বহুত ধৰণে সান্ত্বনা দিয়াতহে তেওঁ প্ৰকৃতিস্থ হ'ল।

খন্তেক পিচতে তেওঁ অনুভৱ কৰিলে মই তেওঁৰ সন্মুখত যেন সাক্ষাৎ ভগবান ৰূপেহে থিয় হৈ আছিলোঁ। তেওঁৰ অসুখ এমাহৰ ভিতৰতেই যে নিৰাময় কৰি দিব পাৰিম তাকে নানান উপমা দি বুজাইছিলোঁ। তেওঁৰ মনলৈও কিছু পৰিমাণে আশাৰ সঞ্চাৰ হ'ল।

অসুখৰ চিন্তাৰ পৰা মনটো আঁতৰাই আনিবলৈ খুড়াক গাঁৱখনৰ ইটো-সিটো খবৰ সুধিলোঁ। কিন্তু খুড়াৰ মনটো এইবাৰ বেছিকৈহে বিমৰ্ষ হোৱা দেখা গ'ল। হুমুনিয়াহ কাঢ়ি এক অতিব বিতৃষ্ণাৰে খুড়াই ক'লে—"গাঁৱৰ কথা আৰু নকবি বোপাই। সকলো ৰসাতলে গ'ল। সকলো ৰসাতলে গ'ল" বুলি খুড়াই খেকাৰ পেলাবলৈ বুলি বাহিৰলৈ ওলাই গ'ল। খুড়াই হেনো এই অসুখটো হোৱাৰ পৰা খুউব সঘনাই খেকাৰ পেলাই থাকিবলগীয়া হৈছে সেইটোৱেই তেওঁৰ ঘোৰ আপত্তি।

বাহিৰত খেকাৰ পেলাই আহি বিচনাখনত ভালদৰে বহি লৈ তেওঁ ক'বলৈ আৰম্ভ কৰিলে—তই চাগে আজি সাতটামান বছৰ বাহিৰতেই আছ। ঘৰলৈ গ'লেও তুই চাৰিদিন হে থাক। তয়নো কলেজৰ হোষ্টেলটোত থাকি থাকি এইবোৰৰ কি ভূ-ভা পাবি? গাঁৱৰ দুঃখীয়া মানুহবোৰৰ যিহে পানীত হাঁহ নচৰা অৱস্থা হৈছে। তই আজি সাতটা বছৰ আগতে গাঁৱখন এৰি আহোঁতে যি মানুহৰ ঘৰত হাঁহি মাতে খল্‌খলাই আছিল, আজিকালি তাত কাৰো হাঁহি মাত নাই—অভাৱ অনাটনত সকলো জুৰুলা। এতিয়া আৰু আগৰ সৎ স্বভাৱত থকা মানুহৰ ঘৰত দুবেলা খাবলৈ নোজোৰে, অসৎ উপায়ে উপাৰ্জন কৰা-বোৰৰ ঘৰত একেবাৰে নদন-বদন।"

মেধিখুড়াই আকৌ খিড়িকীখন খুলি গলত জমা হোৱা খেকাৰ পেলালে। মই খুড়ালৈ চাহ একাপ আনিবলৈ বিকনক কলোঁ। খুড়াই বৰ তৃপ্তিৰে চাহকাপত চুমুক দিলে। মাজত মই সুধিলোঁ—"খুড়া। কনমইনাৰ খবৰ কি?"

খন্তেক থমকি বৈ মেধিখুড়াই এক গভীৰ হুমনিয়াহ কাঢ়ি ক'লে—"তাৰ কথা আৰু নকবি বোপাই। সি মোৰ বংশত কুলাঙ্গাৰ জন্মিল।

বি-এ পাচ কৰি ঘৰতেই থম্ থম্ মাৰি বহি আছে, কতো এটা চাকৰিও গোটাক পৰা নাই! মই তাক সিদিনাখন কৈছোঁ বোলে তোৰ দৰে গ্রেজুৱেট বেটা এটা থাকোতে মোৰ এনেকুৱা অৱস্থা? হালবো নহলি —ফালবো নহলি! গলত চুৱা কলহ বান্ধি মৰি নেযাৱ কেলেই?”

মই খুড়াক কিছু উষ্ণতৰ মাতেৰেই কলোঁ—“তুমি নো খুড়া তাক খং কৰিছা কেলেই? চাকৰি এটা সি গোটাও বুলিয়েই গোটাব পাৰেনে?”

খুড়াই নিস্পৃহভাৱে উত্তৰ দিলে—“নহয় অ’ বোপাই। সি আজিকালি ঘোৰ বিপ্লবী হৈ উঠিছে—ঘোৰ বিপ্লবী। ঢুটবিৰ তলত দাড়ি একোচা ৰাখি অনাই-বনাই ঘূৰি ফুৰে। ঘৰটোত এখন্তেক জিৰণি নলয়। খোৱাৰ সময়ত খায়। কাকো মাত-বোলো নকৰে। লোকেহে বোলে তোমাৰ ল’ৰা ঘোৰ বিপ্লৱী হ’ল।

খুড়াই কিছু সময় তভক মাৰি ৰ’ল। তাৰ পিচত খুউব সন্তৰ্পণে মোৰ কাষ চাপি আহি ক’লে—“বোপাই অ’ সি যে কিবা ধনী-দুঃখীয়া সকলো সমান হ’বলৈ কিবা এটা বিপ্লব আহিব বুলি মানুহৰ আগত বক্তৃতা দি ফুৰে সেইটো কি বস্তু অ’? তাহানি নামঘৰত যে ব্যাসকুছিৰ গোসাঁয়ে কৈছিল বোলে ‘কলিৰ শেষত হ’ব কলিৰ অৱতাৰ, কাটি মাৰি মেলেচক কৰিব বুন্দামাৰ’ সেই মহাপ্রলয়টোৱেই কণমইনাৰ বিপ্লবটো নেকি অ’?”

মই সেই সময়ত সেই মুহূৰ্তত খুড়াক কি উত্তৰ দিম ভাবি পোৱা নাছিলোঁ। কণমইনাহঁতে খুড়াহঁতৰ দৰে দুবেলা দুমুঠি খাবলৈ নোপোৱা মানুহৰ মুক্তিৰ অৰ্থেই যে বিপ্লব এটাৰ কথা অহৰ্নিশে চিন্তা কৰিছে সেইটো খুড়াহঁতকেই কিয় বুজাবপৰা নাই কিম্বা খুড়াহঁতেও তাৰ কথাবোৰ কিয় সহজভাৱে লব পৰা নাছিল তাকেহে চিন্তা কৰিছিলোঁ। মই এই দুইটা চিন্তাৰ মেৰপাকত পৰি থাকোতেই খুড়াই নিজেই তেওঁৰ প্ৰশ্নৰপৰা ফালৰি কাটি গ’ল। অন্য এক প্ৰশ্নহে সুধিলে—“বোপাই অ’ তই বাৰু আজিকালি গীত-মাতবোৰ পাহৰিলি নেকি অ’?”

মই লাজ পাই উত্তৰ দিছিলোঁ—“নাই পাহৰা খুড়া!”

ঃ এৰা বুজিছনে। তই গাঁৱখন এৰি আহিবৰ পৰা আজিকালি গীত-মাতবোৰ শুনা নাই হ'লো। আমাৰ কণমাইনাৰতো সেইবোৰ শুনিবলৈ বা চৰ্চা কৰিবলৈ ধৈৰ্যই নাই। পিচে মই আৰু বোলে তই এতিয়া ডাক্তৰ হলি যেতিয়া সেইবোৰ পাহৰিয়েই গলি কিজানি?"

ঃ নাই পাহৰা খুড়া! সেইবোৰ আৰু পাহৰিব পাৰোঁনে? আমাৰ জীৱনৰ আশা আকাঙ্ক্ষা, হা-হুমুনিয়াহবোৰ দেখোন সেইবোৰ গীততেই সোমাই আছে।

খুৰাই এক স্বস্তিৰ নিশ্বাস কাঢ়িলে। বিচনাখনত দীঘল দি এড়া চাদৰখন গাত মেলাই ল'লে। তাৰ পিচত মোৰ ফালে কিবা এক সতৃষ্ণ নয়নেৰে দৃষ্টিপাত কৰি অনুৰোধৰ সুৰেৰে ক'লে, "তই তেতিয়া হলে শুইথাকোঁতে লাহে লাহে এই গীতফাকি গাই শুনাচোন: বিষয় বিষধৰ, বিষে জৰ জৰ জীৱন নাৰহে থোৰ..."

খুড়াৰ বিপ্লবৰ প্ৰশ্নৰ উত্তৰ দিবলগীয়া নহ'ল। "বিষয় বিষধৰ, বিষে জৰ জৰ" গীত ফাকিকে সৰু সৰুকৈ গাই শুনালো। খুড়াই মোৰ মুখে মুখে গুণগুণাই এটা সময়ত টোপনিত পৰিল।

পিচদিনাখন শল্যবিভাগৰ অধ্যাপকক কৈ খুড়াক চীট এটা যোগাৰ কৰি দিলো। তেওঁৰে সকলো প্ৰকাৰৰ ব্যৱস্থা হাতত ল'লে। খুড়া প্ৰায় এমাহমান চিকিৎসাধীন হৈ থাকিল। সেই কেইদিন তেওঁ খুউব ভাল পোৱা বুলি কৈছিল যদিও আমি নিশ্চিত হৈছিলো।—"No hope".

সম্পূৰ্ণ এমাহৰ চিকিৎসাৰ অন্তত খুড়া ঘৰলৈ ঘূৰি গ'লগৈ। তেওঁ সেই কেইদিন যথেষ্ট ভাল পোৱা বুলি ক'লে। ময়ো তেওঁ সম্পূৰ্ণ ভাল হৈ গৈছে বুলি মিছা সান্ত্বনা দি পঠিয়াই দিলো। যাবৰ সময়ত তেওঁ মোক কৈ গ'ল—"তই কিন্তু এই বাটি নিয়া দিন কেইটা পূৰ্ণ হ'লেই ঘৰলৈ যাবি দেই। তোৰ লগত মোৰ বহুত কথা আছে। কণমইনাৰ্হত একেবাৰে গুচিল। তই গৈ সিহঁতক সজ পথলৈ আনিব লাগিব।"

ডিব্ৰুগড়ৰ পৰা ঘূৰি গৈ খুড়াই আকৌ তৰুৱা কদমৰ তলত বহি মেডিকেল কলেজৰ গল্প ক'বলৈ আৰম্ভ কৰিলে। মেডিকেল কলেজৰ ল'ৰাবোৰে ওৱাৰ্ডত কেনেদৰে গধুলি হিষ্ট্ৰী লবলৈ আহে। কেনেকৈ

ঘোৰাৰ কদমত খোজ কাঢ়ে প্ৰফেচাৰে ল'ৰাক কেনেদৰে হাতত ধৰি ধৰি বেমাৰ চাবলৈ শিকায়, প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিলে কেনেদৰে ইংৰাজীতে গালি পাৰে···। ·গলধনৰ পৰা মাংস এটুকুৰা কাটি নি কেনেদৰে বেমাৰ পৰীক্ষা কৰে, ডিঙিৰে খোৱাবস্তু পাৰ নহ'লে কেনেদৰে পেটফুটাই নলীয়েদি আহাৰ খুৱায় ইত্যাদি এশএটা কথা খুড়াই ক'বলৈ আৰম্ভ কৰিলে। কথাই কথাই তেওঁক নাৰ্চ বাইদেৱে মোৰ খুড়া বুলি জানি আবেলি ভাত খাওঁতে এটুকুৰা ঠাইত দুটুকুৰা মাছ যে দিছিল সেই কথাও ক'বলৈ নেপাহৰিলে। গল্পবোৰ কওঁতে তেওঁ ইমান পাৰদৰ্শিতা দেখুৱালে যেন মেডিকেল কলেজ সম্বন্ধে তেওঁতকৈ আৰু জনা ব্যক্তি পৃথিৱীত নাই। কোনোৱাই তাৰপৰা মেডিকেল কলেজলৈ আহিবলৈ হ'লে তেওঁ যি উপদেশ দিব পাৰিব, অইন কোনেও দিব নোৱাৰিব। গল্প-গল্প—কেৱল গল্প—নতুন অভিজ্ঞতাৰ গল্প।

কিন্তু এইবেলি তেওঁ তকৰা কদম্বৰ তলত বহি বেছিদিন মেডিকেল কলেজৰ গল্প শুনাব নোৱাৰিলে। "Leaves have their time to fall, and flowers to wither at the North wind's breath and the stars to set—but all, than hast all seasons for thine own, o death!"—যোৱাকালি ভাইটিৰ পৰা চিঠি এখন পাইছোঁ। তকৰা কদম কেইজুপী জকমকাই ফুলি উঠিছে কিন্তু তাৰ তলত বহি গল্প শুনোৱা মানুহজন এই পৃথিৱীত আৰু নাই। আজি মাত্ৰ চাৰি দিন হ'ল—মেধিখুড়াই 'বিষয় বিষধৰ বিষে জৰ জৰ'ৰ পৰা চিৰদিনৰ বাবে মুক্তি লাভ কৰিছে। মৃত্যুৰ আগ মুহূৰ্তত তেওঁ হেনো খুউব বিচাৰিছিল তেওঁৰ অতি প্ৰিয় গীতফাকি কাৰোবাৰ কণ্ঠত এবাৰৰ বাবে হ'লেও শুনিবলৈ, কাৰত পৰ দি থকা কণমইনাক বাৰে বাৰে গাই শুনাবলৈ। কিন্তু কণমইনাৰ অসমৰ্থতাৰ হেতুকে তেওঁ নিজেই হেনো সেহাই সেহাই গাই শেষ নিশ্বাস কাঢ়িলে— "বিষয় বিষধৰ··· ।"

ভাইটিৰ চিঠিখন পোৱাৰ পিচত মোৰ খুড়াৰ প্ৰিয় গীত ফাকিলৈ মনত পৰা নাই। উৰ্দ্ধ চায়েৰ এফাকিলৈহে মনত পৰিছে—

"বাতে কৰতে কৰতে চো গয়ে হো সাথী
এক ভী বাত পুৰি না হো পাই
আধী বাত্ আধী বাত।

o o o

ভাইটিৰ চিঠিখন মোৰ পকেটত আছে। এয়া এইখন। চিঠিখন হাতত পৰাৰ লগে লগে মোৰ মনটো বৰ ভাৰাক্রান্ত হৈ উঠিছে। এনেয়ে বৰবাৰী এৰি যানলৈ ওলোৱাত মন অস্থিৰ, তাতে আকৌ মেধি খুড়াৰ মৃত্যু সংবাদ। গাওঁখনৰ এজনৰ মৃত্যুৰ বাতৰিয়ে সমস্ত গাওঁখনৰ প্রতিঘৰ মানুহবেই ঘৰুৱা চিত্রবোৰ মোৰ চকুৰ সন্মুখত জল্ জল্ পট্ পট্‌কৈ দাঙি ধৰিছে।

কাইলৈ মই ঘৰপোৱাৰ পিচত মোৰ নিজৰ ঘৰখনত তথা মোৰ গাওঁখনৰ প্রত্যেক ঘৰ মানুহৰ ঘৰতেই অনেক পাৰ্থক্য দেখিবলৈ পাম্। সাত বছৰ আগতে মোৰ যিখন ঘৰত, যিখন গাঁৱত কিবা এক মিঠা আমেজ বিচাৰি পাইছিলোঁ, সেই আমেজ কাইলৈ গৈ যেন মই আৰু বিচাৰি নেপাম। মাত্র সাতটা বছৰৰ ব্যৱধান, তাতেই ইমান পাৰ্থক্য? অথচ মই সেই একেটা বাটেৰে একেখন ঘৰলৈকে যাম, একেখন গাঁৱলৈকে যাম।

মাত্র সাতোটা বছৰৰ আগৰ প্রিমেডিকেলৰ বছৰটোৰ দিন এটিলৈ মোৰ মনত পৰিছে। সেইদিনটোত পূজাৰ বন্ধ আহিছিল। আমি টাউনৰ সৰু সৰু হোষ্টেল দুটা খালী কৰি ঘৰলৈ ওলাইছিলোঁ। আমি এজাক ল'ৰা। বাছখনত উঠিয়েই সহযাত্রীবোৰৰ ওচৰত প্রয়োজনতকৈ বেছি গহীন হৈ পৰিছিলোঁ। হাতত থকা ব্রীফকেচটোত বগা পেইণ্টেৰে লিখা "Abanindra Baruah, Assam Medical College, Dibrugarh" কথাখিনি যাতে কাষত থকা সহযাত্রী কিম্বা বাচৰ কণ্ডাক্টৰৰ অতৰ্কিতে দৃষ্টি গোচৰ হয় তাৰ বাবে খুউব সতর্ক আছিলোঁ। বোকাখাটত ভাত খাই উঠি চিগাৰেটত এক বিশেষ ভঙ্গীৰে টান মাৰোতে সতর্ক হৈ আছিলোঁ।—কোনোৱাই যদি কোন ইয়েৰত পঢ়া বুলি প্রশ্ন সোধে কি উত্তৰ দিম বাৰু? নাই সেইবোৰ কেলেই? মই

মূঠতে মেডিকেল কলেজৰ ছাত্ৰ! ইমানেই! ইয়াতকৈ আৰু ডাঙৰ পৰিচয় মোক আৰু কি লাগিছে?

গুৱাহাটীত নামি মাছখোৱা বাচষ্টেণ্ডত ঘৰমুখী লাইন বাচখনত উঠি যাওঁতে বাচত লগপোৱা দুই-এক পুৰণি চিনাকি মানুহৰ আগত প্ৰয়োজনতকৈ কিছু ডাঙৰ মাতেৰে মেডিকেল কলেজৰ কথা কৈছিলোঁ। —অচিনাকি মানুহক যাতে কিবা এক কৌতূহলে আবৰি ৰাখে।

ঘৰ পোৱাৰ পিচত দেখিছিলোঁ। মোৰ নিজৰ ঘৰখনৰ লগতে গোটেই গাওঁখন অকল যেন মোৰেই পদাৰ্পণত আনন্দ মধুৰ হৈ উঠিছে। দেউতা, মেধিখুড়া, সাতোলা খুড়া, হাইস্কুলৰ অঙ্কৰ চাৰ আটায়ে ইটো সিটো খবৰ লোৱাত ব্যস্ত। মায়ে আকৌ "তাক চাহকাপ খাবলৈ দিয়কচোন" বুলি পাকঘৰলৈ লৈগৈছিল। পাকঘৰত চাহখাই থাকোতে অঙ্কৰ চাৰে বাৰান্দাৰ পৰাই চিঞৰি সুধিছিল—"হেৰা ডাক্তৰ ল'ৰা! তুমি পিচে দবব জাতি দিবলৈ পৰা হৈছা নে নাই?" অঙ্কৰ চাৰৰ ইমান মিঠা ব্যৱহাৰ দেখি মই আচৰিত হৈ গৈছিলোঁ। তেওঁ আগতে মোৰ চক্ৰবৃদ্ধি মূলৰ অঙ্ক ভুল হ'লে প্ৰায়েই গালি পাৰি কৈছিল—গাধ! তোৰ লোকৰ বোজা কঢ়িয়াওঁতেই দিন যাব!"

আবেলি সময়ত তৰুৱা কদম্বৰ তলত মেলখনত মেধিখুড়া সাতোলা-খুড়া, গাওঁবুঢ়া জেঠাই আদিয়ে মোক পাই বৰ উৎফুল্লিত হৈ উঠিছিল। তৰুৱা কদম্বৰ তলৰ মেলখন বেচ জমি উঠিছিল। মেধিখুড়াই আকৌ ইটো সিটো কথাৰ মাজতে সুধিছিল—"তহঁতেনো মৰা মানুহবোৰ হাতেৰে পিতিকি পিতিকি কেনেদৰে কটাচিঙা কৰ অ' বোপাই! কিবা ঘিণ লাগি নেযাইনে?" মই গুৰুগম্ভীৰভাৱে উত্তৰ দিছিলোঁ।— "তোমালোকৰ খুড়িটিয়ে মৈদাখনেৰে মৰা মাছবোৰ কাটোতে জানো ঘিণ কৰে?" মেধিখুড়াই ইঙ্গিততে কিবা এটা বেছিকৈ বুজি পোৱা যেন দেখুৱাইছিল। বাকী কেইজনে ভেবা লাগি মোৰ মুখৰ ফালে চাই আছিল। মই অলপ সচেতন হৈ পৰিছিলোঁ।—"মই বাৰু ধৰা পৰি গৈছোঁ নেকি? তেতিয়ালৈকে মই মৰা মানুহৰ মুখামুখি হোৱাই নাই! ভেঁকুলীহে কাটি আছিলোঁ।

ৰাতি মায়ে ৰান্ধনি ঘৰত ইটো সিটো ৰন্ধাত ব্যস্ত হৈ থাকোতে দেউতাই কাষত গৈ মাক ৰন্ধা-বঢ়াত সহায় কৰি আছিল। অইন দিনা হ'লে দেউতাই ভাত সাজ খাবলৈকেহে ৰান্ধনি ঘৰত সোমায়। দেউতাই মাক কৈছিল—"হেৰা! সি কান্দুলি মাছ খাই আগতে বৰ ভাল পাইছিল। তাক কান্দুলি মাছটো গোটে গোটে ভাজি দিবা।" মায়ে কিবা এক অবুজ অভিমানেৰে উত্তৰ দিছিল—"জানো! আজি-কালি তাৰ মোৰ হাতৰ ৰন্ধা-বঢ়া খাই ভাল লাগেনে নেলাগে? হোষ্টেলৰ ভাত খাই খাই কিজানি তাৰ জিভাৰ জুটি সলনিয়েই হ'ল! মাৰ কথাষাৰ দেউতাৰ কাণত সোমাইছিল নে নাই নেজানো; কিন্তু মায়ে মৈদাখনেৰে কান্দুলি মাছটো বাচি থাকোতে দেউতাই কিবা এক আবেগৰ বন্দীহৈ "ডাক্তৰৰ মাক" বুলি কৈ মাৰ খোপাটোত হাত ফুৰাই দিছিল। "যাওক! আপুনি এতিয়াও এইখন কি ধেমালি-কৰি থাকে" বুলি উচাং মাৰি মা ৰান্ধনি ঘৰৰ ভিতৰলৈ সোমাই গৈছিল। শোৱনি ঘৰৰ বাৰান্দাৰপৰা আলেঙে আলেঙে মই কথাষাৰ লক্ষ্য কৰিছিলোঁ।

o o o

আজিকালি ঘৰলৈ গ'লে এইবোৰ আমেজ পাবলৈ নাই। মেডিকেলৰ ইটো সিটো কথা সুধি আমনি কৰা মেধিখুড়াও মাত্র চাৰিদিন আগতে নিৰ্বাক হৈ গৈছে। ঘৰ পোৱাৰ পিচত বাচৰপৰা বেডিংটো নমাবলৈ দেউতা পদুলি মূৰত ৰৈ থাকিবলৈকে নাই—কালৰ সোঁতত হেৰাই গৈছে। মা, ডাঙৰ বাইদেউ আৰু ভনীজনীহে পদুলি মূৰত ৰৈ থাকে। মাক আজিকালি বাচৰপৰা নামি লগ পোৱাৰ পিচত অন্তৰ উজাৰি অহা আনন্দখিনি মাজতে ক'ৰবাত য'তি খাই যায়—গোটেইখন কপাল ঢাকি লোৱা মাৰ কপালৰ সেন্দুৰৰ টিক্ টিক্ ৰঙা ফোটটো দেখিবলৈকে নাই। বাইদেউৰ চেহেৰাটো আজিকালি মোৰ ভাল নলগা হৈ আহিছে। গালকেইখন ভাগি ভিতৰলৈ সোমাই গৈছে। কিবা বুঢ়ীজনী যেন হৈ গৈছে। তাইৰ বিয়াৰ বয়স বাৰু পাৰ হৈ গ'ল নেকি? মোতকৈ মাত্র দুবছৰেহে ডাঙৰ আছিল? দেউতা

জীয়াই থকা দিন কেইটাত মোক পঢ়োৱা দায়িত্ব পালনৰ বাহিৰে কোনোফালেই চকু দিবলৈ আহৰি নেপালে। শোৱনি ঘৰটোৰ বাৰান্দাত ভৰি দিয়াৰ লগে লগে মোৰ বুকুখনত এক বিশেষ বেদনা অনুভৱ কৰোঁ। বাৰান্দাখনৰ চালৰ টিন্‌পাত কেইচলা দেখিবলৈকে নাই। মায়ে দেউতা ঢুকুৱাৰ পিচত মোক পঢ়োৱা খৰচৰ বাবদ টিন্‌পাত কেইচলা বিক্ৰি কৰি দিছে।

কাইলৈ ঘৰ পোৱাৰ পিচত মোক লগ কৰিবলৈ গাওঁখনৰ পুৰণি মানুহবোৰৰ ভিতৰত অকল "অঙ্কৰ চাৰ" হে আহিব। মেধিখুড়া নাই, সাতোলা খুড়া নাই, গাওঁবুঢ়া জেঠাইৰ হেনো কঁকালৰ বিষ, বিচনাৰ পৰা উঠিব নোৱাৰে। অঙ্কৰ চাৰে চাগে আগৰ নিচিনাকৈ এইবাৰো মাতিব—"কি হে ডাক্তৰ। কেতিয়া আহিলা?" অঙ্কৰ চাৰক এইবাৰ মই কৈ দিম—"চাৰ আপুনি মোক আগৰ দৰে গাধ বুলি নেমাতে যদিও নিকুন বুলি মাতিলেহে বেছি ভাল পাম।" চাৰ চাগে তেওঁৰ দন্ত বিহীন মুখখনেৰে ঘেক ঘেকাই হাঁহি হাঁহি ক'ব—"তুমিয়েই আমাৰ আদৰ্শবান ল'ৰা। ডাক্তৰ হোৱাৰ পিচতো তোমাৰ তিলমাত্ৰও অভিমান হোৱা নাই! আত্মানং তৃণবৎ মন্যে।" আচলতে অঙ্কৰ চাৰে বুজি পোৱা নাই, মোৰ এই "ডাক্তৰ" বোলা সম্বোধনটো পঢ়ি থকা অৱস্থাতহে ভাল লাগিছিল। আজিকালি সেই সম্বোধনটোৰ প্ৰতি কোনো স্পৃহা নাই। আচলতে বিকোনো বস্তুৰেই ৰহস্য ভেদৰ পিচত সেই বস্তুৰ প্ৰতি আগৰ দৰে স্পৃহা নেথাকে। ফুলশয্যাৰ ৰাতিৰ পিচত জীৱনৰ পৰম ৰহস্যৰে আবৃত গাভৰু ছোৱালীৰ জীৱন ৰহস্যৰ প্ৰতি পুৰুষৰ'মন ক্ৰমাৎ নিস্পৃহ হৈ অহাৰ দৰে।

কাইলৈ মই ঘৰ পোৱাৰ পিচত অইন সকলোৱে মোক লগ কৰিবলৈ আহিলেও, কণমইনা হয়তো এবাৰো মোক লগ কৰিবলৈ নাহিব। মই তাক বিচাৰি গ'লেও সি চাগে মোৰপৰা চুলুং-চালাংকৈ পলাই ফুৰিব। অথচ আজি সাত বছৰ আগতে কিম্বা তিনিবছৰ আগতে মই ঘৰ পোৱাত কণমইনাৰহে আটাইতকৈ বেছি আনন্দ লাগিছিল।

কণমইনাৰ জন্মদিনটোলৈ মোৰ আজি মনত পৰিছে। মোৰ বয়স

তেতিয়া মাত্র পাঁচবছৰ। মই মেধিখুড়াৰ পিচে পিচে ঘূৰি ফুৰি এটা কথাকেই সুধি হাৰাশাস্তি কৰিছিলোঁ।—"ভাইটি জন ক'ৰপৰা আহিল ?" মেধিখুড়াই বৰ অদ্ভুৎ চালাক মানুহ এজনৰ দৰে কৈছিল—"সৌ গছডালৰ ওপৰৰ পৰা ৰাতি খুৰীয়েৰা শুই থাকোঁতে স্বয়ং ভগবান নিজে আহি খুৰীয়েৰাৰ কাষত শুৱাই থৈ গৈছে।" মই ভেবা লাগি কথাবাৰ শুনি গৈছিলোঁ। আৰু মনে মনে মই নেদেখা ভগবান জনক এবাৰৰ বাবে হ'লেও চাবলৈ খুউব ইচ্ছা কৰিছিলোঁ। লাহে লাহে কণমইনা মোৰেই কোলতে, বোকোচাত উঠি ডাঙৰ দীঘল হৈছিল। এখোজ দুখোজ কাঢ়িব পৰা হৈছিল। মাতকথা মাতিব পৰা হৈছিল। দেউতাই যেতিয়া প্ৰথম কুকুৰাই ডাক দিয়াৰ লগে লগে বিচনাতে শুই শুই "তেজৰে কমলাপতি পৰভাতে নিন্দ" বুলি শ্যামৰাগ গাইছিল, মই শেৱালী বাইদেউ, ৰুক্মিণী পেহী আটায়ে লগলাগি একেকোবে বিচনাৰ পৰা উঠি আমাৰ ঘৰৰ ওচৰৰ গোপাল থানৰ বকুল জোপাৰ তলত বকুলফুল বোটলাত ব্যস্ত হৈ পৰিছিলোঁ। গোটেই গাঁওখনৰ ল'ৰা-ছোৱালীবোৰ বকুলফুল বুটলিবলৈ লৰি-ঢাপৰি আহিছিল। আৰু আমি চাওঁতে চাওঁতে লক্ষ্য কৰিছিলোঁ। যে কণমইনাও এদিন আমাৰ লগতে ৰাতিপুৱা দেউতাৰ কণ্ঠৰ শ্যাম ৰাগৰ সুৰত সাৰ পাই উঠি বকুল ফুল বুটলিবলৈ আহিবপৰা হৈছে।· বকুল বুটলি থাকোঁতে আমি দেউতাই শিকাই দিয়া নাম ফাকি জাত জাত চাপৰি বাই গাইছিলোঁ।— "আজু বনমালী নাৰহে কান্দে গোপীনী কৃষ্ণইকে বিনাই হৰি হে।" কণমইনাইও আমাৰ লগে লগে আধাকুটা মাতেৰে গীত ফাকি গাইছিল। বকুল বুটলি আহি কিতাপ-ফলি লৈ মই যেতিয়া চিঞৰি চিঞৰি পঢ়িছিলোঁ।—"পঢ়া-শুনা কৰে যেয়ে, ঘোঁৰা গাড়ীত উঠে সেয়ে"; কণমইনাইয়ো মোৰ মুখে মুখে কবিতা ফাকি গাবলৈ চেষ্টা কৰিছিল। সেই পিয়াহ-দঁতা কণমইনা মলয়ৰ সোঁতত আজি ডাঙৰ দীঘল হ'ল পঢ়া-শুনা কৰিলে। এতিয়া বি-এ পাচ কৰি ঘৰতে বেকাৰ হৈ বহি আছে। মেধিখুড়াৰ ভাষাৰে সি থুঁতৰিৰ তলত দাড়ি ৰাখি বোৰ বিপ্লবী হৈ উঠিছে।

কণমইনাই এসময়ত মোক খুউব ভাল পাইছিল। খুউব শ্রদ্ধা কৰিছিল। "নিকুনদা-নিকুনদা" বুলি পিচে পিচে ঘূৰি ফুৰিছিল। মোৰ জীৱনাদৰ্শেৰেই তাৰ জীৱনৰ সকলো আদৰ্শ বুলি মনে মনে আওঁৰাইছিল। কিন্তু আজি তিনিবছৰ মানৰ পৰা মই লক্ষ্য কৰিছিলোঁ সি যেন মোৰ পৰা ক্ৰমাৎ আঁতৰি ফুৰিবলৈ চেষ্টা কৰিছে। মোৰ কথাবোৰৰ প্ৰতি আগৰ দৰে গুৰুত্ব দিবলৈ কিছুদূৰ অপাৰগ হৈছে আৰু দুই-এটা কথাত মোৰ লগত খাট্-খুট তৰ্ক কৰিবলৈও সাহস গোটাইছে।

যোৱাবেলি মই ঘৰলৈ যোৱাৰ দিনাখন তাক বহুত পৰলৈকে ঘৰত বিচাৰি পোৱা নাছিলোঁ। মই বাটত এনেয়ে জোনাকৰ ৰূপ লেখি ঘূৰি-ফুৰোঁতে বহুত ৰাতি সি টলং-পলংকৈ ঘৰলৈ আহি থকা দেখিছিলোঁ। মই তাৰ ওচৰলৈ গৈ প্ৰথম কথাষাৰ পাতোঁতেই তাৰ মুখৰপৰা ভেকেটা ভেকেটা গন্ধ এটা পাই কাণত ধৰি তাক দুই চৰ মাৰি খঙতে গালি পাৰি উঠিছিলোঁ—"কুকুৰ! তই মদ খাবলৈ শিকিছ?" সি মোৰ সমানেই খঙাল হৈ উগ্ৰমূৰ্তি ধৰি কৈছিল—"তুমি যদি মোক এটা চাকৰি গোটাই দিব পাৰা, মই তোমাৰ ভৰিত ধৰি কৈছোঁ নিকুনদা—মই মদ খাবলৈ এৰি দিম!" মই আচৰিত হৈ গৈছিলোঁ—যি কণমইনাই মোৰ ওচৰত এটা কেঁচুৱা ল'ৰাৰ দৰে লেতু সেতু হৈ পৰে, সেই কণমনাই মোৰ ওচৰত ডাঙৰ কথা কবলৈ সাহস কৰিছে? কাৰণ সি ভালদৰে জানে যে মই তাক এটা চাকৰি গোটাই দিব নোৱাৰোঁ!

০ ০ ০ ০

কেইদিনমান হ'ল মাত্ৰ! মই কণমইনাৰপৰা এখন চিঠি পাইছিলোঁ। সি তাত লিখিছিল—"মেডিকেল হোষ্টেলত থাকি বৰমায়ে পঠিওৱা টকা কেইটাৰ ওপৰত কোনোবা লাট্ চাহাবৰ পুতেকৰ দৰে চলাফুৰা কৰি দিনে-ৰাতিয়ে চিকিৎসা শাস্ত্ৰৰ ডাঙৰ ডাঙৰ কিতাপৰ মাজত মূৰ গুজি থাকিলেই জানো সংসাৰৰ সকলো খবৰ আয়ত্ব কৰিব পাৰি? শোষক আৰু শোষিতৰ বৈষম্যৰে ভৰপূৰ এইখন দেশৰ মূৰৰ ওপৰৰ আকাশখন তুমি যিমান সুনীল বুলি ভাবিছা—সিমান সুনীল নহয় নিকুনদা! এইখন দেশৰ জীৱন বীক্ষা এনেদৰে

নিৰ্ণিত যে ইস্পাত এটা পানী কেঁচুৰাই চালুকীয়া হৈ উঠাৰ পিচত অইন এজনৰ কান্ধৰ ওপৰত ভৰদি মাকে লুকুৱাই থোৱা শিকিয়াৰ ওপৰৰ মাখন চুৰি কৰিবলৈ শিকে। আৰু তাকেই এই দেশৰ মানুহে "লীলা-কৈবল্যম্ হেতু" বুলি জাত জাত চাপৰি বজাই সমৰ্থন কৰে···। তুমি জানো তোমাৰ কলেজখনৰ চৌপাশে সমাজ ব্যৱস্থাৰ বৈষম্য দেখা নাই? মই অৱশ্যে তোমাৰ কলেজখন দেখা নাই। দেউতাৰ মুখৰ পৰাহে যি শুনিছোঁ? কিন্তু তোমাকেই সুধিছোঁ—তুমি জানো স্পষ্টভাৱে কব পাৰিবা যে তাত অধ্যাপকৰ কলনি, আৰু ফৰ্থগ্ৰেডৰ কলনিত সকলোৱেই সমানেই সুবিধা পাইছে। কলেজখনৰ বহিৰ্বিভাগত উপস্থিত হোৱা সকলো বেমাৰীয়েই প্ৰয়োজন অনুসাৰে চীট এটা যোগাৰ কৰিব পাৰিছে? তেতিয়া হ'লে তুমি চাবুৱাৰ পৰা আহি পোৱাৰ আগদিনাখনলৈকে দেউতা বিকনৰ দোকানৰ একেবাৰে আনহায়জেনিক কোঠা এটাত কিয় পৰি আছিল? তোমাৰ কলেজৰ ভেৰোনীয়া কোঠা কেইটাৰ ইমান আহল-বহল জেনেৰেল ওৱাৰ্ড কেইটা থাকোঁতে জানো কিবা প্ৰয়োজন আছে? অথচ তুমি চীনদেশৰ-চিকিৎসা-বিপ্লব সম্বন্ধে ক'ৰবাত পঢ়ি চাবাচোন? "আকৌ চীন চাই আহিলোঁ" নামৰ কিতাপখনৰ "চীনদেশত চিকিৎসা-বিপ্লব" নামৰ প্ৰবন্ধটো পঢ়ি চাবা—কেনেদৰে এজন সাধাৰণ তীখা শ্ৰমিক ভয়ংকৰভাৱে অগ্নিদগ্ধ হোৱাৰ পিচত তেওঁৰেই জীৱন বচোৱাৰ উদ্দেশ্যে চীন দেশৰ চিকিৎসা জগতত এক নতুন নাটকৰ আঁৰ পট উঠিল। সেই প্ৰবন্ধটোৰে শেষ অংশত লিখকে লিখিছে—"মাওৰ 'দুই ভৰিবে খোজ লোৱা'ৰ নীতিৰ ফলতেই পাশ্চাত্য আৰু চৈনিক চিকিৎসা-প্ৰণালীয়ে সমান মৰ্যাদা পালে। কিন্তু মই যিমান সহজে লিখিছোঁ, বা আপুনি পঢ়িছে, সিমান সহজে ঘটা নাছিল। সেই বাবে হস্পিটালৰ প্ৰশাসক, ডাক্তৰ, নাৰ্চ, জাৰুদাৰ, মেতৰ আটাইবে মানুহ সম্পাকত এটা নতুন পৰিবৰ্তনৰ আন্দোলনে গা কৰি উঠিছিল আৰু এই আন্দোলনৰ ঘাই মাধ্যম আছিল কায়িক শ্ৰম। সেই দিনটোৰ কথা মই পাহৰিব পৰা নাই, যিটো দিনত হস্পিটালৰ ছুপাৰিনটেণ্ডেন্টৰপৰা আৰম্ভ কৰি মৰং-

চোৰালৈকে আটাইয়েই ধোৱা-পথলা কৰি, চাফ-চিকুনাই হস্পিটাল-খনক ফু মাৰি ভাত খাবপৰা কৰি তুলিবলৈ ব্যস্ত। কল্পনা কৰক, আমাৰ মেডিকেল কলেজৰ চুপাৰিনটেণ্ডেণ্টে জাকদাৰ-মেতৰহঁতৰ লগ লাগি হস্পিটাল চাফা কৰিবলৈ লাগি গৈছে।”

তুমি চাগে জীৱনত ইমান দিনে এনেকুৱা ডাঙৰ ডাঙৰ কথা লিখা চিঠি কাহানিও পোৱা নাছিলা আৰু চাগে চিঠিখন পোৱাৰ পিচত খঙতে অগ্নিশৰ্মা হৈ উঠি ঘৰলৈ আহি মোক তুইগালে দুটা চৰ মাৰিবা আৰু মুখেৰে ভোৰ-ভোৰাই কবা—“সৰুৰ মুখত বৰকথা।” কিন্তু মই আচলতে সৰু ল'ৰা হৈ থকা নাই নিকুনদা। বয়স অনুপাতে যথেষ্ট ডাঙৰ হৈছোঁ; কিন্তু টকা অৰ্জাতহে সৰু। সেইবুলি অৰ্হতাত কোনো গুণেই কম নহয়। দৰ্শনত অনাৰ্চ লৈ বি-এ পাচ কৰি ঘৰতে বেকাৰ হৈ বহি আছোঁ। তুমি দৰাচলতে মই এটা চাকৰি বিচাৰি নেপাই এনেখন অ'তপালি কৰিছোঁ বুলি ভাবিছা নহয় জানো? আচলতে মই বৰ্তমান সমাজ-ব্যৱস্থাক লৈ অকনো শান্তি পোৱা নাই নিকুনদা! The autmoshphere that I breath is gloomy and uncertain. মই আচলতে মানুহৰ মাজত সমতা বিছাৰি ফুৰিছোঁ। ভাৰতীয় দৰ্শনে মানুহক “অমৃতস্য পুত্ৰাঃ” বুলি কয়। তেতিয়া হ'লে এনেকুৱা সমাজ-ব্যৱস্থাৰ প্ৰয়োজন যাৰ দ্বাৰা সকলো মানুহে অমৃতৰ কুম্ভৰ ভাগ সমানে পায়। আৰু এইবোৰ কথা মই যেতিয়া মানুহৰ আগত কবলৈ যাওঁ, তেওঁলোকে মোক বলিয়া বুলি ভাবে। অথচ মোৰ জীৱনৰ সমস্ত চিন্তা তেওঁলোকৰ মঙ্গলৰ বাবেই, ইয়াত মোৰ ব্যক্তিগত স্বাৰ্থ অকনো নাই। আৰু মই যেতিয়া অনুভৱ কৰোঁ যে মোৰ চিন্তাধাৰাৰ বীজ ৰোপণ কৰিবলৈ কোনো মানুহৰ অন্তৰত এধানমানো সৰুৱা মাটি দেখিবলৈ পোৱা নাই, তেতিয়া মোৰ অন্তৰখনে হাহাকাৰ কৰি উঠে নিকুনদা: আৰু অৱশেষত মোৰ মনৰ জোৰ যেতিয়া ভাগি চূৰমাৰ হৈ যায় তেতিয়া মোৰ নিজৰ সমস্ত সত্বাক পাহৰি যোৱাৰ উদ্দেশ্যে মদৰ আশ্ৰয় লব-লগীয়া হওঁ নিকুনদা। সঁচা কথা, মই মদ খাওঁ। কাৰণ মই আত্ম-সমালোচনাক ফাঁকি দিব নোৱাৰি নিজকে পাহৰি থাকিবহে খোজোঁ।

কণমইনাৰ পৰা আগতে কাহানিও ইমান চিঠি পোৱা নাছিলোঁ। তাৰ চিঠিখনে মোক যথেষ্ট পৰিমাণে ভাবুক কৰি তুলিছিল। মই তাৰ চিঠিখনৰ উত্তৰ স্বৰূপে মাত্র Burke-ৰ ভাষাৰে এটা বাক্য লিখিছিলোঁ।—"If a great change is to be made in human affairs, the minds of men will be filled to it; the general opinions and feelings will draw that way. Every fear and hope will forward it; and they who persist in opposing this mighty current will appear rather to resist the decrees of providence itself, than the mere designs of men.—They will not be so much resolute and firm as perverse and obstinate."

o o o o

মেথিখুড়াৰ মৃত্যুৰ বাতৰি কঢ়িয়াই অনা ভাইটিৰ চিঠিখন মোৰ হাতত পৰাৰ পিচৰে পৰা চিঠিখন কেবাবাৰো পঢ়ি চাইছোঁ। কাৰণ চিঠিখনে মোলৈ এটা সমস্যা কঢ়িয়াই আনিছে। কণমইনাই হেনো মেথিখুড়াৰ মুখাগ্নি দিবলৈ নাহিল। খুৰীটিয়েই দিলে। সপিণ্ডন দিবলৈও নাহিল। খুৰীটিয়েহে দিলে। সপিণ্ডন দিবলৈ অহা পুৰোহিত জনক মুখ ভেঙুচাইহে ক'লে—"মোক এইবোৰ এলাবাং কথাৰে ঠগাৰ নোৱাৰে দেই—ভোঃ ভোঃ পিণ্ডঃ গয়াং গচ্ছ গয়াং গচ্ছ।" খুৰীটিয়ে বাৰে বাৰে জোৰ কৰাৰ পিচতো তিতা-চুৰীয়াখন পিন্ধি, হাতত কটাৰী আৰু কলপাতলৈ মৃতকৰ ব্ৰত পালন কৰিবলৈ মান্তি হোৱা নাই; বৰঞ্চ তাৰ পুৰণি নীলা লংপেণ্টটোকে পিন্ধি গাওঁখনৰ ইমূৰপৰা সিমূৰলৈ চিঞৰি ফুৰিছে—"এইবোৰ অন্ধ--সংস্কাৰ। এইবোৰ আঁতৰাব লাগে।" মেথিখুড়াৰ মৃত্যুৰ লগে লগে তাৰ বিপ্লৱৰ প্ৰথম চাপ তাৰ নিজৰ ঘৰখনতেই আৰম্ভ কৰি দিলে। গাঁৱত এই কথাটোকে লৈ বিৰাট মেল বহিছে। কোনেও তাক বুজাব পৰা নাই। খুৰীটিয়ে নিজৰ কপালকে খিয়াই পাৰেমানে কান্দিছে।

আজি মেধিখুড়াৰ শ্ৰাদ্ধ চতুৰ্থীৰ দিন। আৰু ছয়দিন পিচতেই দশকৰ্ম হ'ব। কিন্তু গাঁৱৰ মানুহবোৰে হেনো শেষ সিদ্ধান্তত উপনীত হৈছে—কণমইনাই যদি তিতা চুৰীয়া পিন্ধি সহস্ৰ ধেনু প্ৰায়শ্চিত্ত নকৰে, তেতিয়া হ'লে তেওঁলোকে মেধিখুড়াৰ ঘৰত অন্ন-জল একোকেই' গ্ৰহণ নকৰে। গাঁৱৰ মানুহবোৰে হেনো মোকেই অপেক্ষা কৰি আছে। তেওঁলোকৰ বিশ্বাস কণমাইনাক অইন কোনেও বুজাব নোৱাৰিলেও, মইহে তাক বুজাব পাৰিম। সকলোৰে পৰা সি মোৰ হাক বচন শুনি আহিছে। মই বৰ চিন্তাত পৰি গৈছোঁ। গাঁৱৰ মানুহবোৰৰ সহস্ৰ নিনাদিত মুখৰ বিপক্ষে কণমইনাৰ এখন মুখে। অন্য হাতে কণমইনাৰ যুক্তি-তৰ্কৰ সম্মুখত মই জানো তিষ্ঠিব পাৰম ?

কাইলৈ গাঁৱখনত মোৰ পদাৰ্পণত অইনৰ বাবে যিয়েই চিন্তা নহওক কিয়, কণমইনাৰ বাবে চাগে এটাই চিন্তা হ'ব, "আমাৰ গাঁৱত আজিৰ পৰা আৰু এজন বুৰ্জোৱাৰ সৃষ্টি হ'ল। সাৱধান নিকুনদা! মই মানে প্ৰাণে বিচৰা বিপ্লৱটো যদি সঁচাকৈয়ে হ'বলৈ হয়, কোনে জানে কিজানি মোৰ ৰিভলবাৰৰ প্ৰথম চিকাৰ তুমিয়েই হোৱা!"

## যৱনিকা
## এক

: অনুপম।

: নিকুনদা।

: ৰাতি পুৱাল! পাঁচ বাজিল নেকি ?

: হয় পাঁচ বাজিলেই।

: ব'লা। মোৰ কোঠাটোলৈকে যাওঁ। শেষবাৰৰ মোৰ ৪০ নম্বৰ কোঠাটোত এবাৰ বহি লওঁ।

: ব'লক। আৰু এঘণ্টামানৰ পিচতেই আপোনাৰ যাত্ৰাকাল উপস্থিত হ'ব।

: এবা টেক্সি এখন মাতি আহিছিলোঁ। ছয় বজাত এইখিনি আহি পাব বুলি কৈছিল।

: সৌৰা—প্ৰফুল্ল, ৰিপুন, নীহাৰ, ৰাজীবহঁত আহিছে। আপোনাকেই চাগে বিচাৰি আহিছে।

: হয়। সিহঁতো মোৰ লগত চৌকিডিঙি বাচ ষ্ট্যাণ্ডলৈ যোৱাৰ কথা আছে। সিহঁত আহি পালেই। প্ৰফুল্ল, ৰিপুন, ৰাজীব, নীহাৰ, আহা আমি তোমালোকৰ কথাকেই পাতি আছিলোঁ।

: আমি আকৌ আপোনাৰ ৰুমলৈকে বিচাৰি গৈছিলোঁ। দুৱাৰত তলাটো দেখি গুচি গ'ল বুলিহে ভাবিছিলোঁ।

: নিকুনদাৰ আজি ৰুমলৈ যোৱা নহ'ল। গোটেই ৰাতি ববৰাৰীৰ চাৰিওফালে ঘূৰি মোক নানান কথা ক'লে। ৰাতি এক তিলো শোৱা নহ'ল।

: ববৰাৰী এৰি যোৱাৰ আগদিনাখন কোনো ষ্টুডেণ্টৰ চকুত টোপনি নাহে। বিগত দিনৰ স্মৃতিবোৰে মুদ খাই যোৱা চকুৰ পাহিক আমনি দি জগাই দিয়ে।

: জাগৃত নিশাটিত কাৰোবাৰ আগত বিগত দিনৰ স্মৃতিবোৰ ৰোমন্থন কৰিবলৈ খুউব ভাল লাগে নিজৰ নিজৰ মনৰ জোখাৰে।

: সকলোৰে মন জানো—অধ্যাপকেই হওক, ছাত্ৰই হওক, চকিদাৰেই হওক বা গৰুখেদা বুঢ়াজনেই হওক। ববৰাৰীৰ স্মৃতি কোনেও পাহৰিব নোৱাৰে।

: চক্ৰাকাৰে ববৰাৰীত মানুহৰ জীৱন ঘূৰি থাকে। ইয়াত আশা আছে, আকাঙ্খা আছে। পৰাজয়ৰ গ্লানিৰ অন্তত বিজয় উল্লাসৰ কিৰণ জাল আছে। সেইবাবেই ইমান টেনচনৰ মাজেৰে সাতটা বছৰ পাৰ কৰি দিয়াৰ পিচতো ববৰাৰীৰ বাটে ঘাটে ফুলৰ সুঘ্ৰাণ বিচাৰি ফুৰে, ববৰাৰী নিত্য সুন্দৰ হৈ উঠে। ববৰাৰীক বুকুৰ আগমগুহ যেন লাগে।

* * * *

: নিকুনদা।

: ৰিপুন!

: সৌৱা টেক্সিখন আহি পালেই।

: তাৰ মানে মোৰ বিদায়ক্ষণ উপনীত হ'ল।

: হয়। আপোনাৰ বেডিং-পত্ৰ বস্তু-বাহানিবোৰ লৈ আহোঁ।

: ব'লা। আৰু এটা কথাদেই তোমালোকক এই বাচন-বৰ্তনবোৰ কাক কি লাগে লৈ লোৱাচোন।

: নিকুনদা! হিটাৰটো মোকেই দি যাওক।

: বাৰু লোৱা।

: আৰু কঁাহী-বাচনখিনি মোক দি যাওক। চাবুৱাত ভাত ৰান্ধি খাব লাগিব নহয়।

: বাৰু লোৱা।

: বস্তু-বাহানি আটাইবোৰ গাড়ীত উঠালানে?

: হয়।

: কিবা বস্তু ৰৈ গৈছে নেকি?

: নাই যোৱা।

: তুৱাৰখনত তলা মাৰি থম নে এনেয়ে বন্ধ কৰি থম।

: এনেয়ে বন্ধ কৰি থওক! ওৱাৰ্ডেনক কৈ মযেই আহিব লাগিব।

: বাৰু! চাট্‌দা ডোৰ অফ্ নিউ হোষ্টেল ৰুম নম্বৰ ফৰ্টি। মোৰ ৰুমটোৰ সন্মুখত আজি শেৱালি ফুল ইমান সৰিছে। যেন ৰুমটোৰ তুইফালে তুখন বগা দলিচাহে! এই ফুল তুডালে মোৰ প্ৰতিটো শীতৰ সেমেকা পুৱাটিৰ ঠেহ ভাগি দিছিল।

: ড্ৰাইভাৰ! গাড়ী ষ্টাৰ্ট দিয়া!

: ভালবাৰু

: ৰিপুন, ৰাজীব, অনুপম আটায়ে ভালদৰে বহি লোৱা।

: নিকুনদা—! চাৰসকলক মাত লগাই আহিছেনে নাই।

: যোৱাকালি সকলোকে মাত লগাই আহিছোঁ। হ'ষ্টেলৰ ৰান্ধনি, বুঢ়াজনকো মাত লগাই আহিছোঁ।

: ভাল কৰিছে।

*　　*　　*

: ড্ৰাইভাৰ ! অফিচৰ সন্মুখত গাড়ীখন অলপ ৰাখি দিয়াচোন !

: কি হ'ল নিকুনদা ?

: শেষবাৰৰ বাবে কলেজ অডিটবিয়ামটো চাই যাবলৈ মন গৈছে। ইয়াত পৰীক্ষাৰ প্ৰশ্ন কাকতখন পোৱাৰ আগমুহূৰ্তৰ বিহ্বলতা, সাংস্কৃতিক সন্ধিয়াৰ প্ৰাণ চঞ্চলতা সকলো মিহলি হৈ আছে।

: আৰু আছে কৰ্তব্যপৰায়নতাৰ চৰম নিদৰ্শন। সাংস্কৃতিক সন্ধিয়াৰ আমেজকণ উপভোগ কৰি থাকোঁতেই যেতিয়া ভিতৰৰ পৰা মাইকত এটা বিশেষ সংবাদ ভাহি আহে—"এটেইনচন প্লিজ ! ডক্তৰ অনুপম বৰুৱা অব ই-এন্-টি ডিপাৰ্টমেণ্ট ইজ্ ওৱাণ্টেদ ইমিদিয়েটলী ইন দি অপাৰেচন থিয়েটাৰ।"

: এৰা ! বৈচিত্ৰপূৰ্ণ জীৱনত কেতিয়া কি সংবাদ আহে কোনে জানে ?

: ড্ৰাইভাৰ গাড়ী চলোৱা। এইবাৰ একেবাৰে চৌকিদিঙীতহে নামিম দেই !

: নিকুনদা ! আপুনি পিচে এতিয়া কি কৰিব ?

: এৰা, তাকেই চিন্তা কৰিছোঁ ! আজিকালি চাকৰি-বাকৰি পাবলৈ বৰ অসুবিধা হ'ল বুজিছানে ? বৰ্তমান ষ্টেট্ চাৰ্ভিচতো হেনো চাকৰি নাই। অথচ অসমৰ কিমানখন গাঁৱৰ মাজত এখন ষ্টেট্ ডিচ্পেনচাৰী তোমালোকে নিশ্চয় দেখিছা ! অন্যহাতে ষ্টেট্ ডিচপেন-চাৰীবো যিহে অৱস্থা ? দৰৱ-পাতি নাই, মাইক্ৰচকোপ এটা পাবলৈকে নাই। ইয়াত যে বিৰাট বিৰাট ৰুটিন ইনভেষ্টিগেচবোৰ মুখস্থ কৰিলা, সেইবোৰ আৰু ইমানতেই শেষ কৰা, যদিহে তুমি কোনো ইনষ্টিটিউচন, বা চিভিল হস্পিটালত চান্স নোপোৱা।

: নিকুনদা। পোষ্ট গ্ৰেজুৱেচন কৰিব নেকি ?

: ইচ্ছা আছিল। কিন্তু সম্প্ৰতি সেইবোৰ চিন্তা বাদ দিছোঁ। "অমং চিন্তা চমৎকাৰাঃ"। ঘৰৰ মানুহবোৰে ল'ৰাজন "কোনদিনাখন ওলাই আহে, কোন দিনাখন ওলাই আহে" বুলি মুখ মেলি বৈয়েই আছে। আমাৰ মেডিকেল ষ্টুডেণ্ট প্ৰায়ভাগৰেই এনেকুৱা গতি বুজিছানে ?

পিচত সময় সুবিধা হ'লেহে চেষ্টা কৰি চাম। তোমালোকক কিন্তু কথা এটা কওঁ দেই দ'নট্‌ টেক ইট্‌ আদাৰওৱাইজ—তোমালোকৰ ডাঙৰ ককায়ৰ হিচাবেহে কথাষাৰ কম। পঢ়া-শুনা কিন্তু বৰ ভালদৰে কৰিবা দেই। এয়া মোৰ আদেশ নহয় অনুৰোধহে। আজিকালি মানুহে এম্‌-বি-বি-এছ ডিগ্ৰীটো বৰ সহজলভ্য বুলি ভাবে—স্পেচিয়েলিষ্টৰ ওচৰলৈকেহে যায়। আৰু কোনে জানে তোমালোকৰ মাজতেই কিজানি কোনোবাজন প্ৰফেচৰ, হেড্‌ অব দি দিপাৰ্টমেণ্ট হৈ আহা।

: এৰা! তেতিয়ালৈকে চাগে কলেজৰ চেহেৰা সম্পূৰ্ণ সলনি হৈ যাব।

: তেতিয়া চাগে থোৰাচিক ইউনিট্‌, নিঅ'ৰোচাৰ্জাৰী আদি আমাৰ ইয়াতেই হৈ উঠিব। বৰ ভাল লাগিব দেই

: তেতিয়া চাগে অসমৰ মানুহে মাটিবাৰী বন্ধকীত থৈ কেন্সাৰ চিকিৎসাৰ বাবে ভেলোৰলৈকে যাবলগীয়া নহ'ব।

: এইবোৰ ইমানদিনে আমাৰ ইয়াত হ'বই লাগিছিল। পিচে ৰঙা ফিতাৰ মেৰপাক ক'ত আমি আজিও বুজি নেপালোঁ।

: আচলতে আমাৰ দেশৰ শাসন ব্যৱস্থা এনেদৰে নিৰ্মিত যে ধৰ্মঘট, অনশন আদি হুলস্থুলবোৰ হৈ নেথাকিলে সহজ সৰল পথেৰে কোনো এটা কামেই সহজ সৰল পথেৰে হৈ নুঠে। অইন কথা নকওঁ এটি সৰু কথাকেই কওঁ—আজিকালি হোষ্টেলবোৰত যে যেন কেইখন দেখিছা সেইকেইখনো ধৰ্মঘটৰ পিচতহে হোৱা। সম্পূৰ্ণ পাঁচশ বছৰ কাল "ৰাইজে" যেনৰ বতাহ নোলোৱাকৈয়ে ডাক্তৰ হৈ গ'ল। মে বেট্‌চৰ পৰীক্ষাৰ্থী কেইজনৰ যে গৰমতে অৱস্থা নোহোৱা হৈছিল দেই – যেনিবা মগজুৰ গ্ৰেমেটাৰ হোৱাইট মেটাৰ আটাইবোৰ গৰমৰ দিনৰ বাট পথৰ আলকাতৰা যেনহে হৈছে। পিচে ধৰ্মঘটৰ অন্তত যেনিবা যেনকেইখন হ'ল বাকীবোৰহে হোৱা নাই। বাকীবোৰ মানে মই সোতৰ দফীয়া কাৰ্যসূচীলৈ যে আজি দুছৰ আগতে কলেজত ধৰ্মঘট, অনশন হৈছিল তাৰেই কথা কৈছোঁ। কোৱা বাহুল্য যে ইয়াত ছাত্ৰ ছাত্ৰীবোৰৰ সা-সুবিধাবোৰতকৈ ৰাইজৰ হে সুবিধাৰ ফালটো বেছি আছিল। এতিয়া ধৰা, বাৰিষা কালত যে এজাক বা দুজাক ডবাপিতা

ধৰষুণ দিলে গোটেই ৰৰবাৰী জলমগ্ন হয়, তাৰবাবে কিবা অকল স'বাকেইজনেই চাফাৰ কৰিছে নে? ৰাইজৰ জানো কোনো অসুবিধা হোৱা নাই? ৰঙাফিতাৰ মেৰপাক ক'ত আছে কোনে জানিব!

: দৰাচলতে এই ৰঙাফিতাৰ মেৰপাকৰ বাবে অসমৰ প্ৰতিজন ব্যক্তিয়েই দায়ী। এই অসম চিকিৎসা মহাবিদ্যালয় কাৰো ব্যক্তিগত সম্পত্তি নহয়। এইখন অসমৰ প্ৰতিজন ব্যক্তিৰেই সম্পত্তি। এইখন কলেজ গঢ়ি তোলোঁতে অসমৰ প্ৰতিজন ব্যক্তিৰে অৰিহণা আছে। এই কলেজখনৰ লগত অসমৰ প্ৰতিজন ব্যক্তিৰেই তেজৰ সম্বন্ধ আছে। অথচ, অসমৰ ৰাইজ সম্পূৰ্ণ উদাসীন। কাৰবাৰ কিবা টান অসুখ এটা হ'লে কাৰোবাৰ হাতে-ভৰিয়ে ধৰি চীট এটা যোগাৰ কৰিব পাৰিলেই যেন তেওঁলোকৰ কৰ্তব্য শেষ, স্বস্তিৰ নিশ্বাস। অথচ, এইখন যে তেওঁৰ নিজৰ সম্পত্তি, ইয়াৰ যিকোনো এটা দিশত অকণমানো হীন ডেৰি ঘটা দেখিলে যে তেওঁৰো তদন্ত কৰাৰ সম্পূৰ্ণ অধিকাৰ আছে. তাক এবাৰো বিবেচনা নকৰে।

* * *

: নিকুন্দা!

: অনুপম!

: কথাপাতি আহি থাকোঁতে চৌকিদিঙী পালোঁৱেই!

: এৰা সৌখন গুৱাহাটীমুখী বাচ নহয়নে।

: হয়! ৰব! টিকটটো মেয়েই কাটি আনো।

: যোৱা বাৰু! ৰিপুন, ৰাজীব! বস্তু-বাহানিবোৰ গাড়ীত উঠাওঁতে লক্ষ্য ৰাখিবা দেই।

: ভাল বাৰু!

* * *

: আৰে অবিনাশ বৰুৱা দেখোন! ক'ৰপৰা আহিলে!

: আপুনি যাব বুলি শুনিয়েই আহিলোঁ। চেৰিফ, হামিদ, চন্দ্ৰ, নিৰ্মলদাইতো আহিছে। সৌকেইজন তাতে বৈ আছে।

: আপোনালোকে ইমান পুৱাতেই পাঁচ আলিৰপৰা আহি পালেনে।

: হয় তুমি যাবা বুলি শুনিয়েই আছিলো।

: আপোনালোকে মোৰ এই বিদায় মুহূৰ্তত লগ পাই সঁচাকৈয়ে বৰ ভাল লাগিছে। আপোনালোকক যে লগ পাম ভবাই নাছিলো।

: তোমাকো যে জীৱনত আমাৰ মাজত এনেদৰে লগ পাম ভবাই নাছিলো। কিমান ল'ৰা আহে কিমান ল'ৰা ডাক্তৰহৈ গুচি যায়।

: তুমি-কিন্তু ঘৰ পায়েই আমালৈ এখন টেলিগ্ৰাম কৰি জনাবাদেই আমাৰ সকলোৰে শুভেচ্ছা—তোমাৰ যাত্ৰা শুভ হওক।

: ধন্যবাদ।

: নিকুন: তোমাৰ এই বিদায় মুহূৰ্তত মোৰ কথা এটা বৰকৈ মনত পাৰিছে। আমিযে আমোলাপট্টি নাট্যমন্দিৰত অবিনাশে লিখা নাটকখন কৰিছিলোঁ? মনত পৰিছেনে?

: কিয় নপৰিব চেৰিফদা? অনেক কথাই জুমুৰি দি ধৰিছে।

: তুমি যে ছাহজাহানৰ ৰোলটো কৰিছিলা বৰ ভাল লাগিছিল বুজিছা। এই চিনটো বৰ ভাল লাগিছিল—"তাজমহলৰ আচল সৌন্দৰ্য তই দেখা নাই ৰহিম…।" বান্দা ৰহিমৰ আগত যে তাজমহলৰ সৌন্দৰ্য বৰ্ণনা কৰি দায়লগটো গাইছিলোঁ!

: মোৰো বৰ ভাল লাগিছিল। আজিও সম্পূৰ্ণকৈ মনত আছে।

: গাড়ীৰ ঘণ্টা পৰে মানে লাহে লাহে গাই শুনাবা নেকি?

: ধেৎ মানুহবোৰ আছে! সিহঁতে শুনিলে কি ভাবিব বাৰু?

: কোনেও নুশুনে! মুখৰ ভিতৰতে মনে মনে গাই শুনালেই হ'ব।

: ঠিক আছে, গাইছোঁ বাৰু!

: ইয়েচ, ৰেডি ষ্টাৰ্ট…

:"তাজমহলৰ আচল সৌন্দৰ্য তই দেখা নাই ৰহিম। তাজমহলৰ আচল সৌন্দৰ্য মোৰ বাহিৰে কোনেও দেখা নাই। মোৰ মৃতা পত্নীৰ সেই প্ৰেম, সেই ভালপোৱা প্ৰতিটো শিলৰ বুকুত খোদিত আছে ৰহিম। জোনাক ধূসৰ নিশা মই যেতিয়া তাজমহল চাওঁ ৰহিম, মোৰ দীৰ্ঘ শ্বাস-প্ৰশ্বাস তাজমহলৰ শীৰ্ষ বিন্দুত খুন্দা খাই আকৌ উভতি আহে ৰহিম! মমতাজ যেন মোক মাতে! মই খুউব চাওঁ ৰহিম! খুউব চাওঁ।"

—অন্ত—